চান্দমামা

অক্ট'বাৰ ১৯৯৭



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:
DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

'ସଚିତ୍ର ବିଜୟା' : ଏକ ମାସିକ ପାରିବାରିକ ଉତ୍ସବ

ଶାରଦୀୟ ବିଶେଷାଙ୍କ

ଏହି ସଂଖ୍ୟାରୁ ଗ୍ରାହକ ହୁଅନ୍ତୁ ସ୍ୱତନ୍ତ୍ର ରିହାତି ପାଆନ୍ତୁ

ମୁଖ୍ୟ ପ୍ରସଙ୍ଗ: ପତ୍ରିକା ବେପାର ପାଣିରେ ଗାର, ବ୍ୟକ୍ତିତ୍ୱ : ମନୋଜ ଦାସ, ସାଂସ୍କୃତିକୀ : ଦିଗପହଣ୍ଡିର ଢୁମ୍ପାବାଦ୍ୟ, ପ୍ରେରଣା: ଗୋକୁଳି ପ୍ରହରାଜ, ଏକାନ୍ତ ପଲ୍ଲୀ: ଶଗଡ ଚକର ଗାଁ, କବି ଓ କବିତା: କମଳାକାନ୍ତ ଲେଙ୍କା, ଅନ୍ତରାଗ: ପାରଳା ରାଜା ଓ ରାଜପ୍ରାସାଦ, ବିଶେଷ ପ୍ରସଙ୍ଗ: ଶିକ୍ଷାର ଶିଖରରେ ଅନନ୍ୟ ଶିକ୍ଷକ, ପରମ୍ପରା: ଗୋଧନ ବନ୍ଦନାର ବିରଳ ପର୍ବ-ବାନ୍ଦନା, ବିସ୍ମୃତ ବ୍ୟକ୍ତିତ୍ୱ: ପ୍ରହଲ୍ଲାଦ ପ୍ରଧାନ, ଭ୍ରମଣ କାହାଣୀ: ରାଜପ୍ରାସାଦର ରଙ୍ଗ ମରୁସ୍ରୋବର ମାୟା (ଦ୍ୱିତୀୟ ଭାଗ) ଏବଂ ଦଶଟି ବିଶେଷ ଗଳ୍ପ, ରମ୍ୟ ରଚନା ଓ କବିତାର କମନୀୟ ମାଳା ସହିତ 'ସ୍ୱପ୍ନ ଜଗତ'।

ବିଗତ ତିନିବର୍ଷର ବିଜୟାରେ ପ୍ରକାଶିତ ସମସ୍ତ ବିଭାଗର ସମାହାର:
୧୬୪ ପୃଷ୍ଠାର ବର୍ଣ୍ଣିଳ ସମ୍ଭାରର ମୂଲ୍ୟ ମାତ୍ର ପଚିଶ ଟଙ୍କା

ଅବଶ୍ୟ ସଂଗ୍ରହଣୀୟ ଏହି ଆକର୍ଷଣୀୟ ସଂଖ୍ୟା ପାଇଁ ନିକଟବର୍ତ୍ତୀ 'ଜହ୍ନମାମୁଁ' ଏଜେଣ୍ଟଙ୍କ ପାଖରେ ଅଗ୍ରୀମ ଚାହିଦା ପେଶ୍ କରନ୍ତୁ।

চান্দমামা

অকট'বাৰ : ১৯৯৭

এই সংখ্যাত আছে

অনৈক্যৰ অভিশাপ	...৭
আমাৰ নতুন ৰাষ্ট্ৰপতি	...৯
আপোন-নামা—উত্তমা ?	...১০
ৰজাৰ মজা	...১৫
সম্ৰাট অশোক	...১৭
মহত্ব কিহত নিহিত	...২৫
নিহিতাৰ্থ	...৩২
সাগৰৰ পাৰে পাৰে	...৩৩
অন্ধ-বিশ্বাস কিমান অন্ধ ?	...৩৭
সোণালী দুৱাৰ	...৪১
মহাভাৰত	...৪৫
বাতৰিত আজি কৰাতৰ কাজী	...৫২
চান্দমামা-কোলাৰ কাকত	...৫৩
স্বাধীনতাৰ প্ৰথম সংগ্ৰাম	...৫৬
বুদ্ধিৰ খেও	...৬৩
ফটো-নামকৰণ	...৬৬

চান্দমামা

প্ৰতিভাষা - প্ৰতিখন

৬.০০ টকা

বছৰেকীয়া বৰঙনিৰ ধন

৭২.০০ টকা মাথোন

মা,
এল আই চি-নো কি ?

ই হ'ল সুৰক্ষাৰ
আৰামদায়ক কম্বল।

এল আই চি হ'ল লাইফ ইঞ্চিওৰেন্স কৰ্পোৰেশ্যন অব ইণ্ডিয়া। ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ উজ্জ্বল কৰি তুলিবলৈ ইয়াৰ সৈতে আছে বিভিন্ন অভিনব যোজনা। তোমাৰ মা-দেউতাক সুধিলেই তেওঁলোকে আমাৰ জীৱন সুকন্যা, জীৱন কিশোৰ, জীৱন বাল্য আৰু চিলড্ৰেন্স মনি বেক পলিচি আদি যোজনাৰ বিষয়ে বুজাই দিব। এল আই চি হ'ল সদায়েই তোমাৰ শুভাকাংক্ষী।

লাইফ ইঞ্চিওৰেন্স কৰ্পোৰেশ্যন অব ইণ্ডিয়া

ৰীমা কৰক আৰু সুৰক্ষিত হওক

R K SWAMY/BBDO LIC 6181 D ASM

ঐতিহ্যময় সৌন্দর্য! একান্ত নির্ভরযোগ্য!!

মেরি
স্বর্ণাচ্ছাদিত অলঙ্কারাদি

অঙ্গশোভার জন্য সৃষ্টি, শিল্পকর্ম ও অনবদ্য গঠন-শৈলী— উভয়ের জন্য সমাদৃত। মেরি— গত ৩৫ বৎসর যাবৎ স্বর্ণাচ্ছাদিত অলঙ্কার প্রস্তুতিতে নিযুক্ত এক সুপ্রসিদ্ধ সংস্থা। নিম্নে প্রদর্শিত কয়েকটি ডিজাইন ভি.পি.পি. দ্বারা ক্রয় করা যেতে পারে। অলঙ্কারগুলির চিহ্ন-সংখ্যা উল্লেখ করে আপনার প্রয়োজনাদি অর্ডার করুন। ভি.পি.পি.-র খরচ বিনামূল্যে। এ-ছাড়া ১৫০ পৃষ্ঠার বিনামূল্য রঙীন ক্যাটালগের জন্য লিখুন।



MERI GOLD COVERING WORKS
Post Box : 1405, 18, Ranganathan Street, T. Nagar,
Chennai 600 017. Phone : 4344671, 4342513

চান্দমামা

সংস্থাপক : চক্রপাণি ✹ সঞ্চালক : নাগিৰেড্ডি

অনৈক্যৰ অভিশাপ

বাঘ-পকৱাক পোকে চিন্তয় ভয়ত ।
তাহাৰ স্বৰূপ পায় সেই শৰীৰত ॥ -(ৰত্নাৱলী)

বৃটিছ ইস্ট ইণ্ডিয়া কম্প্যানি ভাৰতবৰ্ষলৈ আহিছিল ভাৰতত বেহা-বেপাৰ কৰিবলৈ । ভাৰতলৈ অহা পচিমীয়া বেপাৰী-বণিজাৰ যদিও বৃটিছ কম্প্যানি অহাৰ আগতেও আহিছিল, আহিছিল—পৰ্টুগিজ, ডাচ, আনকি ফৰাছিসকলো ; কিন্তু এই বৃটিছহঁত আছিল একেবাৰে বাঘ-তেলে-খোৱা-বজৰলেপ দি ধৰা বেপাৰী। এওঁলোকৰ মুখত আছিল বেপাৰৰ কথা, কিন্তু মনত আছিল এই দেশ অধিকাৰৰ চিন্তা। আৰু কাটিলেও কাটা নাযা-কুটিলেও কুটা নাযাবিধৰ এই গৰুৱা-গলা তৰ-চেঙেলীহঁতে তৎকালীন এগৰাকী ভাৰতীয় নৱাবৰ সৈতে বহু চেষ্টাৰে মিতিৰ পাতি ১৭৬৫ চনত-বণিজাৰৰ ভেশছনত বঙ্গ, বিহাৰ আৰু ওড়িশাত 'ইস্ট ইণ্ডিয়া কম্প্যানি'ৰ একপ্ৰকাৰৰ ৰাজত্বয়েই প্ৰতিষ্ঠিত কৰিল। আৰু এই কম্প্যানিৰ ৰাজত্বক তেতিয়াৰ দিনৰ ৰাইজে 'জন্ কোম্পানিৰ ৰাজ' বুলি কৈছিল।

এই বেপেকৱা কম্প্যানিয়ে তেওঁলোকৰ ছদ্ম-ৰাজত্বক গুপুতে শিপাই খলি পুতি ৰহিবলৈ যিকোনোবিধৰ অসাধুতাৰ আশ্ৰয় লৈছিল, আৰু এইবাবে আৱশ্যকমতে তৎকালীন ভাৰতীয় ৰজাসকলৰ সৈতে চুক্তিৰ কোনো পৰোৱা নকৰিছিল।

এইবোৰ কুকৰ্মৰ বাবে কেৱল জন্ কম্প্যানি বা ইস্ট ইণ্ডিয়া কম্প্যানিয়েই জগৰীয়া আছিলনে ? সিহঁত—বৃটিছ-বেপাৰীহঁত যে সাতঘাটৰ পানীখোৱা আছিল—সেই কথাত সন্দেহ নাই; কিন্তু আমাৰ দেশৰ তেতিয়াৰ ৰজা-মহাৰজা নৱাব-বাদশ্বাহ সকলৰ মাজত থকা খিয়লা-খিয়াল্য তথা ঘোৰ অনৈক্যৰ অভিশাপ নথকাহেঁতেন সিদিনাৰ সেই সাতঘাটৰ চেঙেলীহঁতে ইমান সহজভাৱে সিন্ধি খান্দি আমাৰ স্বাধীনতাক মষিমূৰ কৰি আমাৰ ভেটিত তিতা লাউ গজাব নোৱাৰিলেহেঁতেন। আমাৰ তেতিয়াৰ ৰজাসকলৰ মাজত ভালেমানেই এই টেটোনহঁতৰ সহায় লৈ চুবুৰীয়া ৰজাক দাঁত-ভঙা শিক্ষা দিয়াৰ চেষ্টা কৰাতহে ইহঁতে ইমান প্ৰশ্ৰয়, আৰু লগতে আশ্ৰয়ো পাইছিল।

কিন্তু ভাৰতবৰ্ষৰ সাধাৰণ মানুহে তেতিয়া কি কৰিছিল ? তেওঁলোকে ধূৰ্ত বৃটিছ-বণিজাকহঁতৰ এনেবোৰ কুকৰ্মলৈ চাই নিমাত-দৰ্শক মাথোন হৈ আছিলনে ? নহয়। তেওঁলোকে যেতিয়াই পাৰিছিল-এই বগা-বণিজাৰহঁতৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল।

বছৰ : ২২ অকট'বাৰ ১৯৯৭ সংখ্যা : ৭

খনে : ৬.০০ টকা ✹ বছৰি : ৭২.০০ টকা





Rs. 30/-



Rs. 40/-



Rs. 30/-



Rs. 30/-



Rs. 25/-



Rs. 30/-

CHANDAMAMA BOOKS ARE ALREADY A LEGEND! THEY OPEN A NEW HORIZON ON THE WORLD OF LITERATURE FOR THE YOUNG

Added to the six titles by **Manoj Das** is the charming seventh–

WHEN THE TREES WALKED

by the inimitable story-teller **Ruskin Bond**



Rs. 30/-

Among the titles in the process of production are:

STORY OF KRISHNA
STORY OF RAMA
STORY OF BUDDHA

For details, write to:

CHANDAMAMA BOOKS
Chandamama Buildings
Vadapalani, Madras - 600 026.

পৃথিৱীৰ খিৰিকীৰে

আমাৰ নতুন ৰাষ্ট্ৰপতি

এনেহেন ব্যক্তিৰ সংখ্যা পৃথিৱীখনত বৰ বেছি নহয়, যিসকলে ব্যক্তিয়ে চূড়ান্ত দাৰিদ্ৰ্যৰ মাজত থাকিও জীৱনৰ পৰাজয় নামানে, দৰিদ্ৰতাৰ দ'মৰপৰা মূৰ দাঙি জীৱনৰ জাবৰ্ব-জোথৰ খমন সবল হাতেৰে গুচাই ব্যক্তিত্ব প্ৰকাশৰ চূড়ান্ত সীমা পায়গৈ। এনেকৈ আপ্ৰাণ পৰিশ্ৰমৰ যোগেদি এশ জালুকৰ আগ হোৱাটো অতি অসাধাৰণ কথা। আমেৰিকাৰ অন্যতম ৰাষ্ট্ৰপতি আব্ৰাহাম লিন্‌কন আছিল এগৰাকী এনেহেন ব্যক্তিত্ব। আৰু— এনেহেন ব্যক্তিত্ব—আমাৰ ভাৰতৰ নতুন ৰাষ্ট্ৰপতি।

আমাৰ ভাৰতৰ নতুন ৰাষ্ট্ৰপতি শ্ৰী কে. আৰ. নাৰায়ণন কেৰালাৰ এখন সাধাৰণ গাঁৱৰ অতি সাধাৰণ পৰিয়ালত জন্মগ্ৰহণ কৰিছিল। যোৱা ১২ জুলাইৰ দিনা অনুষ্ঠিত ৰাষ্ট্ৰপতি-নিৰ্বাচনত বিজয়ী হৈ তেওঁ যোৱা ২৫ জুলাইৰ দিনা ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ গুৰুদায়িত্বপূৰ্ণ কৰ্মভাৰ গ্ৰহণ কৰিলে।

আমাৰ নতুন ৰাষ্ট্ৰপতিৰ নাম হ'ল — কোচেৰিল ৰামন নাৰায়ণন। তেওঁ ১৯২০ চনৰ ২৭ নৱেম্বৰৰ দিনা কেৰল ৰাজ্যৰ কোট্টায়ামৰপৰা ২৫ মাইল দূৰৱৰ্তী গাঁও এখনত জন্মগ্ৰহণ কৰিছিল। তেওঁলোকৰ পৰিয়ালখন আছিল এখন অতি দৰিদ্ৰ পৰিয়াল, আনকি দিনৌ দুসাজ জোখে-জোখাৰে আহাৰৰো নিশ্চিন্ততা নাছিল। পিতাদেৱেক আছিল এগৰাকী আয়ুৰ্বেদীয় চিকিৎসক। কিন্তু তেওঁ তেওঁৰ চাৰিজন পুত্ৰৰ কোনো এজনকো আয়ুৰ্বেদ-শিক্ষা দিয়া নাছিল আৰু পঢ়াশলীয়া শিক্ষাৰে শিক্ষিত হোৱালৈহে সদায় উৎসাহ দিছিল।

আমাৰ ৰাষ্ট্ৰপতি শ্ৰী নাৰায়ণন যেতিয়া সাতবছৰীয়া হ'ল তেতিয়া তেওঁ গাঁৱৰে চৰকাৰী নিম্ন প্ৰাথমিক পঢ়াশালিত নাম লগালে। কিন্তু তাত এদিন শিক্ষক এগৰাকীৰ প্ৰশ্নৰ সঠিক উত্তৰ দিব নোৱাৰাত শিক্ষকগৰাকীয়ে ছাত্ৰ নাৰায়ণনৰ হাতৰ তলুৱাত বেতেৰে কোবালে। নাৰায়ণনে বেতৰ কোবৰ জ্বালা পাহৰি পেলালে, কিন্তু প্ৰশ্নৰ উত্তৰ 'নজনা'ৰ জ্বালা পাহৰিব নোৱাৰি দিনে-নিশাই অধ্যয়নত অতিবাহিত কৰিবলৈ ধৰিলে আৰু এইদৰে শ্ৰম কৰাৰ ফলত শ্ৰেণীত প্ৰথম স্থান লাভ কৰি এদিনও বেতৰ কোবৰ যথোচিত উত্তৰ দিলে।

তাৰ পাছত — তেওঁক অধিক উন্নত বিদ্যালয়ত ভৰ্ত্তি কৰা হৈছিল, কিন্তু তাত ঠিকমতে পঢ়াশলীয়া বেতন দিব নোৱাৰাত তেওঁ পঢ়া-লিখাত বহুবিধ অসুবিধাৰ সন্মুখীন হ'বলগা হৈছিল।

যি কি নহওক, এইদৰে বহুবিধ আৰ্থিক অসুবিধাৰ মাজেদি— সকলো অসুবিধাক অপৰিমেয় শ্ৰমেৰে গুচাই—তেওঁ আগবাঢ়ি গৈ গৈ ত্ৰিবান্দ্ৰম বিশ্ববিদ্যালয়ত ইংৰাজিৰ ছাত্ৰ হিচাপে নাম লগাইছিলগৈ আৰু তাত ১৯৪২ চনত তেওঁ ইংৰাজিত প্ৰথমশ্ৰেণীত প্ৰথম হৈ উত্তীৰ্ণ হৈছিল।

তাৰ পাছত—কিছুদিনলৈ এখন টিউটোৰিয়াল কলেজত তেওঁ অধ্যাপনাও কৰিছিল। আৰু—তাৰ পাছত তেওঁ ইণ্ডিয়ান ওভাৰছিজ বিভাগত চৰকাৰী কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল। তেতিয়া তেওঁ দিল্লীত।

কিন্তু সেই চাকৰি তেওঁ এৰি দিলে, আৰু সেই চাকৰিত পোৱা দৰ্মহাৰ আধা দৰ্মহাতে মাদ্ৰাজৰপৰা ওলোৱা 'হিন্দু' নামৰ বাতৰি-কাকতৰ কামত যোগ দিলে সহকাৰী সম্পাদক হিচাপে, আৰু তাৰ পাছত বম্বেৰপৰা ওলোৱা দি টাইমছ অৱ্ ইণ্ডিয়া'ত।

১৯৪৪ চনৰ ১০ এপ্ৰিলৰ দিনা তেওঁ মহাত্মা গাঁধীৰ (গান্ধী) সাক্ষাৎকাৰ লোৱাৰ সুযোগ পাইছিল। গাঁধীজী তেতিয়া মৌনব্ৰতী হৈ আছিল, সেইহে তেওঁ শ্ৰীনাৰায়ণনৰ প্ৰশ্নসমূহৰ উত্তৰ ব্যৱহৃত খামৰ পিছফালে লিখি দিছিল। সেইবোৰ অতি অমূল্য তথা জাতিৰ ইতিহাসৰ সাক্ষীৰূপী খাম অদ্যাপি শ্ৰী নাৰায়ণনৰ ওচৰত সযতনে ৰক্ষিত আছে।

১৯৪৫ চনত তেওঁ লণ্ডন স্কুল অৱ্ ইক্‌নমিকছত যোগ দিয়ে। তেওঁ ভুৱনবিখ্যাত অধ্যাপক হ্যাৰল্ড লাস্কিৰ অতি প্ৰিয় ছাত্ৰ হৈছিল। ১৯৪৮ চনত ভাৰতলৈ প্ৰত্যাবৰ্ত্তনৰ কৰাৰ লগে লগে পণ্ডিত জৱহৰলাল নেহৰুৱে শ্ৰী নাৰায়ণনক ভাৰত চৰকাৰৰ বিদেশ বিভাগত কৰ্ম নিযুক্ত কৰিছিল। তেওঁ বাৰ্মালৈ (আজিৰ ম্যায়ানমাৰ) ভাৰতীয় কনস্যুলেটত প্ৰেৰণ কৰা হৈছিল, আৰু তাৰ পাছত জাপান, বৃটেইন, ভিয়েতনামলৈ। তাৰ পাছত—থাইল্যাণ্ড, তুৰস্ক, চীনদেশতো ভাৰতীয় কনস্যুলেটত কৰ্ম-সম্পাদন কৰিছিল আৰু অতঃপৰ থাইল্যাণ্ড, তুৰস্ক, চীন আদি দেশতো তেওঁ ৰাজদূতৰ দায়িত্ব কঢ়িয়াইছিল।

১৯৭৮ চনত তেওঁ চৰকাৰী কাৰ্য্যাদি পৰিত্যাগ কৰি নেহৰু বিশ্ববিদ্যালয়ৰ উপাধ্যক্ষৰ পদ গ্ৰহণ কৰিছিল। ১৯৮০ চনত শ্ৰীমতী ইন্দিৰা গান্ধীয়ে নাৰায়ণনক ৰাজদূতৰ দায়িত্ব প্ৰদান কৰি আমেৰিকালৈ প্ৰেৰণ কৰিছিল।

তাৰ পাছত—প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে শ্ৰী নাৰায়ণনক ৰাজনীতিৰ বৃত্তলৈ সোমাবলৈ উৎসাহ প্ৰদান কৰিছিল আৰু তেওঁ কেৰালাৰপৰা সাংসদ হৈ দিল্লীলৈ আহিল। তেওঁ যথাক্ৰমে বৈদেশিক বিভাগ, বিজ্ঞান বিভাগ, পৰিকল্পনা বিভাগাদিৰো দায়িত্ব কঢ়িয়াইছিল। এতিয়া তেওঁ যদিও দেশৰ সৰ্বোচ্চ পদত আসীন, তথাপি তেওঁ তেওঁৰ বাল্যকালৰ কথা বিস্মৃত হোৱা নাই। তেওঁ ৰাষ্ট্ৰপতিৰ মহান কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ অন্তত বিনম্ৰভাৱে কৈছে ঃ "ৰাইজে মোৰ প্ৰতি যি মৰম প্ৰদৰ্শন কৰিলে মই সেই মৰমৰ যোগ্য হৈ ৰাইজৰ আশা-আকাংক্ষা যথাশক্তি পূৰ্ণ কৰিবলৈ চেষ্টা কৰিম"

আপোননামা – উত্তমা ?

সকলো প্ৰজায়েই এই কথাত একমুখ ঃ আমাৰ ৰজা আঁকো-গোজা। তেওঁ যিহকে কৰিবলৈ বিচাৰে, কাৰো কথা নামানি ভাল-বেয়া নগমি —তাকে কৰে, আৰু আপোনাৰ সুতাৰে আপুনি বন্ধ হৈ ককবক কৰে।

ৰজাৰ মন্ত্ৰী - মহামন্ত্ৰী নথকা নহয়, আছে; কিন্তু নামতহে। মন্ত্ৰী-মহামন্ত্ৰী সভাশুৱন, ৰজাই তাকে কৰে যি তেওঁৰ মন।

এবাৰ চোৰাংচোৰা প্ৰধানে ৰজাক ক'লে যে প্ৰজাৰ মাজত বৰ বিতুষ্টি। কিন্তু ৰজাই তেওঁৰ মন্ত্ৰীসকলক এই বিষয়ে একোকে নুসুধি - নেমেলি এনিশা ভেশছন ধৰি প্ৰজাৰ বিতুষ্টিৰ কথা স্বচক্ষে চাবলৈ-স্বকৰ্ণে শুনিবলৈ ওলাল। ৰজাৰ কথা হ'ল যে — নিজেহে জানিব লাগে, তেহে কিবা কৰিব লাগে।

ৰাতিৰ পৰতে ওলাই—গৈ গৈ তেওঁ এটা ঘৰৰ আগত বৈ দিলে আৰু আঁৰত থাকি ঘৰৰ ভিতৰত থকা গিৰিয়েক - ঘৈণীয়েকৰ মাজত চলি থকা কথাখিনি মনপুতি শুনিবলৈ ধৰিলে।

ঘৈণীয়েকে গিৰিয়েকক কৈ আছিল, "যোৱা তিনি মাহমানৰপৰা মই মন কৰি আছোঁ যে আপুনি সদায় কিবা এক চিন্তাত ডুব গৈ আছে। কথা কি — ক'বনে ?"

"ক'ম মানে — কি যে ক'ম — ভাবিকে পোৱা নাই। ভাবোঁ ঢেৰ, পিছে — তাৰে একোয়েই ফল নহয়। ভবা মতে কাম নহ'লেনো চিন্তা গুচিব কেনেকৈ ?" গিৰিয়েকে গিৰগিৰালে।

শুনি — ৰজাই ভাবিলে, বছ, পালোঁ, প্ৰজাৰ বিতুষ্টিৰ কাৰণ বুজি পালোঁ।

তেওঁ পোনে পোনেই প্ৰাসাদ পালেহি। ভাবি ভাবি এই সিদ্ধান্ত ল'লে যে — যেৱে যি ধৰণে ইচ্ছা কৰিব, তাক তেনে ধৰণে তুষ্ট

নীলিমা গোহাঞি

কৰিলেই সকলো ঠিকঠাক হৈ যাব।

পাছদিনা স্নানাদি কাৰ্য্য সমাপন কৰি যেতিয়া স্নানাগাৰৰপৰা ওলাই আহিল, তেতিয়া তেওঁৰ লিগিৰা এজনে এলোটা গাখীৰ লৈ তাত থিয় হৈ আছিল। লিগিৰাজনে গাখীৰৰ লোটাটো ৰজাক দিওঁতে—গাখীৰখিনি নষ্ট হৈ থকা দেখা পাই ভিতৰি ভিতৰি ভয়তে কঁপিবলৈ ধৰিলে।

ৰজাই লিগিৰাটোৰ হাৱ-ভাৱ কেনেবাযেন দেখি তাক সুধিলে, "সঁচা কথা কোৱা, এতিয়া এই মুহূৰ্তত কি ভাবি আছা ?"

"মহাৰাজ, ভাবি আছোঁ যে — লোটাত থকা তপত গাখীৰ মোৰ মুখলৈ দলিয়াই পেলাব।" লিগিৰাই ক'লে।

আৰু ৰজাই লগে লগেই লিগিৰাই কোৱামতেই কৰিলে। সি যে কান্দি কান্দি দৌৰি পলাল—ৰজাই তালৈ মনেই নকৰিলে।

সেই দিনাই ৰাজসভাত সাধাৰণ চোৰ এটাক বিচাৰৰ বাবে লৈ অহা হ'ল। ৰজাই আনকি চোৰটোকো বিতুষ্ট নকৰিব বুলি ভাবিলে আৰু চোৰটোক সুধিলে, "কোৱাঁ, মই এতিয়া কি কৰিম। সঁচা কথা ক'বা।"

"মহাৰাজ, এতিয়া আপুনি মোক সৌকাৰে কোবাবলৈ ক'ব বুলি মই ভাবিছোঁ।" চোৰটোৱে ভয়তে কুঁচিমুচি ক'লে।

আৰু ৰজাই তাক সৌকাৰে কোবাবলৈ প্ৰহৰীতক আদেশ দিলে।

সেই দিনাই, ৰাতিৰ পৰতে মহাৰাণীয়ে মহাৰাজক ক'লে যে তেওঁ কেইদিনমানৰ কাৰণে তেওঁৰ মাক-দেউতাকক চাবলৈ যাব বুলি স্থিৰ কৰিছে। মহাৰাণীয়ে মাকৰ ঘৰলৈ যাবলৈ

মহাৰাজৰপৰা অনুমতি বিচাৰিলে।

ৰজাই পান চোবাই চোবাই ৰাণীক সুধিলে, "মই কি ক'ম তুমি বুলি ভাবিছানো ?"

"আপুনি —" মহাৰাণীয়ে ক'লে, "আমাৰ ঘৰৰপৰা কোনোবা-কুনুবি সৌ সিদিনাই আহিছিল — মাক-দেউতাকৰ খবৰ-বাতৰিও পালাই — গতিকে এতিয়া যাব নালাগে বুলি ক'ব কিজানি।"

"ওঁ,ময়ো তাকেই ক'ম বুলি ভাবি আছিলোঁ।" ৰজাই ক'লে।

ৰজাৰ উত্তৰ ৰাণী বিতুষ্ট হ'ল, কিন্তু ৰজাই যে ৰাণীক তুষ্ট কৰিবলৈহে সেই কথা ক'লে—তাকেহে ৰাণীয়ে নাজানিলে।

কিন্তু যাৰ যি মন যায় — যেৱে যি বিচাৰে — তাকে কৰিও যে বিতুষ্টি গুচাব পৰা নগ'ল,



ৰজাই তেওঁৰ চোৰাংচোৰা-প্ৰধানৰ মুখে সেই কথাটো জানিলে আৰু আচৰিতেই মানিলে। আৰু — আকৌ ভালকৈ প্ৰজাৰ বিতুষ্টিৰ কথা জানিবলৈ ৰজা পুনৰ এনিশা ভেশছন ধৰি ওলাল।

গৈ গৈ তেওঁ এঠাইত এটা ঘৰৰ আগত এহাল দম্পতিয়ে-চকিত বহি-কথা পাতি থকা শুনিলে।

পত্নীয়ে পতিক কৈ আছিল ঃ "আপোনাৰ কি হ'ল ক'বনে ? আপুনি দেখোন আগৰ দৰে হাঁহি-ধেমালি নকৰা হ'ল, মন মাৰি মনে মনে থকা হ'ল—কিয় ?"

পতিয়ে ক'লে, "কিছুদিনৰপৰা — জীৱনটো একেবাৰে উকা উকা যেন লাগি গৈছে। ইমান গতানুগতিক — একঘেঁয়ে জীৱন—যেনিবা মৰণৰহে তুল্য। জীৱনত যদি হঠাৎ কিবা অপ্ৰত্যাশিত ঘটনা নঘটে—তেতিয়া জীৱন হৈ উঠে অসাৰ।"

এইবাৰ ৰজাই ভাবিলে যে — এয়ে হ'ল প্ৰজাৰ দুখ-বেজাৰ বিমোৰ-বিতুষ্টিৰ আচল কথা। তাৰ মানে — সাধাৰণ মানুহে যিবোৰ মনত ভাবে, তাৰ বিপৰীত কিবা পালেহে ভাল পায় কিজানি।

পাছদিনা — অন্যান্য দিনৰ দৰেই ৰজাই লিগিৰাই দিয়া সাজ-পাৰ পিন্ধি ৰাজসভালৈ যাবলৈ ধৰিলে যেতিয়া, তেতিয়া লিগিৰাই ৰজাই পিন্ধা চোলাটোৰ এঠাইত ছিঙা-ফটা দেখা পাই ৰজাক ৰখালে আৰু ক'লে, "মহাৰাজ, ক্ষমা কৰিব। এই চোলাটো পিন্ধি নাযাব, মই দোচোৰা চোলা এটা এতিয়াই লৈ আহিছোঁগৈ।"

"কোৱাঁ, এতিয়া মই কি কৰিম বুলি ভাবিছোঁ।"

ৰজাৰ প্ৰশ্নৰ উত্তৰত লিগিৰাই তলমূৰ হৈ ক'লে, "মোক শাস্তি দিব বুলি ভাবিছে আৰু এই ফটা-ছিঙা চোলা পিন্ধি ৰাজসভালৈ নাযাব বুলি ভাবিছে।"

"কিন্তু — মই তোমাক দন্ড নিদিওঁ, আৰু এই চোলাটো পিন্ধিয়েই ৰাজসভালৈ যাম।" এই বুলি কৈ, তেওঁ লিগিৰাটোক তুষ্ট কৰি পৰিতুষ্ট মনেৰে ৰাজসভালৈ গ'ল। তাত তেতিয়া মহামন্ত্ৰীয়ে তেওঁৰ আসনত বহি-বহিয়েই টোপনিত লাল-কাল দিছিল আৰু তেওঁৰ নাকৰ ঘোৰ্ঘোৰণিৰে ৰাজসভা মুখৰিত হৈছিল। ৰজাই ইংগিত কৰাত মহামন্ত্ৰীৰ সুখ-

নিদ্রা তৎমুহূর্ততেই ভংগ কৰা হ'ল।

সাৰ পাই মহামন্ত্ৰীয়ে কৈ উঠিল, "ক্ষমা কৰিব, মহাৰাজ।"

"মহামন্ত্ৰী, কওক, এতিয়া-এহিক্ষণতে মই কি ক'ম বুলি ভাবিছোঁ।"

ৰজাই এনেকুৱা এক অবান্তৰ প্ৰশ্ন কৰিব বুলি মহামন্ত্ৰীয়ে কল্পনাও কৰিব পৰা নাছিল। ৰজাৰ প্ৰশ্ন শুনি মহামন্ত্ৰী ভেবাচেকা খাই গ'ল। মহামন্ত্ৰীয়ে আমতা-আমতিকৈ ক'লে, "আপুনি নিশ্চয় — মোৰ দৰে নিদ্ৰালু মহামন্ত্ৰী নালাগে বুলি ক'ব — আৰু —"

মহামন্ত্ৰীক ৰখাই ৰজাই কৈ উঠিল, "কদাপি নকওঁ তেনেহেন কথা। আপোনাৰ নিচিনা যোগ্য মহামন্ত্ৰী আমাৰ গৌৰৱ।"

পৰিপূৰ্ণ ৰাজসভাত হাঁহিৰ ৰোল টৌৱাই গ'ল। টোপনি-গদুৱা মহামন্ত্ৰীক ৰজাই ইতিকিং কৰা বুলি সকলোটিয়ে ভাবিছিল।

সেই দিনাই ৰজাই উদ্যানবনত ভ্ৰমি থাকোঁতে গোলাপৰ কাঁইটীয়া ঠাৰি এডাল তেওঁৰ ভৰিত লাগিল, আৰু বুঢ়া মালীয়ে দৌৰি আহি ঠাৰিডাল গুচাই ৰজাৰপৰা ক্ষমা খুজিলে।

ৰজাই বুঢ়া মালীক সুধিলে, "বতাও, মই এতিয়া তোমাৰ বিষয়ে কি কৰিম বুলি ভাবিছোঁ।"

কেইমুহূৰ্তমানহলৈ মনে মনে থকাৰ অন্তত বুঢ়া মালীয়ে ৰজাক ক'লে, "মোক কামৰপৰা বৰ্খাস্ত কৰাৰ কথা ভাবিছে, মহাৰাজ! কিন্তু প্ৰাৰ্থনা কৰিছোঁ, তেনেকৈ নকৰক।"

"তোমাক বৰ্খাস্তয়েই কৰিলোঁ। তোমাৰ



ঠাইত কোনোবা ডেকা-মালীক ল'ম। ঢেৰ দিনলৈ কাম কৰিলা, এতিয়া ৰাম ৰাম হৰি হৰি বোলা।" এই বুলি কৈয়েই, অপ্ৰত্যাশিত ঘটনা ঘটাই, ৰজাই প্ৰাসাদলৈ বুলি আগ বাঢ়িল।

সেই দিনাই, ৰাতিৰ পৰতে ৰাণীয়ে পুনৰ মাকৰ ঘৰলৈ যাবলৈ দিয়াৰ বাবে ৰজাক অনুৰোধ কৰাত ৰজাই ৰাণীক সুধিলে, "মোৰপৰা তুমি কেনেকুৱা উত্তৰ পাবা বুলি আশা কৰিছা?"

ৰাণীয়ে মিঠাকৈ হাঁহিৰে ক'লে, "মোক যাবলৈ অনুমতি দিব বুলি আশা কৰিছোঁ।

"নহয়, তুমি ভুলকৈ আশা কৰিছা। মই তোমাক এই অনুমতি নিদিওঁ।" ৰজাই সহজ মাতেৰেই ৰাণীক ক'লে।

ৰাণী তলমূৰ হৈ শয়নকক্ষলৈ গ'লগৈ।

কিন্তু ৰাণীৰ বেজাৰে ৰজাক চিন্তাত পেলালে। অপ্রত্যাশিত ঘটনা ঘটায়ো তেওঁ দেখোন কোনো এজনকো তুষ্ট কৰিব নোৱাৰিছে ! কথানো তেন্তে—কি ? কি কৰিলেনো মানুহক পৰিতুষ্ট কৰিব পাৰি ? ৰজা মহা চিন্তাত পৰি ছটফট কৰি থাকিল।

ৰাতিৰ পৰতো ৰজাৰ চকুযুৰিয়ে যেতিয়া টোপনিৰপৰা মেলানি মাগিলে — তেতিয়া ৰজাই পত্নীক জগাই মাতি আনি তেওঁৰ মনৰ কথা খোলাখুলিকৈ ক'লে। সকলোখিনি কথা ভাঙি-পাতি কোৱাৰ অন্তত ৰজাই ৰাণীক সুধিলে, "কি কাম কৰিলে প্রজাসৱ তুষ্ট হ'ব— তুমি কিবা ক'ব পাৰিবানে ?"

ৰাণীয়ে মিঠাকৈ হাঁহিৰে ক'লে, "প্রজাৰ ওচৰত ৰজা হ'ল পিতৃতুল্য। আহাৰ, বস্ত্র আৰু গৃহ — এই তিনিটায়েই হ'ল সাধাৰণ-অসাধাৰণ সকলো মানুহৰ পক্ষে অত্যাৱশ্যকীয়। এইবোৰৰ সুবন্দবস্ত কৰিব পৰাজনেই হ'ল প্রকৃততে প্রজাৰ প্রতিনিধি— ৰজা। অৱশ্যে — এই কথাৰ অৰ্থ এয়ে নহয় যে — প্রজাসৱক ৰজাই বহি-খোৱা ফুকন বনাব—বহি-বুঢ়া কৰিব। বহি খালে যে কুবেৰৰ ধনেও নাটে—সেই কথা সকলোটিয়েই জানে আৰু মানে। গতিকে — প্রজায়ো শ্ৰম কৰিব, আৰু প্রজাৰ মংগলৰ হকে ৰজায়ো কাম কৰিব তেহে উভয় পক্ষয়েই পৰিতুষ্ট হ'ব। — আপুনি যেতিয়া প্রজাবৰ্গৰ বাবে উক্ত তিনিটা সমস্যাৰ সমাধানলৈ মন কৰিব, তেতিয়া প্রজাবৰ্গৰ মাজত আপোনা-আপুনিয়েই পৰিতুষ্টিৰ সৃষ্টি হ'ব, আপুনিও অযথা চিন্তাৰ মকৰাজালত সোমাই পৰাৰপৰা ৰেহাই পাব।"

ৰাণীৰ কথাত এইবাৰ ৰজাই ৰাজহি-ততহিঁলে মন দিলে, আৰু কিছুদিনৰ অন্তত সুফলেন লাভ কৰিলে। তেওঁ এতিয়াৰপৰা তেওঁৰ মন্ত্রিবৰ্গৰ সৈতে আলোচনা-বিলোচনা কৰি কাম কৰি থাকিল, দেশৰ অৱস্থা জানিবলৈ কেৱল বিপুৰা মেলাৰপৰা বিৰত হৈ থাকিল, আৰু নিজক সদা-সৰ্বক্ষণ প্রজাবৰ্গৰ মংগলৰ কাৰণে নিয়োজিত কৰি দুশ্চিন্তাৰ মকৰাজালৰপৰা আঁতৰি থাকিল, আৰু এই দৰে আঁকো-গোজালি এৰি আপোন-নামা হোৱাৰপৰা আঁতৰি, আপোনাৰ সুতাৰে আপুনি বন্ধ হোৱাৰপৰা ৰক্ষা পৰিল।





ৰজাৰ মজা

স্নানাগাৰত পিছল খাই পৰি প্ৰবালদেশৰ ৰজাৰ ভৰি এখনে মোচোকা খালে। ৰাজবৈদ্যই বিশল্য পাতৰ ৰস উলিয়াই প্ৰলেপ লগাই মোচোকা খোৱা ঠাইডোখৰত পট্টি বান্ধি মহাৰাজক আনকি লৰ-চৰ নকৰিবলৈকো পৰামৰ্শ দিলে। নিৰুপায়ত পৰা মহাৰাজে মহামন্ত্ৰীক মতাই অনাই ৰাজকাৰ্য্য তথা দেশৰ শাসনকাৰ্য্যৰ দায়িত্ব তেওঁৰ ওপৰত জাপি দিলে।

একেৰাহে এপষলৈ দেশৰ শাসনকাৰ্য্য চলাই থকাৰ অন্তত মহামন্ত্ৰীয়ে এদিন ভাবিলেঃ মহাৰাজৰ আৰু মহামন্ত্ৰীৰ শাসনকাৰ্য্যৰ মাজত পাৰ্থক্যনো কি ? একোৱেই পাৰ্থক্য নাই দেখোন। মহাৰাজ নোহোৱাকৈয়েই শাসন ঠিকমতেই চলি আছে। মহামন্ত্ৰীয়ে আৰু ভাবি থাকিলঃ; ইমান দিন ধৰিও—দৰাচলতে ময়েই শাসনকাৰ্য্য চলাই আছিলোঁ। কিয়নো—মহাৰাজে মোৰ দিহা-পৰামৰ্শমতেহে শাসন চলাইছিল। তেওঁ নিজাকৈ কিবা কৰিছিলনে ? নামতহে ৰজা। ৰজা নহ'লেও প্ৰজাৰ কোনো অসুবিধা নাই, ৰাজ্য এখনৰো কোনো অসুবিধা নাই। ৰজাবিনে ৰাজ্য যে সুকলমেই চলিব পাৰে, তাৰ দেখ দেখ প্ৰমাণ মই মহামন্ত্ৰীয়ে দিছোঁ।

এদিন ৰাজধানীৰ উপকণ্ঠত থকা বনুৱাহঁতৰ প্ৰায় এশমান জুপুৰিত জুই লাগি পুৰি ছাই হ'ল, আৰু তাৰ ফলত কমেও এহেজাৰমান মানুহ-মুনিহ ল'ৰা-ছোৱালী নিৰাশ্ৰয় হৈ পৰিল। এই বাতৰি পায়েই প্ৰাজ্ঞ মহামন্ত্ৰী তালৈ ঢপলিয়াই গ'ল আৰু জুপুৰিবিলাক পুনৰ সাজি দিয়া হ'ব বুলি তৎক্ষণাৎ ঘোষণা কৰিলে, আৰু লগতে অস্থায়ী আশ্ৰয়-শিবিৰ পাতি সাতদিনৰ জোখাৰে চাউল-ডাইলৰো সুচাৰু বন্দৰস্ত কৰিলে।

কিন্তু — ইমানখিনি কৰি দিয়া সত্বেও

বনুৱাহঁত কিবা কাৰণত বেজাৰমুৱা হৈয়েই থাকিল। মহামন্ত্ৰীয়ে সিহঁতক সুধিলে, "কোৱাঁ, তোমালোকক আৰু কি লাগে।"

"আমাক লাগে — এটি বাৰলৈ আমাৰ মহাৰাজক দৰ্শন কৰাৰ অনুমতি আমাক লাগে। মহাৰাজক দৰ্শন কৰিব পৰা হ'লে আমি ধন্য মানিম। আমাৰ সকলোবিধৰ দুখ-কষ্ট আলৈ-আথানিত মহাৰাজৰ ওচৰলৈ আমি যাওঁ, বা মহাৰাজেই আমাৰ ওচৰলৈ আহে। এইবাৰো —তেওঁৰ দৰ্শন নাপাই — আমাৰ পেট ভৰিলেও মন ভৰা নাই।" বনুৱাহঁতে ক'লে।

বনুৱাহঁতৰ কথা শুনি মহামন্ত্ৰীয়ে অবাকেই মানিলে। ইমান কৰি-ধৰিও — সেই মহাৰাজকহে লাগিলনে ইহঁতৰ ? যি কি নহওক, মহামন্ত্ৰীৰ মুখে বনুৱাহঁতৰ বক্তব্য জানি— ৰাজবৈদ্যৰ নিৰ্দেশ নামানি— যোঁৰাবাগীত উঠি মহাৰাজ বনুৱাহঁতৰ ওচৰলৈ গ'ল। বনুৱাহঁতে হাত যুৰি মহাৰাজক চাৰিওফালৰেপৰাই আগুৰি ধৰা হ'ল। মহাৰাজে বনুৱাহঁতলৈ এবাৰ চাই ল'লে আৰু ক'লে, "তোমালোকৰ ঘৰ-দুৱাৰ নোহাৱা হোৱাৰ খবৰ মই পালোঁ।"

বনুৱাহঁতে মহাৰাজৰ অসুস্থতাৰ কথা সোধাৰ অন্তত নিজৰ অসুবিধাৰ কথা মহাৰাজৰ ওচৰত ক'লে। মহাৰাজে সিহঁতক আশ্বাস দিলে যে সিহঁতৰ ঘৰবোৰ অনতিপলমে পুনৰ্নিৰ্মাণ কৰি দিয়া হ'ব।

মহামন্ত্ৰীৰ অবাক হৈ পৰা দৃষ্টিৰ সমুখতে এইবোৰ হৈ থাকিল। মহাৰাজ গুচি যোৱাৰ পাছত তেৰোঁ তেওঁৰ ঘৰলৈ গ'ল, আৰু ঘৰ পাই চিন্তাৰ সাগৰত ডুব গ'ল। বহুতোপৰলৈকে এই অভিনৱ ঘটনাৰ কথা ভাবি ভাবি এটা কথা তেওঁ উপলব্ধি কৰিলে যে ঃ ৰাইজে তেওঁলোকৰ ৰজা সদায় সুস্থ হৈ থাকটোহে বিচাৰে। কিয়নো — প্ৰকৃতপক্ষে ৰজাহে ৰাইজৰ আনোন, মহামন্ত্ৰী-মন্ত্ৰী-সেনাপতি আদি—যিমানেই যি নহওক—ৰজাৰ কৰ্মচাৰী—ৰজাৰ আজ্ঞা পালনকাৰী মাথোন। ৰাইজে মনে-চিতে বিশ্বাস কৰে যে—একমাত্ৰ ৰজাইহে ৰাইজৰ হৈ চিন্তিব পাৰে, আন কোনেও নোৱাৰে। আৰু—এই কাৰণেই ৰাইজ অৰু ৰজা প্ৰায় সমাৰ্থক।

এই সুগভীৰ সত্য উপলব্ধি কৰাৰ অন্তত মহামন্ত্ৰীৰ অহংকাৰ নোহোৱা হ'ল।



সম্ৰাট অশোক

[আগৰ কথা: পিতৃদেৱ বিন্দুসাৰৰ নিৰ্দেশ মতে অশোক অৱন্তীৰ ৰাজধানী উজ্জয়িনীলৈ বুলি ওলাল। গৈ গৈ গধূলিৰ আগে আগে যুৱৰাজ-অশোকে এঠাইত ৰাতিছোৱা খপিবলৈ তম্বু তৰিবলৈ আদেশ দিলে। পাছ দিনা ধলপুৱা ডাঠ কুঁৱলীৰ মাজেদি যুৱৰাজ অশোক টহলি ফুৰি আছিল। হঠাৎ এক নাৰীকণ্ঠৰ সতৰ্ক-বাণী শুনি যুৱৰাজ অশোকে বৈ দিলে আৰু অনতিদূৰতে এগৰাকী অপূৰ্ব সুন্দৰী যুৱতীক থিয় হৈ থকা দেখা পালে। এই যুৱতীয়েই বিৰাট গভীৰ গহ্বৰত পৰি নিশ্চিত মৃত্যুৰ গৰাহৰপৰা যুৱৰাজ অশোকক ৰখাই ৰক্ষা কৰিছিল আৰু তাৰ পাছতো—এই যুৱতীৰ সাৱধানতাৰ ফলত দুজনী নৰ্তকীয়ে হত্যা কৰাৰপৰাও যুৱৰাজ ৰক্ষা পৰিছিল। এই যুৱতী আছিল শাক্যনায়কৰ পুত্ৰী বিদিশা। আৰু তাৰ পাছত....]

৮

নৰ্তকী দুজনীক বিদিশাৰ ভায়েক যশে কৈ থাকিল, "তোমালোকে যুৱৰাজক হত্যা কৰিবলৈহে ইয়ালৈ আহিছিলা যে — সেই কথাত আমাৰ সন্দেহৰ লেশমানো নাই। আৰু সেইহে—তোমালোকৰ দন্ড সুনিশ্চয়। যদি সঁচা কথাখিনি সমূলঞ্চে নোকোৱা, তোমালোকৰ একমাত্ৰ দন্ড হ'ব—মৃত্যুদন্ড।"

এজনী নৰ্তকীয়ে কৈ উঠিল, "দয়া কৰক, আমালৈ দয়া কৰক, আমাক মৃত্যুদন্ড নিদিয়ক —। আৰু — আমাক মাৰি পেলালে আপোনালোকৰ একো লাভ নহ'ব। আমাক মাৰিলে প্ৰকৃত সত্য — এই ষড়যন্ত্ৰৰ প্ৰকৃত সত্য—কোনো-কাহানিও জানিব নোৱাৰিব। বৰঞ্চ—আমাক প্ৰাণভিক্ষা দিলেহে কেতিয়াবা সত্যৰ স্বৰূপ জানিব।"

"প্ৰথমে কোৱাঁ—সঁচা কথাখিনি। তাৰ পাছত—তোমালোকৰ বাঁচন-মৰণ যুৱৰাজৰ হাতত।" যশে নাচনিয়াৰজনীক ক'লে।



নাচনিয়াৰজনীয়ে ক্ষণমাত্ৰ থমকি থাকি ক'বলৈ ধৰিলে, "আমি পাটালিপুত্তৰেপৰাই যুৱৰাজ অশোকৰ পিছ লৈছিলোঁ। আমি যে যুৱৰাজ অশোকক হত্যা কৰিবলৈ পিছ লৈছিলোঁ, সেই কথা সঁচা। এই মতামানুহ দুজনো আমাৰ লগৰে। আমাক যিজনে এই ভয়ংকৰ কামলৈ পঠাইছিল, সেই ষড়যন্ত্ৰী মানুহজনহে যুৱৰাজ অশোকৰ শতুৰু, আমি তেওঁৰ শতুৰু নহওঁ।"

"তোমালোকক কোনে এই কাম কৰিবলৈ পঠাইছিল কোৱাচোন — ?"

যশৰ এই প্ৰশ্নৰ উত্তৰত নাচনিয়াৰজনীয়ে ক'লে, "প্ৰথমতে—আমাৰ প্ৰাণ-ভিক্ষাৰ প্ৰতিশ্ৰুতি দিয়ক।"

"চৰ্ত নাবান্ধিবা, সত্য ক'বা, নহ'লে মৃত্যুৰ সোৱাদ পাবা।" যশে কঠোৰ কণ্ঠেৰে ক'লে।

"মহাশয়, যুৱৰাজ অশোকক—আন এগৰাকী যুৱৰাজেই হত্যাৰ ষড়যন্ত্ৰ ৰচি, আমাক অভাৱিত পৰিমাণে ধন দি ইয়ালৈ পঠাইছিল।" ক্ষন্তেকমান ৰৈ তাই পুনৰ ক'লে, "সেই ষড়যন্ত্ৰী যুৱৰাজ আন কোনো নহয়—স্বয়ং মহাৰাজ বিন্দুসাৰৰ জ্যেষ্ঠপুত্তৰ যুৱৰাজ সুশেম।"

ইমানপৰে নিমাতে থকা অশোকে এইবাৰ সেই নৰ্তকীজনীক সুধিলে, "এই কথা — সম্পূৰ্ণ সত্য হয়নে ?"

"সম্পূৰ্ণ সত্য, যুৱৰাজ !" নৰ্তকীজনী মুহূৰ্তমানৰ বাবে ৰ'ল, আৰু তাৰ পাছত পুনৰ কৈ উঠিল, "মোৰ কথা যদি মিছা বুলি প্ৰমাণিত হয়, মই নিশ্চয় মৃত্যুদণ্ড গ্ৰহণ কৰিম।"

যুৱৰাজ অশোকে তিনিবাৰ হাত চাপৰিলে, আৰু লগে লগে তিনিজন ভীম-দৰ্শন ৰাজৰক্ষী অশোকৰ সমুখলৈ আহিল আৰু ৰাজোচিত অভিবাদন কৰি থিয় হ'ল। যুৱৰাজ অশোকে নৰ্তকী দুজনীলৈ আঙুলিয়াই সিহঁতক ক'লে, "এওঁলোকক — এওঁলোকৰ গন্তব্যস্থললৈ লৈ যোৱা।"

নৰ্তকী দুজনীয়ে প্ৰায় একেলগেই কৈ উঠিল, "প্ৰভু, আমাক ক'লৈ লৈ যোৱা হ'ব ?"

"তোমালোকে মোক য'লৈকে পঠাবা বুলি আশা কৰিছিলা—ত'লৈ।" যুৱৰাজ অশোকে নৰ্তকী দুজনীক ক'লে।

"নহয়, প্ৰভু, নহয়—আমাক তালৈ নপঠাওক। আমাক মাৰি নেপেলাওক — !"

এই বুলি কৈ কৈ সিহঁতে বিলাপ কৰি থাকিল।

"নাকান্দিবা, অভাগিনীহঁত, নাকান্দিবা। শাক্যমুনি গৌতম বুদ্ধলৈ প্ৰাৰ্থনা জনোৱা। তেওঁ ৰাখিলে মাৰে কোনে ? বুদ্ধৰ কৰুণাৰে যুৱৰাজো ৰক্ষা পৰিল, যদি তেওঁৰ কৰুণা হয় —তোমালোকও ৰক্ষা পৰিবা।" এই সুমধুৰ কন্ঠস্বৰ শুনি সকলোটিয়ে একেলগেই পিছফাললৈ ঘূৰি চালে।

তাত তেতিয়া কৰুণাৰ প্ৰতিমূৰ্তি যেন বিদিশা থিয় হৈ আছিল। যশে বিদিশালে চাই ক'লে "কিয়নো তুমি ইহঁতৰ মনত অনাৱশ্যক আশাৰ আন্দোল-দোল্যৰ সৃষ্টি কৰিছা ?"

"মই সিহঁতৰ মনত আশাৰ আন্দোল-দোলৰ সৃষ্টি নাই কৰা, তুমিহে কৰিছা। সত্য কথা ক'লে সিহঁতক প্ৰাণভিক্ষা দিয়াৰ প্ৰচ্ছন্ন আশা—তুমিয়েই দিয়া নাইনে ? নিজৰ মুখৰ কথা ইমান সোনকালে পাহৰিলাইনে ?" বিদিশাই তেওঁৰ ভায়েকক ক'লে।

"জ্ঞান-বুদ্ধি একেবাৰে নথকা নহয়— তোমাৰ, তেনেস্থলত কিয়নো এনেবোৰ বেবেৰিবাৰং বকিছা ? আৰু — ইহঁতক প্ৰাণভিক্ষা দিয়াৰ মইহেনে হক্‌দাৰ ?" যশে কটুতাৰে ক'লে।

"সত্য কোৱাঁ, নহ'লে মাৰি পেলোৱা হ'ব—বুলি তুমিয়েই কোৱা নাছিলা জানো ? এতিয়া কথা সলালেই হ'বনে ?" বিদিশাই প্ৰশ্ন কৰিলে।

"অদ্ভুত—আচৰিত !"

এই বুলি কৈ, অশোকে যশক ক'লে, "মিত্ৰ, তুমি অতি ভাগ্যৱান যে—এনেহেন কুশাগ্ৰ বুদ্ধিৰ অধিকাৰিণী ভগ্নী লাভ কৰিছা।"

যুৱৰাজ অশোকৰ কথা শুনি যশ অবাক হৈ পৰিল। ষড়যন্ত্ৰী নৰ্তকীহঁতৰ প্ৰাণৰক্ষাৰ সমৰ্থন কৰা বিদিশাক যে স্বয়ং যুৱৰাজেই শলাগিব পাৰে যশৰ কল্পনায়ো সেই বিস্ময়ৰো বিস্ময়জনক কথা ঢুকি পোৱা নাছিল।

যশে নিজৰ অপাৰ বিস্ময় চম্ভালি লৈ যুৱৰাজ অশোকক সুধিলে, "যুৱৰাজ, এই ষড়যন্ত্ৰী-নৰ্তকী দুজনীক মুক্তি দিয়াটোৱেই আপোনাৰ অভিপ্ৰায়নে ?"

"এই বিষয়ে বিদিশাই যি ক'ব—মই মানি ল'ম। কিন্তু—কিন্তু এটা চৰ্ত আছে।" মিচিক-মাচাককৈ হাঁহি হাঁহি যুৱৰাজ অশোকে ক'লে।

"কি সেই চৰ্ত — জানিব পাৰোঁনে মই ?" বিদিশায়েই যুৱৰাজক সুধিলে।

“সেই চৰ্তৰ কথা মই পাছত যশক ক'ম।” অশোকে ক'লে। বিদিশাই কি ভাবিলে-কি গমিলে কোনেও ঠাৱৰ কৰিব নোৱাৰিলে; কিন্তু বিদিশা তৎক্ষণাৎ তলমূৰ হৈ তাৰপৰা গুচি যাবলৈ খোজ ল'লে।

অশোকে নৰ্তকী দুজনীক আৰু সিহঁতৰ লগৰ মতা মানুহটোকো তাৰপৰা আঁতৰাই লৈ যাবলৈ আদেশ দিলে।

যুৱৰাজ অশোকে তেওঁলোকৰ সামান্যা পুত্ৰীক বিবাহ কৰাব—এই কথা শুনি বিদিশাৰ মাতৃ-পিতৃ হতবাকেই হ'ল। আনন্দৰ আকণ্ঠ আবেগত তেওঁলোকৰ কণ্ঠৰপৰা মাতেই নোলোৱা হ'ল।

যশে ক'লে, “যুৱৰাজ অশোক হ'ল অতি উচ্চবংশজাত। সকলো ৰাজকোঁৱৰৰ দৰেই তেৰোঁ মহত্বাকাংক্ষী আৰু অধিকাৰ-আকাংক্ষী। কিন্তু যি বুজিলোঁ যুৱৰাজ অশোক বিনম্ৰ স্বভাৱৰ কোমল হৃদয়ৰ যুৱৰাজ। তেওঁ অৱন্তীৰ ৰাজ-প্ৰতিনিধি হোৱাৰ অৰ্থ হ'ল—আগলৈ তেৱেঁই হ'ব মৌৰ্য্য সাম্ৰাজ্যৰ মহান সম্ৰাট, আৰু যদি তেওঁ প্ৰকৃততেই বাইদেউক বিবাহ কৰায়-বাইদেউ হ'ব ৰাণী-সম্ৰাজ্ঞী। কিমান যে আনন্দৰ কথা!”

তেতিয়াই তালৈ আহি পোৱা বিদিশাই ক'লে, “মোৰ বিষয়ে আজিপধ্যে তুমি ইমানেই জানিলানে? ৰাণী মানেই—মোৰ কাৰণে আনন্দৰ খনি বুলি ভাবানে?”

যশে বিদিশাৰ কথাৰ কোনো উত্তৰ নিদিয়াকৈ মনে মনে থাকিল। ক্ষন্তেকৰ অন্তত যশে ক'লে, “ওঁ, বাইদেউ, তুমি যদি হোৱাঁ

ৰাণী, কিয়নো নহ'ব আনন্দৰ খনি? এই কথাতনো কি কেনা লাগিল? কোৱাচোন, যুৱৰাজৰ প্ৰস্তাৱ—তুমি দলিয়াই পেলাবানে? মই তোমাৰ মনোভাৱৰ কোনো তলা-নলা পোৱা নাই।”

বিদিশাৰ মাতৃয়ে যশক ক'লে, “বোপা, যুৱৰাজ অশোকে তাইক সঁচাসঁচিকৈ বিবাহ কৰাব বুলি—ভাবিবই পৰা নাছিলোঁ। এতিয়া মোৰ ধাৰণা হৈছে যে মাজনী কোনো সাধাৰণ ছোৱালী নহয়। মোৰ আৰু ধাৰণা হৈছে যে—এই ঘটনা সমূহৰ আঁৰত কিবাধৰণৰ দৈৱ সংযোগ বিদ্যমান। নহ'লে — যুৱৰাজ অশোকক গভীৰ গহ্বৰত পৰাৰপৰা ৰক্ষা কৰিবলৈ কিয়নো সেই ধলপুৱাতে আমাৰ মাজনী তালৈ যাব? অশোকৰ হত্যাকাৰী-

আকাশলৈ চাই একাণপতীয়া হৈ কৈ থাকিল ঃ

"হে তথাগত বুদ্ধ ! এয়ানো কি পৰীক্ষা ? মোৰ চঞ্চল চিত্তক অচঞ্চল কৰি মোক সঠিক পথ-প্ৰদৰ্শন কৰাঁ, হে প্ৰভু ! মোৰ অন্তৰৰ বাসনা, মই ভিক্ষুণী হ'ম, আৰু তোমাৰ প্ৰদৰ্শিত পথেৰে জীৱনৰ পথলৈ খোজ লৈ এদিন নিৰ্বাণ লাভ কৰিম। ঐহিক সুখ মোক নালাগে। কিন্তু মই এক অসমঞ্জস পৰিস্থিতিত বান্ধ খাই পৰা যেন পাইছোঁ । মোক এই দোদুল্যমান পৰিস্থিতিৰপৰা উদ্ধাৰা, হে প্ৰভু মোৰ !"

তাৰ পাছত বিদিশা যশৰ কাষ চাপিল আৰু তাক ক'লে, "কি যে উচিত আৰু কি যে অনুচিত—মই ভাবি উলিয়াব পৰা নাই। যদি সত্য ক'ব লাগে, আনকি মাতৃশ্ৰী-পিতাশ্ৰীৰ ওপৰতো এই বিষয়ে নিৰ্ভৰ কৰিব পৰা নাই। যিকোনো পিতা-মাতায়েই তেওঁলোকৰ পুত্ৰী যোগ্য পাত্ৰতে পাত্ৰস্থ হোৱাটোকে বিচাৰে। তেওঁলোকৰ মনৰ বাসনা পূৰ হ'লে তেওঁলোকে স্বৰ্গসুখ অনুভৱ কৰে, তেওঁলোকৰ মহান কৰ্তব্য সমাপিত হ'ল বুলি ভাবে, আৰু ঈশ্বৰলৈ ধন্যবাদ নিবেদে। কিন্তু মোৰ ক্ষেত্ৰত—মোৰ ধাৰণা হৈছে যে—আমাৰ গুৰু উপগুপ্তদেৱেহে মোক সঠিক পথ প্ৰদৰ্শন কৰিব পাৰিব।"

যশে ক'লে, "ঠিক হ্যায়, ব'লা তেওঁৰ ওচৰলৈ।" মাতৃ-পিতৃয়েও পুত্ৰীৰ এই ইচ্ছালৈ স্বীকৃতি জনালে।

গুৰুদেৱ উপগুপ্তৰ ওচৰলৈ ৰাওনা হোৱাৰ আগে আগে জনা গ'ল যে — পাছদিনাই তেওঁ — অৰ্থাৎ স্বয়ং উপগুপ্ত এই

ষড়যন্ত্ৰীহঁতক কিয়-তোমালোকেই দেখা পাবা ? — এই সকলো কথাৰ আঁৰত কিবা নহয় কিবা অদৃশ্য-অলৌকিক শক্তিৰ হস্ত থকা বুলি মোৰ বিশ্বাস।"

ইমান পৰে নিমাতে থকা বিদিশাৰ পিতাদেউ শাক্যনায়কে ক'লে, "বিদিশাৰ জীৱন যুৱৰাজ অশোকৰ জীৱনৰ সৈতে অচ্ছেদ্য বন্ধনেৰে আৱদ্ধ বুলি মোৰ ধাৰণা হৈছে। নহ'লে এনিশা এদিনতে দুইবাৰ—কেনেকৈনো বিদিশায়েই যুৱৰাজ অশোকক ৰক্ষা কৰিব পাৰিলে ? এই ঘটনা সাধাৰণ ঘটনানে ? এয়া নিশ্চয়েই দৈৱ-নিৰ্ণয়।"

মাতৃ-পিতৃৰ কথাত বিদিশাৰ অন্তৰ যেনিবা আবেগ-বিদীৰ্ণ হৈ থাকিল। বিদিশা ঘৰৰপৰা ওলাই বাহিৰলৈ আহিল, আৰু হাত যুৰি

ঠাইৰ বৌদ্ধবিহাৰৰ কিবা কাৰ্য্যোপলক্ষে বিদিশালৈ আহিব। এতেকে—এইবাৰলৈ বিদিশাৰ যাত্ৰা স্থগিত হ'ল।

যশে যুৱৰাজ অশোকক বিদিশাৰ অভিপ্ৰায়ৰ কথা ক'লে। অশোকে বিদিশাৰ চূড়ান্ত মতামতলৈ অপেক্ষা কৰিব বুলি যশক কথা দিলে।

দ্বিতীয় দিনা—প্ৰাতঃকালতে মাতৃ-পিতৃক আৰু ভায়েক যশকো লগত লৈ বিদিশা গুৰু উপগুপ্তৰ কাৰ্য চাপিল। মাতৃ-পিতৃ আৰু ভাতৃও বিহাৰৰ বাহিৰতে বৈ থাকিল, গুৰু উপগুপ্তৰ সৈতে সাক্ষাতৰ বাবে কেৱল বিদিশায়েই বিহাৰৰ ভিতৰলৈ গ'ল।

কিছু আঁতৰত এজোপা গছৰ তলত যুৱৰাজ অশোক থিয় হৈ আছিল। অশোকক তাত থিয় হৈ থকা দেখা পাই বিদিশাই ভায়েক যশক ক'লে, "যিজন ওচৰ চপাৰ বাবে ৰৈ আছে, তেওঁনো আঁতিৰ থাকিব লাগে কিয় ?"

এই কথায়েই যশৰ পক্ষে, আৰু আন সকলোটিৰ পক্ষেও যথেষ্ট আছিল। যশে দৌৰি গৈ অশোকক বিদিশাৰ ওচৰলৈ লৈ আহিল।

"যুৱৰাজ, আমাৰ গুৰুদেৱে আপোনাৰ সেই প্ৰস্তাৱলৈ স্বীকৃতি জ্ঞাপন কৰিবলৈ মোক উপদেশ প্ৰদান কৰিলে। কিন্তু মোৰ এটি নম্ৰ নিবেদন, বুদ্ধং শৰণং গচ্ছামিৰ পথেৰে মোক ল'বলৈ সহযোগ কৰিব এই আশা প্ৰকাশ কৰিছোঁ।" বিদিশাই প্ৰশান্ত কণ্ঠেৰে ক'লে।

"বিদিশাৰ আশা বিফল নহওক —।" যুৱৰাজ অশোকে আনন্দ-নিজৰা বোৱাই বিদিশাক ক'লে।

"মই আপোনালৈ ওলগ জনাইছোঁ। সকলো ঘটনাৰ কথা শুনি আমাৰ গুৰুদেৱৰ বিশ্বাস হৈছে যে—আপোনাৰ সৈতে মোৰ এই বন্ধন —তথাগত বুদ্ধ-নিৰন্ধন।"

এই বুলি কোৱাৰ অন্তত বিদিশাই তাইৰ কোৱাৰ অন্তত বিদিশাই তাইৰ মাতৃ-পিতৃক সষ্টাংগে প্ৰণাম কৰি তেওঁলোকৰ চৰণ-ধূলা মস্তকত ল'লে।

বিদিশাক বিবাহ কৰাৰ অনুমতি বিচাৰি যুৱৰাজ অশোকে আৰু লগতে শাক্যনয়কেও কটকী এজনৰ যোগেদি মহাৰাজ বিন্দুসাৰলৈ যথোচিত পত্ৰ প্ৰেৰণ কৰিলে। কিন্তু এই পত্ৰ মহাৰাজ বিন্দুসাৰৰ হাতত নপৰিল। সুশেমৰ বন্ধু এজনে এইজন কটকীক বাটত ৰখাই সেই পত্ৰখন প্ৰচুৰ ধনৰ বিনিময়ত কিনি লৈ জুইৰে

পুৰি পেলালে আৰু মহাৰাজ বিন্দুসাৰৰ হৈ অশোকলৈ এখন পত্ৰ লিখি পঠালে—যিখন পত্ৰত অশোকৰ আৰু শাক্যনায়কৰ পত্ৰৰ প্ৰাপ্তি -স্বীকাৰ আছিল, আৰু আছিল এই বাঞ্ছিত বিবাহলৈ তেওঁৰ আন্তৰিক স্বীকৃতিৰ কথা।

আন এজন কটকীৰ যোগেদি এই জাল পত্ৰখন যুৱৰাজ অশোকৰ ওচৰলৈ পঠোৱা হ'ল। আৰু অৱন্তীৰ ৰাজ-প্ৰতিনিধি পদ প্ৰাপ্ত হোৱাৰ পাছত অশোক বিদিশাক বিবাহ কৰালে।

এদিন সুশেমে মহাৰাজ বিন্দুসাৰক ক'লে, "অশোকে — কোনোবা এক শাক্যনায়কৰ ছোৱালী এজনীক বিয়া কৰালে বুলি — ৰিপুৱাৰ মুখে শুনিলোঁ।"

"কি !" অতিপাত আচৰিত হৈ পৰা মহাৰাজ বিন্দুসাৰে উৎকণ্ঠিত মনেৰে ভাবিলেঃ পিতৃকো নোকোৱা-নেমেলাকৈ পুত্ৰই বিভা কৰালে ! অশোক — তেন্তে বাস্তৱিকেই এক দাসীপুত্ৰ নহৈনো কি ?

পিতাকৰ মুখত চিন্তা আৰু ক্ৰোধৰ আভাসলৈ চাই সুশেমৰ মন-প্ৰাণত নধৰ-নপৰ লাগি গ'ল। আৰু ঠিক তেতিয়াই তক্ষশিলাত পুনৰ বিদ্ৰোহাগ্নি জ্বলি উঠিল। মহাৰাজ বিন্দুসাৰে প্ৰমাদ গণিলে। তেওঁ এইবাৰ বাধ্যত পৰি সুশেমক মতাই অনাই ক'লে, "অশোকক উজ্জয়িনৰপৰা মতাই অনাই তক্ষশিলালৈ পঠোৱাৰ ইচ্ছা মোৰ নাই। তুমি, বা তোমাৰ ভাতৃহঁতৰ মাজত যোগ্যৱান কোনোবা এজন সসৈন্যে তক্ষশিলালৈ বুলি ওলোৱা, আৰু এই অন্যায় ৰাজদ্ৰোহ এহি মুহূৰ্ততেই দমন কৰাগৈ।"

সুশেমে এই ছেগতে, মহাৰাজ বিন্দুসাৰৰ মনৰ বিৰক্তি, উত্তেজনাৰ ছেগতে—ভূঁইকঁপত মূলা তুলিবলৈ মন কৰি ক'লে, "তেতিয়াই অশোকে বিদ্ৰোহক পুলিয়ে-পোখাই উভালিব পৰাহেঁতেন—আজি আকৌ নতুনকৈ আপুনি দুঃচিন্তাৰ সাগৰত পৰিবলগা নহ'লহেঁতেন।"

"এইবোৰ যে গ্ৰিকহঁতৰ ক'লা হাতৰ কান্ড—সেই কথাত মোৰ সন্দেহ নাই। সিহঁতৰ টান মুঠিৰপৰা মৌৰ্য্যসৰে যে ভাৰতভূমিক মুক্ত কৰিলে—সেই কথা সিহঁতে পাহৰিব পৰা নাই। তথাপি — এই ৰাজদ্ৰোহ দেখ দেখকৈ গ্ৰিকহঁতে কৰা নাই, আমাৰ প্ৰজায়েই কৰিছে। সিহঁতক যেনেতেনে দমন কৰিব লাগে।"

মহত্ত্ব কিহত নিহিত

অদম্য ধৈৰ্য্যশীল অসহন সহনশীল প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্যই পুনৰ সেই গছৰ ডালত লটংপটংকৈ ওলমি থকা মৃতদেহটো নমাই আনি আউঁসীৰ এন্ধাৰ ফালি ফালি মৰিশালিলৈ বুলি গৈ থাকোঁতে মৃতদেহস্থ বেতালে লৰিচৰি কৈ উঠিল, “হে ৰজা, কথা এটি কৈ থওঁ, জানি থোৱাঁ, কেৱল তুমিয়েই জগতত একমাত্ৰ ধৈৰ্য্যশীল—হেন কথা কদাপি নাভাবিবা। এদিন-নহয়-এদিন তুমি নিশ্চয়েই এই অৰ্থহীন অবান্তৰ আঁকো-গোজালি এৰিবা; কিন্তু সেই দিনা মই তোমাক এৰিবলৈ নিদিওঁ। ক্ষমতা অৰ্জাত কোনো মহত্ত্ব নাই, সৰ্ব মহত্ত্ব সেৱাধৰ্মত নিহিত — এই কথা জানিবলৈ এতিয়াও তোমাৰ জ্ঞান হোৱা নাই দেখি মই আচৰিতেই মানিছোঁ। এইবোৰ বিষয়ত তোমাক সতৰ্ক কৰিবলৈ আজি মই কবি কলানাথৰ কাহিনী ক'ম, ধৈৰ্য্য ধৰি শুনা।” এই বুলি কৈ, বেতালে পুনৰ ৰজা বিক্ৰমাদিত্যক কৈ থাকিল ঃ

বেতাল-কথা

বহু বহু কালৰ আগৰ কথা। সিংহপুৰী ৰাজ্যৰ ৰাজসভাত ব্যাঘ্ৰেশ্বৰ নামৰ এগৰাকী প্ৰখ্যাত কবি আছিল। ব্যাঘ্ৰেশ্বৰ কবি কেৱল কবিয়েই নাছিল, সমস্ত শাস্ত্ৰতো আছিল সুপণ্ডিত। অষ্টাদশ পুৰাণ, বেদ-উপনিষদ আদিৰ সাৰকথা তেওঁৰ ওষ্ঠাগ্ৰতে বিৰাজিত আছিল। আৰু— এই পাণ্ডিত্যৰ কাৰণেই তেওঁৰ ৰচিত কাব্য আছিল অৰ্থপূৰ্ণতা, ভাৱপূৰ্ণতা, ৰসপূৰ্ণতাৰ সমাহাৰ।

সিংহপুৰীৰ মহাৰাজে ৰাজ-কবি ব্যাঘ্ৰেশ্বৰক কেৱল কবি হিচাপেই নহয়, আনকি কেতিয়াবা ৰাজ-প্ৰতিনিধি হিচাপেও দেশৰ চুকে-কোণে প্ৰেৰণ কৰিছিল — প্ৰজাবৰ্গৰ সঠিক অৱস্থাৰ কথা, তথা দুখ-ক্লেশৰ কথা জানিবলৈ। কবিৰাজ ব্যাঘ্ৰেশ্বৰে প্ৰজা-ৰাইজৰ ঘৰে ঘৰে ঘূৰি ঘূৰি অপাৰ পৰিশ্ৰম কৰি ৰাইজৰ অভাৱ-অভিযোগ জ্ঞাত হৈছিল, আৰু ৰাজধানীলৈ উভতি আহি ৰজাৰ কৰ্ণগোচৰ কৰিছিল।

মহাৰাজে কবিৰাজ ব্যাঘ্ৰেশ্বৰৰ প্ৰতিটি কথা মানিছিল, প্ৰতিটি চুপাৰিছ বিনা প্ৰশ্নে গ্ৰাহ্য কৰিছিল, আৰু তাৰ ফলত ব্যাঘ্ৰেশ্বৰ কবিৰাজে অভাৱিত লোকপ্ৰিয়তা লাভ কৰিছিল। চাওঁতে চাওঁতে কবিৰাজ ব্যাঘ্ৰেশ্বৰৰ খ্যাতি ইমানেই অধিক হ'ল যে — ৰাজ-দৰ্শন লাভ কৰাতকৈয়ো ব্যাঘ্ৰেশ্বৰ কবিৰাজৰ দৰ্শনলাভ ৰাইজৰ পক্ষে টান হৈ উঠিল।

এইখন দেশতে ৰামপুৰ নামৰ এখন গাঁৱত কলানাথ নামৰ এজন যুৱা আছিল—সাহিত্য-শিল্পত অতি উৎসাহী। কলানাথে তেওঁৰ চেমেনীয়া বয়সৰেপৰাই কাব্য-সাহিত্য অধ্যয়ন কৰিছিল আৰু খ্যাত-অখ্যাত কবিসকলৰ কবিতা ৰাইজৰ আগত পাঠ কৰি শুনাইছিল। কবিতা পাঠ কৰোঁতে কেতিয়াবা — মুখে মুখে ৰচা কবিতাও ৰাইজক শুনাইছিল, আৰু ৰাইজে আনৰ কবিতাতকৈ কলানাথে মুখে মুখে ৰচা কবিতাৰহে অধিককৈ শলাগ লৈছিল।

এবাৰ এগৰাকী মহাকবি ৰামপুৰলৈ আহিছিল, আৰু তেওঁ কলানাথৰ কবিতা শুনি আশীৰ্বাদ কৰি কলানাথক কৈছিল, "বোপা, তুমি হ'লা স্বভাৱ-কবি। ভালকৈ সাধনা কৰাঁ, কোনোবাদিনা ভুৱনখ্যাত হ'বা।"

তেতিয়াৰপৰা কবিতালৈ কলানাথৰ ধাউতি আৰু বাঢ়িল। তাৰ ফলত, কলানাথে একে-একে তিনিখন কবিতাপুথি ৰচিলে আৰু

সেই কবিতাখিনি বিভিন্ন পণ্ডিতজনৰ ওচৰলৈ তেওঁলোকৰ মন্তব্য বিচাৰি পঠালে। প্ৰায় প্ৰতিগৰাকী পণ্ডিত ব্যক্তিয়েই কলানাথৰ কবিতাৰ ভৰপূৰ প্ৰশংসা কৰিলে। কেইগৰাকীমানে ইয়াকো ক'লে, "এই কবি— যেনিবা স্বয়ং সৰস্বতীৰ বৰপুত্ৰ। কবিতাখিনি এবাৰ ব্যাঘ্ৰেশ্বৰ কবিৰাজৰ ওচৰলৈ গ'লেহে ভাল। তেওঁক তোমাৰ কবিতা শুনোৱাগৈ, তোমাৰ মান্যতা হ'ব।"

এওঁলোকৰ কথা মতে কলানাথ সিংহপুৰীলৈ কবিৰাজ ব্যাঘ্ৰেশ্বৰৰ ঘৰলৈ গ'ল। কবিৰাজ ব্যাঘ্ৰেশ্বৰৰ ঘৰৰ দুৱাৰ-ৰখীয়াই কলানাথক ক'লে, "তেওঁৰ ওচৰত তোমাৰ কাম কি — কোৱাঁ, মই তেওঁক ক'মগৈ। তাৰ পাছত — তেওঁৰ দৰ্শন লাভ—তোমাৰ ভাগ্যৰ কথা।"

কলানাথে তেওঁৰ কবিতা লিখা খনদিয়েক তালপাত দুৱাৰ-ৰাখীয়াৰ হাতত দিলে আৰু ক'লে যে—এইবোৰ কবিতাৰ বিষয়ে তেওঁৰ মন্তব্য মোক লাগে।

দুৱাৰ-ৰখীয়াই কলানাথৰ ভৰিৰপৰা মূৰলৈ চালে আৰু ক'লে, "বছ—? ইমানেই লাগেনে তোমাক? যদি আন কিবা সহায়-তহায় লাগে — কোৱাঁ, তেওঁ সিবোৰবো সুবিধা কৰি দিব।"

কলানাথে ক'লে যে আন একোৰেই নালাগে, কেৱল কবিতাখিনিৰ বিষয়ে তেওঁৰ মন্তব্য পালেই হ'ব।

দুৱাৰৰখীয়াই কবিৰাজ ব্যাঘ্ৰেশ্বৰক কলানাথৰ তালপাতখিনি দিলে আৰু কলানাথৰ

বিষয়ে যিমানখিনি জানিলে তাকো ক'লে। ভালেমান দৰ্শনাৰ্থীৰ সৈতে কথা পাতি থকা ব্যাঘ্ৰেশ্বৰ কবিৰাজে সেই তালপতীয়া কবিতাখিনি তেওঁৰ শিষ্য এজনৰ হাতত দিলে আৰু শিষ্যজনক ক'লে, "তুমি ভালকৈ পঢ়ি এখিলা পাতত মন্তব্য লিখি দিয়া, মই সেই মন্তব্যত চহী কৰি দিম।"

শিষ্যজনে কলানাথৰ কবিতাখিনি মন দি পঢ়িলে আৰু ক'লে, "গুৰুদেৱ, এই কাব্যধাৰা অসাধাৰণ যেন লাগিছে। কবিজনক—ইয়ালৈ আহিবলৈ কৈ পঠাওঁনে?"

"বোপা, এতিয়া ইয়াত এওঁলোক আছে, গতিকে—নামাতিবা। আৰু—এই কবিয়ে কেৱল মোৰ মন্তব্য হে বিচাৰিছে। গতিকে— মই হস্তাক্ষৰ কৰি দিছোঁ, পঠাই দিয়া।"

ব্যাঘ্রেশ্বৰে তেওঁৰ শিষ্যজনক ক'লে।

কিছু দিনৰ অন্তত মহাৰাজৰ অনুৰোধত কবিৰাজ ব্যাঘ্রেশ্বৰ পুনৰ এবাৰ দেশ-ভ্রমণ তথা দেশৰ ৰাইজৰ আ-অৱস্থা চাৱন-চিন্তনলৈ ওলাল। গৈ গৈ—এদিন কবিৰাজ ব্যাঘ্রেশ্বৰে ৰামপুৰ পালেগৈ। তেওঁ হাতীৰ পিঠিত উঠি ৰামপুৰলৈ আহিছিল। তেওঁৰ লগ লাগি তেওঁৰ লগৰীয়াও আহিছিল ভালেমান। গাঁৱৰ ৰাইজে তেওঁলোকৰ সাধ্যানুসৰি কবিৰাজ ব্যাঘ্রেশ্বৰলৈ আৰু তেওঁৰ লগৰীয়া সকললৈকো আদৰ-অভ্যৰ্থনা জ্ঞাপন কৰিলে, অতিথি-সৎকাৰ কৰিলে।

ব্যাঘ্রেশ্বৰ কবিৰাজ ৰামপুৰত দুই দিন থাকিল। ৰামপুৰৰ গাঁওবুঢ়াই ব্যাঘ্রেশ্বৰক ক'লে, "ডাঙৰীয়া, ৰাইজৰ সমস্যা কি, আপুনি জানিলে। আমাক আৰ্থিক সহায়তা লাগে। আৰু আমি জানো যে—আপুনি আমাৰ হৈ কয় যদি—মহাৰাজে নহয় বুলি কেতিয়াও নক'ব।"

"ওঁ, ঠিক — ঠিকেই। মহাৰাজে মোৰ কথা মানি ল'ব। মোৰদ্বাৰা যিমানখিনি হোৱা সম্ভৱ — নিশ্চয় কৰিম। পিছে — মই আপোনালোকৰ গাঁওখন ভালকৈ ঘূৰি-ফুৰি চাম — তাৰ বন্দৱস্ত কৰক।" কবিৰাজ ব্যাঘ্রেশ্বৰে গাঁওবুঢ়াক ক'লে।

পাছদিনা কবিৰাজ ব্যাঘ্রেশ্বৰে লগৰীয়াহঁতক লগত লৈ ৰামপুৰত চকৰি ঘূৰাদি ঘূৰি থাকিল। তাৰ পাছত — খোৱা-বোৱাৰ অন্তত ব্যাঘ্রেশ্বৰে গাঁওবুঢ়াক ক'লে "আপোনালোকৰ গাঁৱত যদি কোনো কবি আছে — তো মোক ক'ব। মই কবিক সহায় কৰিব পাৰিম।"

"ডাঙৰীয়া, আমাৰ ইখন গাঁৱত কেইবাগৰাকীও কবি আছে, আৰু—সকলো কেইগৰাকী কবিয়েই আপোনাৰ দৰ্শনলাভ কৰিবলৈ আগ্রহী। — আপুনি যদি কয়, তেওঁলোকক এঠাইত মাতি আনিবৰ দিহা কৰোঁনে?" গাওঁবুঢ়াই সুধিলে।

"মাতিবই যদি — এখন ৰাজহুৱা সভা পাতি মাতক। সেই সভাত মই ভাষণ দিম। তাত কেৱল কবিতা বা সাহিত্যয়েই নহয় ৰাইজৰ অভাৱ-অভিযোগৰ কথাও লিপিৱদ্ধ কৰা হ'ব।" ব্যাঘ্রেশ্বৰ কবিৰাজে ক'লে।

এই বিষয়ে গাঁৱত ঘোষণা কৰা হ'ল। গাঁৱৰ ল'ৰা বুঢ়া প্ৰায় সকলোটিয়েই সভালৈ

আহিল। ব্যাঘ্রেশ্বৰৰ নাম শুনি চুবুৰীয়া গাঁওবিলাকৰপৰাও কিছুখিনি আহিল। আৰু ব্যাঘ্রেশ্বৰ কবিৰাজে সেই সভাত এক অতি সাৰুৱা বক্তৃতা দিলে, আৰু সভাৰ ৰাইজে হাত-চাপৰিৰে ব্যাঘ্রেশ্বৰৰ বক্তৃতাৰ শলাগ ল'লে।

সভাৰ অন্ত পৰাৰ অন্তত কবিৰাজ ব্যাঘ্রেশ্বৰে ৰামপুৰৰ চাৰি-পাঁচজনমান কবি-সাহিত্যিকৰ সৈতে নানান আলোচনা কৰিলে আৰু ৰামপুৰত এখন পুঁথি-ভঁৰালৰ প্ৰতিশ্ৰুতিও প্ৰদান কৰিলে।

আৰু—তেতিয়াহে গাঁওবুঢ়াই হঠাৎ মন কৰিলে যে — এই কবিসকলৰ মাজত — ৰামপুৰৰ সৰ্বাতোকৈ অগ্ৰগণ্য কবি কলানাথ উপস্থিত হোৱাহি নাই। বাৰে বাৰে সভাৰ কথা ঘোষণা কৰা সত্ত্বেও—বিশেষকৈ কবিৰাজ ব্যাঘ্রেশ্বৰ ডাঙৰীয়াই থলুৱা কবিসকল সৈতে মিলিত হ'বলৈ ইচ্ছা প্ৰকাশ কৰিছে—এই কথা বিশেষভাবে ঘোষণা কৰা সত্ত্বেও কলানাথ কিয় যে নাহিল — সেই কথা ভাবি গাঁওবুঢ়াই আচৰিতেই মানিলে, তেওঁ তৎমুহূৰ্ততে মানুহ এজনক কলানাথাৰ ঘৰলৈ পঠালে, কিন্তু কলানাথে কিবা 'গুৰুত্বপূৰ্ণ কামত ব্যস্ত' হৈ থকাৰ কথা কৈ সেই মানুহজনক ঘূৰাই পঠালে, ব্যাঘ্রেশ্বৰ কবিৰাজৰ ওচৰলৈ যাবলৈ কোনো গৰজ নেদেখুৱালে।

এই ঘটনাৰ পাছত বহু দিন পাৰ হ'ল। ব্যাঘ্রেশ্বৰ কবিৰাজে ৰাজকবিৰ পদ এৰি, বাণপ্ৰস্থ অৱলম্বন কৰি, বনত আশ্ৰম পাতি বনবাসী হ'ল, আৰু তাতেই পত্নীৰে সৈতে বসবাস কৰি থাকিল।

কবিৰাজ ব্যাঘ্রেশ্বৰ বনবাসী হোৱাৰ কথা কলানাথেও জানিলে, আৰু এদিন কলানাথে নিজৰ কবিতা এখিনিৰে সৈতে বনবাসী ব্যাঘ্রেশ্বৰৰ ওচৰলৈ যাবলৈ বাণপ্ৰস্থাশ্ৰম থকা সেই বনলৈ বুলি খোজ ল'লে।

কলানাথ যেতিয়া সেই বনত থকা





বাণপ্রস্থাশ্রম পালেগৈ, তেতিয়া কবিৰাজ ব্যাঘ্রেশ্বৰে তেওঁৰ পত্নীক ভাগৱত পাঠ কৰি শুনাই আছিল। পত্নীয়ে তন্ময় হৈ সেই অপূর্ব ভাগৱত পাঠ শুনি আছিল। যেতিয়া ভাগৱত-পাঠ সমাপ্ত হ'ল, পত্নীয়ে ক'লে, "মোৰ জীৱন আজি ধন্য হ'ল। আপোনাৰ মুখ-নিঃসৃত ভাগৱত — এক স্বৰ্গীয় উপলব্ধি। মোৰ জন্ম সাৰ্থক হ'ল।"

"কেৱল মোৰ মুখৰপৰা নহয়, যেইকোনো মানুহৰ মুখৰপৰা এই ভাগৱত উচ্চাৰিত হয়—সেই উপলব্ধিও স্বৰ্গীয়। যদি কোনোবাদিনা এনেহেন কাব্য ৰচিব পাৰোঁ, সেই দিনাহে মই নিজক প্রকৃত কবি বুলি ভাবিব পাৰিম।" ব্যাঘ্রেশ্বৰে পত্নীক বুজাই ক'লে।

"আপোনাৰ উক্তি অসত্য বুলি কোৱাৰ সাহস মোৰ নাই। মই মানিছোঁ আৰু জানিছোঁ যে—আপুনিও এনেহেন কাব্য কাহানিবাই ৰচিলে, আৰু সেই ৰচনাও মহাকবিৰ কাব্যৰ সৈতে তুলনীয়।" হঠাৎ কলানাথে কৈ উঠিল।

কবিৰাজ ব্যাঘ্রেশ্বৰে কলানাথলৈ চালে। তাৰ পাছত কলানাথৰ চিনাকি ল'লে আৰু কবিতা শুনাবলৈ ক'লে।

কলানাথে যেতিয়া তেওঁৰ কবিতা পাঠ কৰি আছিল। কবিৰাজ ব্যাঘ্রেশ্বৰে চকু মুদি একমনে কলানাথৰ কবিতা শুনিছিল। কলানাথ যেতিয়া ৰ'ল, তেতিয়া ব্যাঘ্রেশ্বৰে কলানাথক ক'লে, "বোপা, তুমি প্রকৃততেই সৰস্বতীৰ বৰপুত্ৰ। কিন্তু—তথাপি—তোমাৰি কবিতাত কিঞ্চিত-কিঞ্চিত ব্যাকৰণ-দোষ নথকা নহয়। এইখিনি দোষ শুধৰাই ল'লেই তোমাৰ কাব্যধাৰা সূৰ্য্যৰদৰে সমুজ্জ্বল হৈ উঠিব।"

"হে মহানুভৱ, আপুনি এই কবিতাখিনি আগতেও পাঠ কৰিছিল। তেতিয়া আপুনি ব্যাকৰণ-দোষৰ কথা প্রকাশ কৰা নাছিল।" কলানাথে আগৰ ঘটনাৰ কথা ব্যাঘ্রেশ্বৰক সোঁৱৰাই দিলে।

তেতিয়া ব্যাঘ্রেশ্বৰে ক'লে, "সেই দিনা মই নিজে তোমাৰ কবিতা পঢ়া নাছিলোঁ, পঢ়িছিল মোৰ শিষ্য এজনে। সেই দিনা তুমি কেৱল মোৰ মন্তব্য বিচাৰিহে মোৰ ওচৰলৈ গৈছিলা, মোৰ সৈতে সাক্ষাৎ কৰিবলৈ চেষ্টা কৰা নাছিলা। কবিতাখিনি লৈ নিজেই মোৰ কাষ চপাহেঁতেন মই নিশ্চয় তেতিয়াই কবিতাৰ এই ত্রুটিখিনি শুধৰাই দিলোহেঁতেন।

কলানাথে মিঠাকৈ হাঁহিৰে ব্যাঘ্রেশ্বৰক

ক'লে, "কবিতাখিনি পঢ়াৰ পাছত আপুনি মোক মতাই নিব বুলি মই আশা কৰিছিলোঁ। মতা নাছিল, কিন্তু মন্তব্য দিছিল যে—তাৰেই মই প্ৰসন্ন হৈছিলোঁ। কিন্তু আজি মোৰ প্ৰসন্নতা আৰু অধিক হ'ল, কিয়নো—মোৰ ক্ৰটিৰ কথা জানিলোঁ, আগলৈ নিৰ্ভুল কাব্য ৰচাৰ সুবিধা পালোঁ। যি কি নহওক—মোক কিছুদিনৰ বাবে আপোনাৰ সেৱা-যত্ন কৰাৰ সুযোগ প্ৰদান কৰে যদি—বৰ আনন্দিত হ'ম।"

কলানাথৰ কাহিনী ইমানলৈকে কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! অন্য অন্য অনেক কাব্য-ৰসিকৰপৰা প্ৰশংসাপ্ৰাপ্ত কবি কলানাথৰ এই আচৰণ অসমঞ্জস নাছিলনে? আনকি ৰামপুৰলৈ যোৱা ব্যাঘ্ৰেশ্বৰৰ সৈতে সাক্ষাৎ নকৰা কলানাথে এইদৰে ব্যাঘ্ৰেশ্বৰ কবিৰাজৰ ওচৰত কলানাথে আত্মসমৰ্পণ কৰিছিল কিয়? এই আচৰণ—বুদ্ধিহীনতাৰ প্ৰমাণ নহয়নে? কিছুদিনলৈ ব্যাঘেশ্বৰৰ আলপৈচান ধৰাৰ ইচ্ছা প্ৰকাশ—কলানাথৰ মতিভ্ৰষ্টতাৰেই চিন নহয়নে? মোৰ এই প্ৰশ্নসমূহৰ উত্তৰ জানিও যদি সঠিককৈ নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "কবিৰাজ ব্যাঘ্ৰেশ্বৰে সিংহপুৰীত কলানাথক মতাই নিনিয়াত কলানাথে ব্যাঘ্ৰেশ্বৰৰ কাব্যৰ প্ৰতি অভিৰুচি হ্ৰাস হোৱা বুলি ভাবিছিল। কবিৰাজ ব্যাঘ্ৰশ্বৰ যেতিয়া ৰামপুৰলৈ গৈছিল — তেতিয়াও কলানাথে ব্যাঘ্ৰেশ্বৰক কাব্যপ্ৰেমী বুলি নাভাবি আত্মপ্ৰচাৰপ্ৰেমী বুলি ভাবি মানুহ পঠাই মাতি পঠোৱা সত্বেও ব্যাঘ্ৰেশ্বৰৰ ওচৰলৈ যোৱা নাছিল। কিন্তু — ৰাজপদ-জনপদ ত্যাগ কৰি বাণপ্ৰস্থ অৱলম্বন কৰি ব্যাঘ্ৰেশ্বৰে যেতিয়া কেৱল কাব্যৰ অমৃতধাৰাতে ডুব গৈছিল, তেতিয়া কলানাথে ব্যাঘ্ৰেশ্বৰৰ প্ৰতি তেওঁৰ মনোভাৱ সলাইছিল। গতিকে কলানাথক মতিভ্ৰষ্ট বুলি কোৱাৰ কোনো যুক্তিযুক্ত কাৰণ নাই। জীৱনৰ প্ৰকৃত মহত্ত্ব যে কাব্য-ক্ষমতাত নহয়, সেৱাধৰ্মত যে মহত্ত্ব নিহিত, পলমকৈ হ'লেও কলানাথে সেই কথা উপলব্ধি কৰিব পাৰিছিল।

এই কথা শুনিয়েই বেতালে সেই মৃতদেহটো লৈ তাৰপৰা নিমিষতে নোহোৱা হৈ পুনৰ সেই গছজোপালৈ গুচি গ'ল। [কল্পিত

নিহিতাৰ্থ

গাঁৱৰ নাম চিত্ৰপুৰ। চিত্ৰপুৰৰ বিখ্যাত কলাপ্ৰেমী জমিদাৰ ডাঙৰীয়াৰ উছাহ-উদ্যোগত প্ৰতি বছৰ চিত্ৰপুৰত খ্যাত-অখ্যাত সকলো চিত্ৰকাৰৰ চিত্ৰকৰ্মৰ প্ৰদৰ্শনী পতা হয়।

অন্যান্য বছৰৰ দৰে এইবছৰো চিত্ৰ-প্ৰদৰ্শনী যথেষ্ট ধুমধামৰে পতা হ'ল। দেশৰ দূৰ-দুৰান্তৰপৰা চিত্ৰকাৰ সকলে তেওঁলোকৰ চিত্ৰ-সম্ভাৰ লৈ আহিছিল। একেবাৰে নতুন চিত্ৰকাৰৰ চিত্ৰও এই প্ৰদৰ্শনীত ঠাই পাইছিল। চিত্ৰ-প্ৰদৰ্শনী চাবলৈ কলাৰসিক মানুহ-মুনিহ দূৰ-দূৰণিৰপৰা ঢপলিয়াই আহিছিল।

সুগন্ধিপুৰৰ খ্যাতিমান চিত্ৰকাৰ সোমৰাজৰ চিত্ৰও এই প্ৰদৰ্শনীত আছিল। সোমৰাজ যিখন খাজিখোৱাত আছিলহি, সুন্দৰনগৰীয়া কৈৱল্য নামৰ এজন কলাৰসিকো তাতেই আছিল। কথাই-কথাই কৈৱল্যই সোমৰাজক ক'লে, "মই আপোনাৰ চিত্ৰখনৰ আগত — কমেও এঘণ্টামান খাড়া হৈ আছিলোঁ।"

"হয়নে —?" সোমৰাজে কৈৱল্যৰ কথাত ভালৰো ভাল পাই ক'লে, "মোৰ চিত্ৰ খনক আপুনি ভাল পাইছে—আৰুনো মোক কি লাগিছে ? মোৰ চিত্ৰখন—ইমানেই ভাল পালেনে আপুনি ?"

"কিয় ক'ব নোৱাৰোঁ, আনবিলাকৰ চিত্ৰৰ আগত ইমান যে ভিৰ হৈছিল—কিন্তু আপোনাৰখনৰ আগত কেৱল মই কৈবল্যইহে এঘণ্টামান খাড়া হৈ আছিলোঁ।" কৈৱল্যই ক'লে।

এইবাৰ কৈৱল্যৰ কথাৰ নিহিতাৰ্থলৈ মন কৰি সোমৰাজে আৰু কোঁ-কা নকৰা হ'ল।



সাগৰেও কয় হেনো জয় জগন্নাথ ওড়িশাৰ ওড়িশিৰ শুনো গীত-মাত...

ৰচন : মীৰা নায়াৰ ✻ আঁকন : গোপকুমাৰ

সাগৰৰ পাৰৰপৰা সামান্যমান স্থলভূমিলৈ সোমাই গ'লেই আমি ব'ম'ক'ই নামৰ সৰু গাঁৱেখানি পামগৈ, যিখনি গাঁও ঐতিহ্যবাহীভাবে শাড়ী-কাপোৰ-বোৱনৰ বাবে বিখ্যাত। অৱশ্যে—বোৱমন-শিল্পী তথা বস্ত্ৰ-শিল্পী সমগ্ৰ ওড়িশাতে বিয়পি আছে, তথাপি, ব'ম'ক'ইৰ বোৱনৰ খ্যাতি স্বতন্ত্ৰ। দুখন ব'ম'ক'ই-শাড়ী হুবহু এক কেতিয়াও নহ'ব—এই শাড়ীৰ ই এক বিশেষ বিশেষত্ৰ।

গৈ গৈ আৰু অলপমান উত্তৰলৈ গৈয়েই পামগৈ আমাৰ দেশৰ বৃহত্তম হ্ৰদ—চিল্কা। এই চিল্কা হ্ৰদক এক তৰাং খাৱৈয়ে বঙ্গোপসাগৰৰ সৈতে যুক্তকৰিছে। চিল্কা হ্ৰদ ১১০০ স্কোয়েৰাৰ কিল'মিটাৰলৈকে বিয়পা। জহকালি চিল্কাৰ পানী লুণীয়া, কিন্তু বাৰিষা.. *দয়া* আৰু *ভাগৰি* নৈৰ স্ৰোতধাৰাই চিল্কাৰ পানীক মিঠাপানী কৰি তোলে, আৰু এই কাৰণেই চিল্কা হ্ৰদ হ'ল আমাৰ দেশৰ বৃহত্তম মিঠাপানীৰ হ্ৰদ।

চিল্কাৰ অ'ত ত'ত বহুতো সৰু সৰু সুদৃশ্য সেউজবুলীয়া দ্বীপ আছে। এনেহেন শোভাময় এটি দ্বীপত আছে এটি মন্দিৰ — যাৰ নাম *কালীজয়* মন্দিৰ। চিল্কাহ্ৰদৰ পাৰে পাৰে আৰু ভিতৰে-বাহিৰে সকলোতে বিচিত্ৰ বিচিত্ৰ জলজ-গছ-গছনিৰ খেলা ; আৰু জাৰকালি এই চিল্কাৰ বুকুতে বহে — হাঁহ-বগলী-পেলিক্যান আদি অসংখ্য জলচৰ পক্ষীৰ মেলা।

চিল্কাহ্ৰদৰ মাছ-ধৰা নাওবিলাকত বতাহতে হালি-জালি থকা অতি সুন্দৰ সুন্দৰ ঢৰীয়া-পাল থাকে।

আমাৰ পৰৱৰ্তী যাত্ৰা হওক *পলৌৱালৈ*। মহাভাৰতৰ কালৰ পলৌৱা হ'ল আজিৰ *পুৰী*। একালত আজিৰ এই পুৰী, তাহানিৰ সেই পলৌৱা আছিল দূৰ ইন্দ'নেজিয়াৰ সৈতে সামুদ্ৰিক বাণিজ্যৰ কেন্দ্ৰস্থল।

আজিৰ পুৰী হ'ল এক জগৎবিখ্যাত সাগৰপৰীয়া স্বাস্থ্যকেন্দ্ৰ। পুৰীৰ সাগৰতট ওড়িশাৰ দীৰ্ঘতম। পুৰী হিন্দুসকলৰ চাৰিখন পবিত্ৰতম তীৰ্থৰ এখন আন তিনিখন হ'ল : বদ্ৰীনাথ-কেদাৰনাথ, ৰামেশ্বৰম আৰু দ্বাৰকা।

পুৰীৰ জনপদৰ সোঁমাজতে অৱস্থিত জগতৰ প্ৰভু জগন্নাথৰ ঐতিহ্যমণ্ডিত মহিমাময় মন্দিৰ। এই মন্দিৰ— ৰজা কলিঙ্গৰ তদানীন্তন চোড়াগঙ্গাদেৱে তেওঁৰ ৰাজধানী কলিঙ্গৰ দক্ষিণভাগৰপৰা মধ্যভাগলৈ স্থানান্তৰ কৰোঁতে ১২ শতিকা কালত নিৰ্মাণ কৰিছিল। এই মন্দিৰত প্ৰভু জগন্নাথক প্ৰভু শ্ৰীকৃষ্ণৰূপে তেওঁৰ ভগ্নী সুভদ্ৰা আৰু ভাতৃ বলভদ্ৰৰ সৈতে পূজা কৰা হয়। মূৰ্তিসমূহ হ'ল দাৰুমূৰ্তি, অৰ্থাৎ কাষ্ঠনিৰ্মিত মূৰ্তি আৰু দেখাত অসমাপ্ত।

কিংবদন্তি অনুসাৰে, ৰজা ইন্দ্ৰদ্যুম্নই পুৰীৰ মন্দিৰত থকা নীলকান্তমণি-নিৰ্মিত বিগ্ৰহ ইয়াৰপৰা অপহৰণ কৰি লৈ যাবলৈ মনস্থ কৰিছিল। কিন্তু যেতিয়া সেই বিগ্ৰহ ল'বলৈ আছিল, তেতিয়া মন্দিৰত তেওঁ কোনো বিগ্ৰহ দেখা নাপালে, বিগ্ৰহ মন্দিৰৰপৰা অদৃশ্য হৈছিল, তাৰ পাছত ৰজাই তেওঁৰ অপহৰণ কৰিব খোজা অপকৰ্মৰ বাবে কঠোৰ প্ৰায়শ্চিত্ত কৰি থাকিল।

এনিশা তেওঁ এক স্বৰ্গীয় বাণী শুনিলে — তেওঁ দাৰুৰূপে অৰ্থাৎ কাষ্ঠৰূপে প্ৰভুৰ বিগ্ৰহ পাব। এডোখৰ কাষ্ঠ সাগৰৰ বুকুৰেদি উটি আছিল আৰু ৰজাই এই কাষ্ঠডোখৰেৰে মূৰ্তি বনাবলৈ বছা বছা বাঢ়ৈক আদেশ দিলে। কিন্তু দেশৰ বছা বছা বাঢ়ৈহঁতেও এই মূৰ্তি বনাব নোৱাৰিলে। সিহঁতৰ সা-সঁজুলিবোৰ নষ্ট হৈ গ'ল, আনকি সিহঁতৰ হাতো জখম হ'ল।

ৰথযাত্ৰা

তাৰ পাছত—এদিন স্বয়ং প্ৰভুৱেই এক বুঢ়া বাঢ়ৈৰ ৰূপ ধৰি ৰজাৰ ওচৰলৈ আহিল, আৰু ২১ দিনতে দাৰুমূৰ্তি সাজি দিব বুলি ক'লে। কিন্তু বুঢ়া বাঢ়ৈৰ চৰ্ত হ'ল এয়ে যে : এই একৈছ দিনৰ ভিতৰত একৈছ দিন সম্পূৰ্ণ নোহোৱালৈকে এদিন-এক মুহূৰ্তৰ বাবেও তেওঁৰ মূৰ্তি সজা কাম-কাজ কোনেও চাব নোৱাৰিব।

বুঢ়া বাঢ়ৈৰ প্ৰস্তাৱত ৰজা সন্মত হ'ল। কিন্তু এদিন তেওঁ তেওঁৰ কৌতূহল দমাব নোৱাৰি জলঙাইদি জুমি চালে; কিন্তু তেওঁ সেই ঘৰত অসমাপ্ত বিগ্ৰহৰ কাষ্ঠ তিনিডোখৰহে দেখা পালে, সেই বুঢ়া বাঢ়ৈৰ চিন-মোকামো দেখা নাপালে।

এই দাৰুমূৰ্তি প্ৰতি ১২ বছৰৰ বাদে বাদে এবাৰকৈ নতুনকৈ নিৰ্মাণ কৰা হয়।

এই দাৰুমূৰ্তি কেৱল নিম কাঠেৰে সজোৱা হয়, আৰু সপোনত প্ৰভুৰ আদেশ লভা *দৈতা* অৰ্থাৎ ভক্তইহে সাজিব পাৰে। পুৰণি মূৰ্তিৰপৰা এক বিদেশী সামগ্ৰী (বহুতো পণ্ডিতৰ মতে—এই সামগ্ৰীটি হ'ল বুদ্ধৰ দাঁত) লোৱা হয়, আৰু সেই সামগ্ৰীটি নতুন কাষ্ঠ মূৰ্তিৰ ভিতৰত সুমুৱাই দিয়া হয়। এই কাৰ্য্য চকুত আৰু হাততো বস্ত্ৰ বন্ধা অৱস্থাত কেৱল ব্ৰাহ্মণ পুৰোহিত এগৰাকীয়েহে কৰিব পাৰিব। তেওঁ যাতে সেই বিশেষ সামগ্ৰীটিৰ উপলব্ধিও কৰিব নোৱাৰে, তাৰ বাবেহে তেওঁৰ চকু আৰু হাতো বস্ত্ৰেৰে বান্ধি দিয়া হয়। এই অনুষ্ঠানক *নৱ কলেবৰ* বুলি কোৱা হয়, আৰু *ৰথযাত্ৰাৰ* ঠিক আগে আগে এই উৎসৱ পালন কৰা হয়।

প্ৰতিবছৰৰ জুলাই মাহত ৰথযাত্ৰা উছৱ পতা হয়। তেতিয়া প্ৰভু কৃষ্ণই গোকুলৰপৰা মথুৰালৈ যায়। তিনিও দাৰুমূৰ্তিক তিনিখন মহিমাময় ৰথত উঠাই এমাইলমান দূৰৱৰ্তী *গুণ্ডিচাবাড়ীলৈ* লৈ যোৱা হয়। নান্দীঘোষ হ'ল ১৬-চকীয়া ৰথ, জগন্নাথৰ ৰথ। এই ৰথ ১৪ মিটাৰ ওখ, ১১ মিটাৰ বহল।

এই মহিমাময় ৰথযাত্ৰাত লক্ষ লক্ষ নৰ-নাৰীয়ে ভাগ লয়। তেওঁলোকে ৰথৰ ৰছীত ধৰি ৰথ টানি টানি লৈ যায়। কোৱা হয়, জগন্নাথ মহাপ্ৰভুৰ পাদস্পৰ্শ কৰিলেই মানুহ হেনো জন্ম-মৃত্যুৰপৰা মুক্তিলাভ কৰে।

আঠ দিনৰ পাছত এই ৰথ গুণ্ডিচাবাড়ীৰপৰা পুনৰ মন্দিৰলৈ আনি যথোচিত মৰ্য্যাদাৰে স্থাপন কৰা হয়।

জগত-বিখ্যাত *ওডিচি* বা *ওড়িশি* নৃত্যধাৰা ওড়িশাৰ এক এতিহ্যবাহী সংস্কৃতি। জগন্নাথ মন্দিৰত এই নৃত্যৰ চৰ্চা কৰা হয়। নৰ্তকীসকলে ৰূপৰ অলংকাৰ আৰু যথোপযুক্তপৱিত্ৰ শ্বেত বস্ত্ৰ পৰিধান কৰি সেই ত্ৰিমূৰ্তিৰ আগত ওড়িশিনৃত্যেৰে অৰ্চনা কৰে। ওড়িশি গীত হ'ল ভক্তিৰ গীত। জয়দেৱ-ৰচিত *গীত গোবিন্দৰ অষ্টপদ* হ'ল ৰাধা আৰু কৃষ্ণৰ প্ৰেমৰ প্ৰকাশ।

পুৰীৰপৰা বৰ বেছি ১৬ কিল'মিটাৰৰ বাট হ'ল *ৰঘুৰাজপুৰ*, যিখন গাঁৱৰ ল'ৰা-বুঢ়া প্ৰায় সকলোটিয়েই হ'ল পটচিত্ৰ-শিল্পী। এই শিল্পীসকলে বস্ত্ৰৰ ওপৰত চিত্ৰ *চিত্ৰিত* কৰাত পাৰ্গত।

ৰঘুৰাজপুৰৰপৰা ১০ কিল'মিটাৰৰ বাটত আছে বিখ্যাত কৃষ্ণ-মন্দিৰ, যি ঠাইত দুগৰাকী ব্ৰাহ্মণৰ মাজত হোৱা বাগ্-বিতণ্ডাত স্বয়ং শ্ৰীকৃষ্ণ তেওঁৰ অতি সৰুকালতে সাক্ষী দিবলৈ আহিছিল। এই ঘটনাৰপৰা সেইডোখৰ ঠাইৰ নাম হৈছিল—সাক্ষীগোপাল। সাক্ষীগোপাল মন্দিৰত কৃষ্ণৰ পূৰ্ণাবয়ৱ বিগ্ৰহ পৰিলক্ষিত হয়।

এগৰাকী ওড়িশিনৰ্তকী



© Amrita Bharati, Bharatiya Vidya Bhavan, 1997

অন্ধ – বিশ্বাস কিমান অন্ধ

টঙ্কপুৰৰ টনক এজন সাধাৰণ হালোৱা আছিল। টনকৰ এহালিচামান খেতিমাটিও আছিল, আৰু সি খেতি-বাতিৰ কাম-কাজ ভালকৈ শিকাৰ ফলতমাত্ৰ এহালিচাৰ ওপজেৰেই পা-পৰিয়ালে মোটামুটি নিৰ্বিঘিনিৰেই চলিব পাৰিছিল।

প্ৰতিজন মানুহৰ মনতে কিবা-নহয়-কিবা ইচ্ছা থাকে। টনকৰো আছে। টনকে তাৰ খেতি-মাটিৰ পৰিমাণ বঢ়াই টনকিয়াল হ'বলৈ ইচ্ছা কৰা নাছিল, তাৰ ইচ্ছা আছিল—সাপৰ বিষ-জৰা মন্ত্ৰ—অৰ্থাৎ সৰ্প-মন্ত্ৰ জনাৰ ইচ্ছা।

কিন্তু কোনেনো শিকাৰ তাক? সি জনাত —তাৰ গাঁৱত বাদেই — আনকি চুবুৰীয়া দহোখন গাঁৱতো সৰ্প-মন্ত্ৰ জনা জানন্তা কোনো নাই যে—জানে সি।

এদিন কথাই কথাই এই বিষয়ে কোৱাত টনকৰ কুটুম এজনে কৈছিল যে — এনেবোৰ মন্ত্ৰ — সাপ-জৰা, ভূত-জৰা আদি মন্ত্ৰ — কেৱল সাধুবাবাহঁতেহে শিকাই দিব পাৰে, কিয়নো — সাধুবাবাহঁতে নানান লৌকিক-অলৌকিক মন্ত্ৰ-তন্ত্ৰ জানে। গতিকে — জানিবা যদি সাপৰ বিহ-জৰা, কোনোবা এজন সাধুবাবাক ধৰা।

কিন্তু—সাধুবাবা পায়বা ক'ত? আৰু— এইবাৰ জাক-জাক চৰাইৰ উৎপাতৰ ফলত খেতি-বাতি উবাৰ হ'বৰ হৈছেহে। টনকে বাধ্যত পৰি চৰাই খেদিবলৈ তাৰ খেতি-পথাৰত হেদালি-চাং বান্ধি তাতেই পৰ দি ৰৈ থাকিবলগীয়া হৈছে।

আৰু — কপালত থাকিলে কি নহয়? এদিন দুপৰীয়াৰ পৰতে — সি যেতিয়া চৰাই খেদি আছিল — তেতিয়া এজন নহয় দুজন নহয়—কেইবাজনো সাধুবাবাক সেই বাটেদি সমদলেৰে গৈ থকা দেখা পালে টনকে।

দামোদৰ দাস

আৰু দেখা পাই—সাতৰজাৰ ধন এক মাণিক পোৱা যেন পালে চৰাই খেদাৰ কথা পাহৰি থালী ভগা জুয়ে খেদা লৰ ধৰি সি সাতপৰগণা মাৰি অহা সাধুবাবাহঁতৰ কাষ চাপিল আৰু আটাইতকৈ ওখ-পাখ শকত-আৱত দট়ীয়া সাধুবাবাৰ ঠেংদুখনৰ আগত কটা কলগছ এজোপাৰ দৰে দীঘল দি পৰিল।

সাধুবাবাই সুধিলে যে তাক কি লাগে। তেতিয়া টনকে তাৰ ইচ্ছাৰ কথা সাধুবাবাক কোৱাত সাধুবাবাই টনকক টিপিটিপি চাই টোপ পেলালে, "কথা হ'ল—সৰ্পমন্ত্ৰ যদিও আমাৰ পক্ষে তেনেই সাধাৰণ কথা, তথাপি, এনেহেন থিয়-দুপৰীয়াত বা ভাটীবেলাতো, আনকি গধূলি পৰতো এই পবিত্ৰ সৰ্প-মন্ত্ৰ শিকাব নোৱাৰি। এই মন্ত্ৰ শিকাৰ সৰ্বোত্তম সময় হ'ল —প্ৰাতঃকাল। প্ৰাতঃকাল মানে—বুজিছানে বোপাই—? যাক বোলে ধলপুৱা। গতিকে—আজি-যদি এই শিচসকলৰে সৈতে আমাৰ থকা — মেলাৰ বন্দৱস্ত কৰাঁ — কাইলৈ প্ৰাতঃকালতে তোমাক সৰ্পমন্ত্ৰ শিকাই দিয়া যাব। — আৰু কওঁ, আমাৰ থকা মেলাৰ বাবে তোমাৰ ঘৰলৈ লৈ নগ'লেও হ'ব, আমি ইয়াতে তোমাৰ খেতিত থকা ইটো-সিটো খাই ৰাতিছোৱা এই চৰাইখেদাচাঙতে শুই নিঃপালি দিব পাৰিম। তুমি ধলপুৱাতে উঠি গা-পা ধুই আমাক মাতিবাহি, হৈ যাব, তোমাক সৰ্পমন্ত্ৰ শিকাই দিয়া যাব।"

টনকে সাধুবাবাক আৰু তেওঁৰ শিষ্যহঁতক সেই চৰাই-খেদা-চাঙত আথেবেথে বহুৱাই টোপা-কাঁড় যোৱাদি ঘৰলৈ গ'ল, আৰু সাধুবাবাহঁতৰ বাবে তপতে-তপত খোৱাবস্তু তৈয়াৰ কৰি লৈ আহিল। কিন্তু—অ—হৰি!

কী যে কাণ্ড! সাধুবাবাৰ শিষ্যহঁতে আৰু লগতে সাধুবাবায়ো খেতি-পথাৰত ওপোজা তিঁয়হ, বঙালী জিকা, পকা অমিতা, দীঘলীয়া ডিলাৰ গুটি ধৰা গোমধান—যি আছিল-যা আছিল ইতিমধ্যেই খাই খেতি-খোলা উবাৰ কৰি পেলালে।

কিন্তু — কিন্তু তথাপি টনক নটলিল। খেতি-খোলা সদায় কৰিব পাৰিম, সৰ্পমন্ত্ৰ জনা সাধুবাবা সদায় ধৰিব নোৱাৰিম।

খোৱাবস্তুখিনিও সাধুবাবাহঁতে খালে, আৰু তাতেই তৎক্ষণাৎ শুই নিহ্‌পালী দিলে। টনক ঘৰলৈ গুচি গ'ল।

ৰাতিছোৱা—সৰ্পমন্ত্ৰ শিকাৰ উত্তেজনাৰ

কোবত টনকৰ চকুৰ পিৰঠিবোৰ জাঁপেই নোখোৱা হ'ল। আৰু — ধলপুৱা নৌহওঁতেই গা-পা ধুই পৱিত্ৰ হৈ তাৰ খেতি-পথাৰৰ হেদালি চাওঁলে বুলি টঙনা যোঁৱা যোৱা দি গৈ থাকিল।

কিন্তু টনক গৈ পোৱাৰ আগতেই সাধুবাবাহঁত তাৰপৰা গুচি যাবলৈ ওলাই পৰিল। সামান্যমান পলম হোৱাহেঁতেন টনকে সাধুবাবাহঁতক আৰু কিজানি নাপালেইহেঁতেন। টনকে হেঁপাই-ফোঁপাই "হেই বাবা — সৰ্পমন্ত্ৰ, সৰ্পমন্ত্ৰ" বুলি কৈ কৈ সাধুবাবাহঁতৰ পিছ ল'লে।

সাধুবাবা ৰ'ল। তাৰ পাছত টনকক ক'লে, "আহিলযোগী ঘুগুলঘাগী গ'লযেভাগি —।" এই বুলি কৈয়েই সাধুবাবাই টনকৰ কান্ধত জোৰেৰে হেঁচা এটা মাৰি এৰি দিলে আৰু তৎক্ষণাৎ পুনৰ দীঘল দীঘলকৈ খোজ ল'লে।

তেতিয়া টনকৰ আনন্দৰ পাৰ-কূল নোহোৱা হ'ল। ইমানদিনলৈ আশা পালি থকাৰ অন্তত শেহান্তৰত সঁচাসচিকৈ 'সৰ্প-মন্ত্ৰ' পালে ! সি কেইবাবাৰো আওৰালেঃ আহিলযোগী ঘুগুলঘাগী গ'লযেভাগি। তাৰ পাছত—এই মন্ত্ৰ আওৰাই ঘৰ পালেগৈ।

গাঁৱত — বিশেষকৈ জহকালি-বাৰিষাকালি — হয় আক নহয় তাক সাপে খুটিবই। যেতিয়া সৰ্প-মন্ত্ৰ জনাৰ কথা টনকৰ ঘৈণীয়েকে চুবুৰীয়াক ক'লে, তেতিয়া কথাটো গাঁৱৰ ঘৰে ঘৰে বনাগ্নিৰ দৰে বিয়পি পৰিলে। আৰু কেইদিনমানৰ অন্তত সাপে-খোটা বেমাৰী এজনক পাই টনকে প্ৰথমবাৰৰ বাবে মনে মনে সৰ্পমন্ত্ৰ মাতি সেই বেমাৰীজনৰ কান্ধত ধৰি জোৰেৰে দিয়াত যেতিয়া বেমাৰীয়ে চকু মেলি চালে—তেতিয়া সাধুবাবাই শিকাই দিয়া সৰ্পমন্ত্ৰৰ কাৰ্য্যকাৰিতাৰ বিষয়ে টনকৰ



অন্তৰত অপাৰ বিস্ময়ৰ সৃষ্টি হ'ল।

তাৰ পাছত — কেৱল গাঁৱৰে নহয়, চুবুৰীয়া গাঁৱৰ, আনকি দূৰ-দূৰণীৰপৰাও সাপে-খোটা বেমাৰী আহি থাকিল, আৰু টনকেও পূৰ্ণ বিশ্বাসৰে সাধুবাবাই শিকাই দিয়া মন্ত্ৰ মনে মনে আওৰাই—সাধুৱে তা কান্ধত ধৰি জোকাৰি দিয়াৰ দৰে জোকাৰি — সাপে-খোটা বেমাৰীহঁতক সুস্থ কৰি থাকিল।

কিন্তু হঠাৎ এদিন এক অবাঞ্ছিত ঘটনা ঘটিল যাৰ ফলত ইনকৰ মনত সৰ্পমন্ত্ৰৰ বিষয়ে প্ৰশ্নবিহীন বিশ্বাসত ঘুণে ধৰিলে।

দূৰণিবটীয়া গাঁও এখনৰপৰা টনকৰ পেহাকৰ ল'ৰা ভমক টনকহঁতৰ ঘৰলৈ আহিল। টনকে সৰ্পমন্ত্ৰ জানে—এই কথা শুনি ভমকে ভমককৰে হাঁহি উঠিল, আৰু কৈ থাকিল ঃ

"বোলোঁ — অ' টনক তোমাৰ এই সৰ্পমন্ত্ৰত দেখোন কোনো মন্ত্ৰয়েই নাই, আছে মাত্ৰ ধেমেলীয়া পংকথা। আহিলযোগী মানে যে কি—বুজিছাই, ঘুগুলাৰ অৰ্থ হ'ল—বেয়া কাম কৰিও নিলাজ ভয়হীন টেঙৰ, আৰু — গ'লযে ভাগি যে কি বুজাই ক'ব লাগিবনে ?"

টনকে ভমকৰ যুক্তিক অস্বীকাৰ কৰিব নোৱাৰিলে। তথাপি সুধিলে, "তেনেহ'লে— সৰ্পমন্ত্ৰত যদি কোনো শক্তিয়েই নাই—সাপে-খোটা বেমাৰী-হঁত ভাল হয় কেনেকৈ ?"

"আচল কথা হ'ল—বিশ্বাস। এই শক্তি বিশ্বাসৰ শক্তি। সৰ্পমন্ত্ৰত মন্ত্ৰও নাই, জাদুও নাই। তোমাৰ মাজত আছিল অন্ধ-বিশ্বাস, আৰু সাপে-খোটা বেমাৰীহঁতৰো কথা সেই একেটাই—তুমি যেনেকৈ সাধুবাবাৰ কথাত বিশ্বাস কৰিছিলা, ঠিক তেনেকৈয়েই— তোমাৰ মন্ত্ৰশক্তিলৈ সাপে-খোটা বেমাৰীহঁতেও বিশ্বাস স্থাপন কৰিছিল। এইবোৰ কথাত তৰ্কবাদ প্ৰায় অৰ্থহীন। প্ৰকৃত বিষাক্ত সাপে খোটাহেঁতেন তোমাৰ মন্ত্ৰই কোনো গুণ নিদিলেহেঁতেন যে — সেই কথা ধ্ৰুপ। দেশত থকা ইমান বিধৰ সাপৰ মাজত কেৱল পাঁচ-ছয় বিধৰ সাপহে বিষাক্ত, সেইহে সৰ্বৰক্ষা — সৰ্পৰক্ষা! সকলো সাপেই সাপ নহয়-সকলো অন্ধ বিশ্বাসো অন্ধ নহয়।"

সিদিনাপৰাই টনকৰ মনৰ বিশ্বাসৰ হজ লৰিল, আৰু সাপজৰা বেজালিৰপৰা তথা সৰ্পমন্ত্ৰেৰে ভাঁৰণৰপৰা আঁতৰি থাকিল।

চান্দমামা

সোণালী দুৱাৰ - ১৬

১...ভেটি নোহোৱা স্তম্ভ ?

এই স্তম্ভৰ কোনো ভেটি নাই। এই ওখ স্তম্ভ এক মঞ্চৰ ওপৰত কোনো ধৰণৰ জোৰা নিদিয়াকৈয়েই থিয় কৰি থোৱা হৈছে। অন্যতম হোয়শল-ৰজা বিষ্ণুবৰ্দ্ধনে ৯০০ বছৰৰ আগতে এই অভিনৱ স্তম্ভ সাজিছিল। এই স্তম্ভক 'মাধ্যাকৰ্ষণীয় স্তম্ভ' বুলিও অভিহিত কৰা হয়।



এই পৃথিৱীত কোন ঠাইত পাবানো বিচাৰি ?

২...পৃথিৱীৰ উচ্চতম ৰেলআলি ?

সমুদ্ৰৰ উপৰিভাগৰপৰা ৪৮১৬ মিটাৰ উচ্চতাত আন্দিজ পৰ্বতমালাৰ ওপৰত যেতিয়া ৰেলগাড়ী যায়, তেতিয়া কিছুমান যাত্ৰীয়-উশাহ-নিশাহ ঠিক মতে ল'ব নোৱৰি অক্সিজেন ল'বলৈ বাধ্য হয়। এই ৰেলগাড়ীত লাগ বুলিলেই সহায়কাৰিণী নাৰ্ছ সাজু হৈয়েই থাকে।

৩...সম্পূৰ্ণকৈ খনিজ লোণেৰে সজা ভূগৰ্ভস্থ চহৰ ?

ভূগৰ্ভৰ ৩০০ মিটাৰ তলত এই অভিনৱ লুণীয়া চহৰখন অৱস্থিত। খনিৰ বনুৱাসকলেই টানৰো টান শিলহেন খনিজ লোণেৰে এনে অভাৱিত চহৰ এখন সাজি উলিয়ালে। এইখন লুণীয়া চহৰত এখন গিৰ্জা, এখন ৰেল-ষ্টেশ্যান, আনকি নাচঘৰো আছে। এইবোৰ খনিজ লোণ খান্দিয়েই সাজি উলিউৱা হৈছে!

মইনো কোন ?

১. মই এটি ঠেং-চুটি চৰাই। মই উৰিব নোৱাৰোঁ কিন্তু বৰ ভাল সাঁতুৰিব পাৰোঁ।
২. বহু ফালৰেপৰাই মানুহৰ সৈতে মোৰ মিল আছে। কিন্তু মই আঙুলিৰ গাঁঠিৰে খোজ কাঢ়োঁ।
৩. ময়েই পৃথিৱীৰ বৃহত্তম জন্তু।
৪. মই উৰিব নোৱৰা চৰাই। মই যিখন দেশৰ, সেইখন দেশৰ মানুহক প্ৰায়েই মোৰ নামেৰে মতা হয়।

৫. মই চৰাইহঁতৰ মাজত বৃহত্তম।
৬. মোৰ এটি কুঁজ আছে, আৰু সেইহে মোক মৰুভূমিৰ জাহাজ বুলি কোৱা হয়।
৭. মোক অস্ট্ৰেলিয়াৰ বনৰীয়া কুকুৰ বুলিও কোৱা হয়।

ফন্দে ফান্দে

ভুলৰ মাছুল

গৌৰৱে কথাটা কেনেবাকৈ গম পালে যে — কলেজৰ হস্টেলত থকা ল'ৰা এজনৰ কোঠাত বুজন পৰিমাণৰ টকা আছে। গৌৰৱে সিহঁতৰ ঘৰৰ কাষৰ দোকান এখনৰপৰা ছাইকেল এখন ভাড়ালৈ ল'লে আৰু জোৰেৰে চলাই সেই হস্টেল পাই সেই ঠাইত থকা ছাইকেল থোৱা ঠাইত ছাইকেলখন থৈ দিলে। তাৰ পাছত সি খুটখুটি বগাই গৈ গৈ সেই ল'ৰাজনৰ কোঠাৰ দুৱাৰত বৈ দিলেগৈ। কোঠাৰ দুৱাৰত তলা। কিন্তু গৌৰৱে চকুৰ পচাৰতে তলা খুলি পেলালে আৰু কোঠাৰপৰা টকাখিনি লৈ বেগাই নামি আহি পুনৰ ছাইকেলত উঠি বেগাই গুচি যাবলৈ ধৰিলে। ইমান নিৰ্বিঘিনিৰে কাম হৈ যোৱাত সি ৰংমনে সুহুৰিয়াই-সুহুৰিয়াই ছাইকেল চলাই আছিল। কিন্তু — কিন্তু হঠাৎ তাৰ মূৰত যেনিবা সৰগ পৰিল। এটা মাৰাত্মক ভুল কৰিলে সি। সি নিমিষতে ছাইকেল ঘুৰাই লৈ বিজুলীগতিৰে পুনৰ হস্টেল পালেহি। কিন্তু তিমাতে ফুটবল-খেলা চাই ল'ৰাহঁত হস্টেললৈ উভতিলেই ! গতিকে—সি পুনৰ বলিয়াৰ দৰে ছাইকেল চলাই তাৰপৰা নোহোৱা হৈ গ'ল; কিন্তু ঘৰলৈ নগ'ল, কিয়নো তাৰ সেই মাৰাত্মক ভুলৰ কাৰণে পুলিছে যে তাক বিচাৰি আহিবই—সেই কথাত তাৰ মনত সন্দেহ নাছিল। ভুলৰ মাছুল দিবই লাবি।

সি ভুল কৰি কি শুং-সূত্ৰ এৰি থৈ আহিছিলনো ?

চালি–জাৰি চোৱা চাল !
এয়া জাল নেদেখাৰ জাল !

১. মৌ-মাখিয়ে জঁপিয়াব বা উৰিব নোৱাৰে কিয় ?

২. অস্ট্ৰেলীয় জনজাতীয় ব্যুমেৰাং নামৰ যি অস্ত্ৰ দলিয়ায়, সেই অস্ত্ৰ পুনৰ তাৰ ওচৰলৈ ঘূৰি আহে। আনকি এটা টেনিছ বলেৰেও এই একেই কৌশল কৰিব পাৰি। কেনেকৈনো ?

৩. এই চিত্ৰত ভুল আছে। কি ভুল ?

৪. মোৰ বন্ধু এজনে এখিলা কাগজ আৰু এডাল পেন্সিল ল'লে আৰু মোক ক'লে, "মই মোৰ বাঁওকাণেৰে লিখিব পাৰোঁ।" মই তেতিয়া চ্যালেঞ্জ কৰাত সি কৰি দেখুৱালে। কেনেকৈনো ?

৫. তোমাৰ কমালখন ওপৰত যদি হাতী এটা বহি দিয়েহি, কি কৰিবা ?

৬. দামুৰি এবছৰীয়া হোৱাৰ পাছত তাক কি বোলে ?

৭. কিনো সেই কাম — যি কাম সকলোটিয়েই একে সময়তে কৰে ?

কৰি-ধৰি

ফুটফুটীয়া কুকুৰ-কুঁকি

লাগতিয়াল বস্তু :

দুটা খালী হৈ থকা জুইবাহৰ খোলা, তিনিডাল আইছক্ৰিমৰ কাঠৰ চটি, জুইবাহৰ খোলা মেৰিয়াব পৰাৰ জোখাৰে কাগজ এখিলা, এখন কলম-কটা কটাৰী, ক'লা চিয়াহীৰ কলম এডাল আৰু এঠা।

পদ্ধতি :

১. জুইবাহৰ খোলা দুটা কাগজেৰে মেৰিয়াই লোৱা। আইছক্ৰিমৰ চটি দুডাল ক'লা চিয়াহীৰে বোলাই লোৱা।

২. এটা জুইবাহৰ তলিত আইছক্ৰিমৰ চটি এডাল ভৰাই অলপমান উলিয়াই লোৱা আৰু দ্বিতীয় জুইবাহৰ খোলাটোৰ ওপৰৰফালে তেনেকৈ কৰা।

৩. আইছক্ৰিম দ্বিতীয়ডাল চটি আধাখিনিমান কাটি পেলোৱা তাৰ পাছত জুইবাহৰ খোলা এটাত সেই আধাখিনিৰে এডাল নেগুৰ আৰু হাতোৰা সাজাঁ। তৃতীয় চটিডাল কাটি লোৱা আৰু খোলাৰ দুয়োকাষে ওলোমা কাণৰ দৰে এঠাৰে লগাই দিয়া।

৪. এটা চকু আঁকা, হাঁহিথকা মুখ আঁকা, আৰু মুখৰ ওপৰত ফুটফুটীয়া দাগ দিয়া। বছ, তোমাৰ কুকুৰ-কুঁকি হৈ গ'ল।

আঁকো আহাঁ

ইংৰাজি
5 সংখ্যাৰে

খঙাল চৰাই

আৰু 6 সংখ্যাৰে

কান্দুৰা !

সোণালী দুৱাৰ-১৫-ৰ-উত্তৰ

পৃথিৱীৰ ক'ত

১. গুয়াতেমালা, দক্ষিণ আমেৰিকা। ২. জাটিঙ্গা, অসম।
৩. ইস্তানবুল, তুৰস্ক।

চিত্ৰ-সাঁথৰ

১. অকট'পাছ ২. হাঙৰ ৩. তৰামাছ ৪. ডলফিন ৫. সাগৰীয় কাছ ৬. জেলিমাছ।

ফন্দে-ফান্দে

খিৰিকীৰ কাচ বাহিৰফালতে ভগাহেঁতেন কাচৰ ভগা টুকুৰাবোৰ ঘৰৰ মজিয়াতে পৰিলহেঁতেন। কাচৰ টুকুৰাবোৰ উদ্যানত পৰাত খিৰিকীৰ কাচ কক্ষৰ ভিতৰফালৰপৰা ভঙাৰ কথা প্ৰমাণিত হয়। ঘৰৰ পৰীয়াটোৱেই আছিল ঘৰত থকা একমাত্ৰ মানুহ। গতিকে সিয়েই যে চোৰ সেই কথাৰ দ্বিতীয় প্ৰমাণ আৰু নালাগে।

মূৰৰ ঘাম

১. এটা পিয়লাত এটা, এটাত দুটা, আৰু আন এটা পিয়লাত ৩ টা চেনিৰ কিউব থৈ পিয়লাৰ ওপৰত পিয়লা থৈ দিলেই বিযোৰ সংখ্যা হ'ব। ২. তোমাৰ মাতৃ ! ৩. কয়লা। ৪. যদি সজাত বান্দৰ এটা ভৰাই থোৱা, সজাটো খালী হৈ নাথাকে। ৫. কিয়নো সিহঁতে খোজ কাঢ়িব নোৱাৰে। ৬. ঘড়িটো বন্ধ।

© Amrita Bharati, Bharatiya Vidya Bhavan, 1997

৩৯

পাণ্ডৱসৱৰ অজ্ঞাতবাসৰ পাঁচ মাহমান পূৰিল। মৎস্যদেশত তেতিয়া ব্ৰহ্মোৎসৱৰ আয়োজন চলি আছিল। এই উৎসৱত ভাগ ল'বলৈ অনেকানেক দেশৰপৰা অসংখ্য মানুহ মৎস্যদেশলৈ আহিল। বিৰাটৰাজ আছিল মল্লযুদ্ধৰ অন্যতম পৃষ্ঠপোষক আৰু মল্লযুদ্ধৰ বিষয়ে বিশাৰদ। ব্ৰহ্মোৎসৱৰ অন্যতম প্ৰধান আকৰ্ষণ আছিল মল্লযুদ্ধ। আৰু—এই মল্লযুদ্ধৰ প্ৰধান আকৰ্ষণ আছিল জীমূত নামৰ এক খ্যাতিমান মল্লযোদ্ধা।

মল্লযোদ্ধা জীমূত প্ৰতিবাৰেই উৎসৱ উপলক্ষ্যে আছে, প্ৰতিবাৰেই প্ৰত্যেক মল্লযোদ্ধাক পৰাজিত কৰে। এইবাৰো তাৰ ব্যতিক্ৰম নহ'ল। কত যে মল্লযোদ্ধা কত ঠাইৰপৰা যে আহিল, কিন্তু জীমূতে সকলোকে জঁৱৰিৰ মূৰ খুৱালে, বেয়াকৈ হৰুৱালে। কিছুমান মল্লযোদ্ধাই জীমূতৰ বিৰুদ্ধে যুঁজাৰপৰা ফালৰি কাটিলে, কিছুমানে জীমূতৰ মুখ-দৰ্শনো নকৰিয়েই পাটী ল'লে, পত্ৰং দিলে।

এমতাবস্থাত, জীমূত পালোৱানক যেতিয়া একপক্ষীয়ভাবেই বিজয়ী বুলি ঘোষণা কৰিবলৈ মহামন্ত্ৰী সাজু হ'ল, তেতিয়া বিৰাটৰজাই তেওঁৰ মহামন্ত্ৰীক ৰখাই ৰান্ধনিমানুহ বল্লভৰূপী ভীমক মতাই অনালে আৰু জীমূতৰ সৈতে যুঁজিবলৈ ক'লে।

তাৰ পাছত আৰম্ভ হ'ল দেখাত দুটা পৰ্বতহেন জীমূত আৰু ভীমৰ তয়াময়া। এই যুঁজ চাই দৰ্শকসকলে অবিৰাম হৰ্ষধ্বনি কৰি থাকিল। অকস্মাৎ ভীমে জীমূতক শূন্যলৈ দাঙি পাক খুৱাবলৈ ধৰিলে, আৰু এসময়ত ভয়ংকৰ হুংকাৰৰে সৈতে বহুদূৰলৈ দলিয়াই পেলালে। জীমূত তৎক্ষণাৎ ঢুকাল। ভীমক বিজয়ী হিচাপে ঘোষণা কৰা হ'ল আৰু প্ৰচুৰ ধন-সোণ উপহাৰ-পুৰস্কাৰ হিচাপে দিয়া হ'ল।

'কলিয়ে-পোৱা কীচক-কথা'

বৃহন্নলারূপী অর্জুন অন্তেষপুৰত আছিল আৰু অন্তেষপুৰৰ সকলোকে নৃত্যশিক্ষা দিছিল, আৰু প্ৰচুৰ উপহাৰ-পুৰস্কাৰ লভিছিল। নকুলেও তেওঁৰ ঘোঁৰাশালৰ কামত দক্ষতা প্ৰদৰ্শন কৰি বিৰাটৰজাৰপৰা বাহ্‌বাহী পোৱাৰ উপৰি পুৰস্কাৰ লাভ কৰিছিল। সহদেৱেও বনৰীয়া হিংস্ৰ ষন্ডবিলাকক ঘৰচীয়া কৰি মহাৰাজৰ প্ৰিয়তা আৰ্জিছিল, পুৰস্কাৰো পাইছিল।

কিন্তু পাণ্ডৱসকলৰ ইমান কষ্টকৰ কাৰ্য্যাৱলী চাই দ্ৰৌপদী শোকগ্ৰস্তা হৈছিল।

যেতিয়া পাণ্ডৱৰ অজ্ঞাতবাসৰ কাল শেষ হওঁ হওঁ, ঠিক তেতিয়াই সিংহবল নামৰ কীচকে দ্ৰৌপদীক দেখা পালে। কীচক আছিল বিৰাটৰজাৰ খুলশালি, ৰাজ্যৰ সেনাধিপতি। দ্ৰৌপদীৰ সৌন্দৰ্য্যমুগ্ধ কীচক বলিয়াহেন হৈ উঠিল। কীচকে তাৰ ভনীয়েক সুদেষ্ণাক ক'লে, "মই এনেহেন সুন্দৰী জীৱনতো আৰু দেখা নাই। এই সুন্দৰীক কিয় লিগিৰীৰ কামত লগোৱা হ'ল? এই সুন্দৰীক মই যদি পাওঁ— মই তাইক সুখৰো উপৰি সুখ দিম। মই সৌন্দৰ্য্যৰ পূজাৰী।"

আৰু — এদিন ছেগ পাই কীচকে তাৰ মনৰ বাসনাৰ কথা দ্ৰৌপদীক কৈয়েই পেলালে। দ্ৰৌপদীয়ে কীচকক ক'লে, "মোক এনেবোৰ কথা নোকোৱা, তোমাৰ অনিষ্ট হ'ব। মই কোনোবা এজনৰ পত্নী।"

"মোৰ প্ৰস্তাৱ উপেক্ষা নকৰিবা, পাছত কিন্তু পস্তাব লাগিব। এই ৰাজ্যৰ আৰু ৰজাৰো ময়েই আধাৰ। মোৰ ওচৰত তুমি তোমাৰ ৰূপ-যৌৱনৰ যি মূল্য পাবা — আন ক'তো নোপোৱা। মোৰ অঙ্কশায়িনী হোৱাঁ, জগতৰ সমস্ত সুখৈশ্বৰ্য্য তোমাৰ হ'ব। যৌৱনৰ পৰমানন্দ ভোগ কৰাঁ, কিয়নো এনেহেন ফুলাম যৌৱনক অথলে যাবলৈ দিছা?"

ক্ৰুদ্ধা দ্ৰৌপদীয়ে কীচকক ক'লে, "যদি মোৰ মোহমুক্তনোহোৱা, তোমাৰ মস্তকোপৰি মহাখড়্গ ওলমি থকা বুলি জানি থোৱা। মোৰ পঞ্চ গন্ধৰ্ব পতিয়ে সদা সৰ্বক্ষণেই মোক ৰক্ষা কৰি আছে, ৰক্ষা কৰি থাকিব।"

কিন্তু তথাপি কীচক নদমিল। এদিন কীচকে তাৰ ভনীয়েক সুদেষ্ণাক ক'লে যে — এই লিগিৰী সৈৰিন্ধ্ৰীক যেনেকৈয়েই নহওক—মই মোৰ কৰিম। কিন্তু তাই লিগিৰীয়ে একোপধ্যেই সেও হোৱা নাই। ঠিক আছে, দেখা যাব।

সুদেষ্ণাই ভায়েক কীচকক সতৰ্ক কৰিলে আৰু ক'লে, "সৈৰিন্ধ্ৰী এতিয়া মোৰ আশ্ৰয়ত আছে। তাইক মই ৰক্ষা কৰিম বুলি বচনবদ্ধা হৈছোঁ। তাইৰ যে পঞ্চপতি আছে—তাইক কামত লোৱাৰ আগতেই মোক সেই কথা কৈছিল। তুমি মোৰ সহোদৰ, সেইহে তোমাক সকলো কথা বুজাই কৈছোঁ, যাতে তোমাৰ কোনো অনিষ্ট নহয়। কিন্তু যদি তুমি যেনেতেনে বুধিয়ে-কৌশলে সৈৰিন্ধ্ৰীক নিজৰ কৰি লোৱাৰ চেষ্টা কৰা তোমাৰ সংকট অনিবাৰ্য্য।"

"সহস্ৰ গন্ধৰ্বয়ো মোৰ নোম এডালিও ছিঙিব নোৱাৰিব। আনকি-পতিব্ৰতা তিৰোতাহঁতেও মোৰ প্ৰতি আকৰ্ষিতা নোহোৱা নোহয়, সৈৰিন্ধ্ৰীনো কোন কুটা? তাই সুন্দৰী, কিন্তু লিগিৰী মাথোন। যি কি নহওক — তাইক মোক লাগেই। তুমি মোক এইকণ কাম কৰি দিয়া।"

"হাৰে পাপিষ্ঠ! তুমি নিজেও পাপ কৰিছা, আৰু মোকো পাপকাৰ্য্যলৈ প্ৰলোভিত কৰিছা। জানি থোৱা, তোমৰ পাপৰ ফলত আমাৰ কুলৰো সৰ্বনাশ হ'ব। যি কি নহওক, তুমি সুৰা আৰু মিষ্টান্ন প্ৰস্তুত কৰাগৈ, মই সেইখিনি অনাবলৈ সৈৰিন্ধ্ৰীক তোমাৰ ওচৰলৈ পঠাম। তাইক যে তুমি কেনেকৈ সেও কৰিবা, তুমিহে জানা।" সুদেষ্ণাই ক'লে।

কীচকে সুদেষ্ণাই কোৱামতেই কৰিলে, আৰু সৈৰিন্ধ্ৰী অহালৈ বৈ থাকিলে।

সুদেষ্ণাই দ্ৰৌপদীক ক'লেগৈ, "সৈৰিন্ধ্ৰী, মই তৃষ্ণাৰ্তা বোধ কৰিছোঁ। তুমি কীচকৰ গৃহৰপৰা সুৰা লৈ আহাঁগৈ।"

"দেৱী, মই তেওঁৰ গৃহলৈ নাযাওঁ। তেওঁ যে মোহাৱেশত দৃষ্টিহীন হৈছে—আপুনিও জানে। মই যদি তেওঁৰ গৃহলৈ যাওঁ, তেওঁ মোক নিশ্চয় অপমান কৰিব। আপোনাৰ আৰু অনেক লিগিৰী আছে, আন কোনোবাজনীক তালৈ পঠাওক।" দ্ৰৌপদীয়ে ক'লে।

"যি স্থলত মই তোমাক সুৰা আনিবলৈ পঠাম, কীচকে তোমাক স্পৰ্শ কৰিবলৈ সাহসী হ'বনে?" এই বুলি কৈ, সুদেষ্ণাই দ্ৰৌপদীৰ হাতত স্বৰ্ণপাত্ৰ দিলে আৰু ৰাণীৰ আদেশ পালন কৰাৰ বাহিৰে উপায় নথকাত দ্ৰৌপদী বাধ্যত পৰি কীচকৰ গৃহলৈ গ'ল।

দ্ৰৌপদীক তাৰ গৃহলৈ অহা দেখা পায়েই কীচকক বাস্তৱিকতে কলিয়ে পালে, আৰু কলিৰ নাৱকী কীচকৰ চকুত ক্ৰূৰ অভিসন্ধিৰ

আভাস দেখা দিলে। তপিনাত গোৰ লগাই কীচকে কৈ উঠিল, "সুন্দৰী, আহাঁ, আহাঁ। তুমি মোৰ প্ৰাণৰো প্ৰাণ ! তুমি যে নিজেই আহিলা — মোৰ সৌভাগ্য। আহাঁ, মোৰ মনোবাসনা পূৰ কৰাঁ। আটকধুনীয়া সাজ-পাৰেৰে, হীৰা-মণি-মুকুতাৰে নিজক সাজোৱাঁ, মদিৰা পান কৰাঁ, যৌৱনৰ মাদকতাময় আনন্দৰ সাগৰত উটি থাকাঁ, সুখৰ সাগৰত সাঁতুৰি থাকাঁ, আহাঁ মোৰ প্ৰাণসুন্দৰী — আহাঁ —।"

"মহাৰাণী দেৱীয়ে মোক সুৰা লৈ যাবলৈহে ইয়ালৈ পঠালে, সুৰা দিয়ক, মই সুৰা লৈ যামগৈ।" দ্ৰৌপদীয়ে ক'লে।

"তুমি কিয় তোমাৰ লৱণুকোমল হস্তেৰে সুৰা কঢ়িয়াই নিব লাগে ? সুৰাৰ পাত্ৰ কঢ়িয়াবলৈ আন বহুতো আছে। মই পঠাই দিছোঁ।" এই বুলি কৈ থাকোঁতেই কলিৰ নাৰকী কীচকে দ্ৰৌপদীৰ হাত এখনত ধৰি টনা-আজোঁৰা কৰি থাকিল। দ্ৰৌপদীয়ে কীচকক ঠেলা মাৰি বগৰাই পেলাই দৌৰি দৌৰি বিৰাটৰজাৰ ৰাজসভা পালেগৈ। কীচকে তথাপি দ্ৰৌপদীৰ পিছ লৈ লৰৰি গৈ দ্ৰৌপদীৰ কেশত থাপ মাৰি ধৰি দ্ৰৌপদীক ৰখালে। এই দৃশ্য স্বয়ং বিৰাটৰজাই দেখা পালে।

ধৰ্মৰাজ আৰু ভীমৰ দৃষ্টিৰ সমুখতেই এনেহেন ঘটনা ঘটিল। সেই মুহূৰ্ততে ভীমে কীচকক বধিবলৈ মন মেলিলে। বল্লভৰূপী ভীমৰ চকুত দুকুৱা জুই ভমকি উঠিল। ভীমে নিজক সংযত কৰিব নোৱাৰি অদূৰতে থকা বিৰাট বিৰিখ এজোপাক উভালি আনিবলৈ

খোজ বঢ়ালে। ধৰ্মৰাজে ভীমৰ ভৰিৰ পতাত ভৰিৰে হেঁচি ক'লে, "কি কৰা, খৰিকাঠৰ প্ৰয়োজনত সেই গছজোপাকে উভালিবানে ? দূৰত আৰু অনেক গছ পাবা, তাৰ শুকান ডালবোৰ আনিলেই হৈ যাব।"

দ্ৰৌপদীয়ে তেওঁৰ পতিসৰৰ অসহায়তাৰ কথা সুঁৱৰি অগ্নিসম ক্ৰুদ্ধ দৃষ্টিৰে বিৰাটৰজালৈ চালে আৰু বিৰাট ৰজাক ক'লে, "এই নীচাশয়ে মোক অপমান কৰিলে, আৰু মোৰ বচনৱদ্ধ-কালৱদ্ধ গন্ধৰ্ব পতিসৰে ইয়ালৈ উপস্থিত হ'ব নোৱাৰি মোক ৰক্ষা কৰিব নোৱাৰিলে। কিন্তু — আপুনি ৰজা, ৰজায়ো মোক এক নীচ-পাপিষ্ঠৰ কবলৰপৰা ৰক্ষা কৰিব নোৱাৰেনে ? নাৰীৰ সম্ভ্ৰম ৰক্ষা — ৰজাৰ কৰ্তব্য নহয়নে ? যদিহে কৰ্তব্য — কিয়

নাই, নিশ্চয় তাৰো যথেষ্ট যুক্তিপূৰ্ণ হেতু বিদ্যমান। তথাপি কওঁ, এদিন-নহয়-এদিন তোমাৰ সেই গন্ধৰ্ব পতিসৱে নিশ্চয়েই ইয়াক দণ্ড দিব। এতিয়া তুমি ৰাজসভা এৰি গুচি যোৱাই শ্ৰেয়ঃ।"

দ্ৰৌপদী সুদেষ্ণাৰ কক্ষলৈ উভতি আহিল আৰু নিমাতে-নিৰৱে বহি থাকিল। দ্ৰৌপদীয়ে ভাবি থাকিলঃ পাপিষ্ঠ নীচাশয় কীচকক যেনেকৈয়েই নহওক বধিবৰ বন্দৱস্ত কৰিব লাগিব।

নিশাৰ দুপৰ পৰতে দ্ৰৌপদী ভীমৰ কাষ চাপিল। ভীম তেতিয়ালৈকো সাৰে আছিল। অপমান-জৰ্জৰিত অতি ক্ৰোধান্বিত ভীমে আন শয্যা স্পৰ্শও কৰা নাছিল। দ্ৰৌপদীয়ে ভীমক ক'লে, "জীৱিতই কিয় মৃতৰ দৰে হৈ থাকিব? পৰিপূৰ্ণ ৰাজসভাত ব্যক্ত হৈ পৰা পত্নীৰ অপমান—নিৰৱে সহি থাকিবনে?"

ভীমে ক্ষন্তেকমানৰ অন্তত দ্ৰৌপদীক ক'লে, "যদি মোৰদ্বাৰা কিবা কাম হয় বুলি ভাবিছা, কোৱাঁ, অৱশ্যেই কৰিম।"

"সকলো কথা জানিও কিয় এনেকৈ কৈছে? আপোনাৰ জুৱাৰী জ্যেষ্ঠভ্ৰাতাৰ কাৰণেহে ইমান নিদাৰুণ অপমান সহিবলগীয়া হৈছোঁ।" ক্ষুব্ধা দ্ৰৌপদীয়ে ক্ষোভিত কণ্ঠেৰে ভমকি উঠা ভীমক ক'লে।

তদুত্তৰে ভীমে ক'লে, "পাপিষ্ঠৰো পাপিষ্ঠ সেই কীচকক বধ কৰি মই তেতিয়াই তাৰ তেজ পি-খালোহেঁতেন। কিন্তু ধৰ্মৰাজে মোক বাধা দিলে। আৰু কিছুদিনলৈ অপাৰ সহন-শকতিৰ চিনাকি দিয়া, ধৈৰয ধৰাঁ। তুমি

এই দুৰাচাৰীক নবধি হাত-সাৰটি বহি থাকিছে?" তাৰ পাছত দ্ৰৌপদীয়ে ৰাজসভাস্থ নিশ্চুপ-নিথৰ সকলোটিলৈ চালে আৰু ক'লে, "ৰজা আৰু কলিৰ নাৰকী কীচকৰ দৰে আপোনালোকেও আপোন কৰ্তব্য বিস্মৃত হ'লনে?"

তেতিয়া বিৰাটৰজাই দ্ৰৌপদীক ক'লে, "কি কথাত যে তোমালোকৰ মাজত বিবাদ উপস্থিত হৈছে — মই জ্ঞাত নহওঁ। আৰু— অজ্ঞাতভাৱে মই কেনেকৈনো কি কওঁ, কি কৰোঁ?"

ধৰ্মৰাজে দ্ৰৌপদীলৈ চালে আৰু ক'লে, "ইয়াত চিৎকাৰী থকাত কোনো সুফল নাই। অন্তেষপুৰলৈ গুচি যোৱাটোৱেই উত্তম হ'ব। তোমাৰ পতিসৱে যে তোমাক ৰক্ষা কৰিব পৰা

অৱশ্যেই মহাৰাণী হ'বা।"

"এই ঘোৰ অপমানৰ জ্বালা মই সহিব নোৱৰা হৈছোঁ। মই মহাৰাণী হ'ম — এই মিথ্যাৰে মই শান্তি-সান্ত্বনা লভিব পৰা নাই। এইবোৰ-এনেবোৰ ফুটুকাৰ-ফেনীয়া কথাৰে কি বা লভ্য? তাতকৈ—এই দুৰ্ঘোৰ অপমানৰ প্ৰতিকাৰৰ পথ কি — সেই কথা চিন্তা কৰি চাওক। মোৰ ওপৰত কেৱল কীচকৰে নহয়, স্বয়ং বিৰাটৰজাৰ দৃষ্টিও নিবদ্ধ হৈছে, কিয়নো —মই দেখাত সুদেষ্ণাতকৈ সুন্দৰী। আৰু— এই কোৰ মাত জানিয়েই কীচক কুকুৰে লাই পাই কলিজা খোৱা কীচক ইমান সাহিয়াল হৈ উঠিছে। নাৰী সুন্দৰী হোৱাটো অবাঞ্চনীয়, কিন্তু জনমত কাৰো হাত নাথাকে। কীচকৰ ভগ্নী সুদেষ্ণা মহাৰাণীয়েও বোধ হয় জানি-বুজিয়েই সুৰা লৈ আহিবলৈ মোক কীচকহেন নীচাশয়ৰ গৃহলৈ প্ৰেৰণ কৰিছিল। তাত সি নীহকুলীয়াই মোৰ হাতত ধৰিছিল, তথাপি কেনেবাকৈ তাক বগৰাই পেলাই দৌৰি দৌৰি ৰাজসভা পাইছিলোঁহি। তাৰ পাছত ঘটা ঘটনাৰ সাক্ষী প্ৰত্যেকেই। এই পাপীক যমৰ আলহী নকৰালৈকে মোৰ মনত সামান্য শান্তিও নাই-নহ'ব। ইয়াক নবধিলে মই আত্মঘাতিনী হ'ম।" দ্ৰৌপদীয়ে বিলাপ কৰি থাকিল।

ভীমে দ্ৰৌপদীৰ চকুলো মচি দিলে আৰু ক'লে, "তুমি যেনেকৈ বধিবলৈ ক'বা—মই তেনেকৈয়েই সেই পাপমতিক বধিম। কিন্তু তুমি এটা কাম অৱশ্যেই কৰি দিবা। তুমি তোমাৰ শোকাশ্ৰু সংযত কৰি, দেহত চকু-মুখত আনন্দৰ লহৰ তুলি সেই নীচ পাপাত্মা কীচকৰ ওচৰলৈ যাবা, আৰু তাৰ নীচ বাসনা পূৰণ কৰাৰ বাবে যে তাৰ ওচৰলৈ গৈছা — তেনেহেন ভাৱ-ভংগী কৰি থাকিবা। এই অন্তেষপুৰৰ নৃত্যশালাত দিবাকালত নৃত্যচৰ্চা হয়, নৃত্য শিক্ষা দিয়া হয়; কিন্তু ৰাতিৰ পৰতে এই নৃত্যশালা নিৰ্জন-নিজম। তুমি মাজনিশা কীচকক তাৰ অসৎ ইচ্ছা পূৰণ কৰিবলৈ এই নৃত্যশালালৈ কাকপক্ষীয়েও নজনাকৈ-নগমকৈ আহিবলৈ ক'বা। তাৰ পাছত যি কৰিব লাগে—যি কৰা উচিত—সেই উচিত কড়ি মই তাক দিম। তাক গৰা মাৰি ধৰি জীয়ন্তে তাৰ হাড়বোৰ গুড়ি কৰি পেলাম। তাৰ মুখখন বস্ত্ৰেৰে বান্ধিম, সামান্যমান কোনো ৰাও-শব্দো সি কৰিব নোৱাৰিব।" [আগলৈ



বাতৰিত আজি কৰাতৰ কাজী

ছয়তে ছাটা

সৰু সৰু ল'ৰা-ছোৱালীহঁতে মটৰগাড়ীৰ বনেটৰ ওপৰত বহি ফটো উঠাবলৈ ভাল পায়। নহয়নে বাৰু ? কিন্তু— ছবছৰীয়াই মটৰগাড়ী চলায়ো ভাল পায়নে ? চেন্নাইৰ —মানে—মাদ্ৰাজৰ বনগ্ৰাম অঞ্চলৰ শ্ৰীঅধিনিয়া ম্যাট্ৰিকুলেশ্যন স্কুলৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰ, যি-ছাত্ৰটিয়ে মাত্ৰ যোৱা বছৰ কে.জি পাচ কৰিলে, সেই ছবছৰীয়া সাদাশিৱনে মাৰুতিৰ 'ওম্‌নি' গাড়ী চলাইছে! মুৰলী আৰু পদ্মাৱতীৰ পুত্ৰ এই ছবছৰীয়াই যোৱা জানুৱাৰিবেপৰাই মটৰগাড়ীৰ স্টিয়েৰিঙত ধৰা হৈছে! ছবছৰীয়া মটৰগাড়ী চলোৱাতে প্ৰথম নহয়, পঢ়া-লিখাতো প্ৰথম হয়, বিদ্যালয়-আয়োজিত বাগ্মিতাতো প্ৰথম হয়।

স্টিয়েৰিঙত সদাশিৱন

ন-তে ন-নজিৰ...

ন-বছৰীয়া তথাগত অৱতাৰ তুলসী এই বিশ্বৰেকৰ্ডৰ

অধিকাৰী হ'ল। তথাগতই তাৰ ন-বছৰ বয়সত ছিবিএছি-ৰ (ছেন্ট্ৰাল ব'ড অব্ ছেকেণ্ডাৰি এডিউকেশ্বন) ১০ম শ্ৰেণীৰ পৰীক্ষা দিলে। কেনেকৈনো ৯-বছৰীয়াই এই অসম্ভৱকো সম্ভৱ কৰিলে ? তথাগতই কোনোদিনেই নাৰ্ছাৰিত পঢ়া নাছিল, পোনে পোনেই তৃতীয় শ্ৰেণীত নাম লগাইছিলগৈ। তৃতীয় শ্ৰেণীত নাম লগাইছিল, কিন্তু সেই একে বছৰতে সি চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ পাঠ্যক্ৰমো পঢ়ি পেলালে আৰু পঞ্চম শ্ৰেণীৰ পৰীক্ষাও দিলে। পঞ্চম শ্ৰেণীৰ পৰীক্ষাত সহজেই উত্তীৰ্ণ হৈ তথাগতই ক্লাছ থ্ৰিৰপৰা একেজাঁপে ক্লাছ ছিক্স পালেগৈ। ১৯৯৫

চনত তথাগত দিল্লীৰ ছিবিএছিৰ পাবলিক স্কুলৰ সপ্তম শ্ৰেণীত ভৰ্তি হ'লগৈ। ১৯৯৬-৯৭ লৈকে অষ্টমশ্ৰেণীত পঢ়ি থাকিল, কিন্তু লগতে নৱম-দশমশ্ৰেণীৰ পাঠ্যক্ৰমো পঢ়িলে আৰু অষ্টমৰ সলনি দশমশ্ৰেণীৰ পৰীক্ষা দিবলৈ বিদ্যালয়-কৰ্তৃপক্ষৰপৰা অনুমতি বিচাৰিলে। কিন্তু বিদ্যালয়-কৰ্তৃপক্ষই এই অনুমতি নিদিলে, কিয়নো তথাগতই দশমশ্ৰেণীত পৰীক্ষাত বহাৰ বাবে আৱশ্যকীয় বয়স পোৱাহি নাই। তেতিয়া তথাগতৰ দেউতাক আদালতলৈ গ'ল, আৰু আদালতে দশমশ্ৰেণীৰ পৰীক্ষাত বহাৰ অনুমতি দিয়াত তথাগতই তাৰ মাত্ৰ নও বছৰ বয়সতে ম্যাট্ৰিকুলেশ্বন-পৰীক্ষাত উত্তীৰ্ণ হৈ বিশ্বৰেকৰ্ডৰ অধিকাৰী হ'ল!

পোন্ধৰতে পাগ-টান...

ছাৰ্কাছতৰ মজিয়াত চাৰি পাতি শুই থকা কোনোবা এজন পালোৱানৰ বুকুৰ ওপৰেদি মটৰগাড়ী চলাই যোৱাৰ দৃশ্য বাহুতেই দেখিছে—দেখে। কিন্তু বিহাৰৰ ধানবাদৰ পোন্ধৰ বছৰীয়া সুমিতাজনীয়েও যে ১,৫৫০ কিলো ওজনৰ মটৰগাড়ী হেলাৰঙে পেটৰ ওপৰত ল'ব পাৰে, ৩,২০০ কিলো ওজনৰ ট্ৰাক তাইৰ পেটৰ ওপৰেদি স্বচ্ছন্দে চলাই যাবলৈ দিব পাৰে—সেই কথা যদিও বৰ বেছিয়ে নাজানে, তথাপি এই বিষয়ে সুমিতা সিং বিশ্বৰেকৰ্ডৰ অধিকাৰিণী হ'ল। সুমিতাই ইলেকট্ৰিকৰ বাল্‌বৰ কাচ হেলাৰঙে চোবাই খায়, পেটৰ ওপৰত ১০০০ কিলো ওজনৰ শিল ৫ কিলো ওজনৰ গধুৰ হাতুৰীৰে কোবাই টুকুৰা-টুকুৰ কৰিবলৈ দিয়ে—তাইৰ এনেবোৰ কথা-কাণ্ড চাই আমাৰহে পেটৰ ভাত চাউল হোৱাৰ উপক্ৰম হয়!

চান্দমামা কোলাৰ কাকত ১০৬

শোভাময় ভাৰত

শ্ৰাৱণবেলাগোলালৈ এভুমুকি



©1997 UBC Feature World. All rights reswrved

শ্ৰাৱণবেলাগোলা—বেংলুৰু অৰ্থাৎ ব্যাংগালোৰ চহৰৰপৰা ১.৬ কিল'মিটাৰ নিলগত অৱস্থিত। ইয়াত 'ইন্দ্ৰাদি' নামক পাহাৰৰ ওপৰত প্ৰভু গোমতেশ্বৰৰ মূৰ্তি বিদ্যমান। এই 'বাহুবলি' মূৰ্তি সোতৰ ফুট ওখ এটীয়া শিলেৰে সজোৱা হৈছিল।

বাৰ বছৰত এবাৰকৈ ইয়াত 'মহামস্তকাভিষেক' মেলা পতা হয়, আৰু দেশৰ দূৰ-দূৰান্তৰপৰা অসংখ্য ভক্ত-দৰ্শনাৰ্থী মানুহ-মুনিহ প্ৰভু গোমতেশ্বৰক দৰ্শন কৰিবলৈ তথা মেলালৈ ঢপলিয়াই আহে। ভক্ত নৰ-নাৰীয়ে প্ৰভু গোমতেশ্বৰলৈ পূজা-অৰ্ঘ্য আগবঢ়ায়। এই বিৰাট ওখ প্ৰভুমূৰ্তিক পূজিবলৈ বিৰাট বিৰাট আকাৰৰ ওখ-ওখ বেদিও সজোৱা হৈছে। এই বেদিৰ ওপৰত থিয় হৈ ভক্তসৱে প্ৰভুগোমতেশ্বৰক পূজে। ডাঙৰ ডাঙৰ কলহত গাখীৰ, এৰাঁ-গাখীৰ, নাৰিকলৰ পানী আদি ছটিয়াই ভক্তসৱে প্ৰভু গোমতেশ্বৰৰ মস্তকাভিষেক কৰে, অৰ্ঘ্যস্বৰূপে সোণ-ৰূপও দিয়ে।

৯৮১ খৃষ্টাব্দত মহাৰাজ ৰাচমল্লৰ সেনাপতি চামুণ্ডাৰায়ে এই মহা-মূৰ্তি সাজিছিল, যি মহা-মূৰ্তিলৈ আজিও অগণিত নৰ-নাৰীয়ে তেওঁলোকৰ অন্তৰৰ নিৰমল ভকতি নিবেদে।

হৰিতশ্ব

হৰিতশ্ব আছিল সংগীত প্ৰেমী ৰজা। তেওঁ স্বয়ং আছিল মহাসংগীতবিদ। তেওঁ অন্যান্য সংগীতবিশাৰদলৈকো যথোচিত আদৰ-সন্মান প্ৰদৰ্শন কৰিছিল। তেওঁ সংগীতশিক্ষাকাৰী সকললৈ সক্ৰিয় উৎসাহ যোগাইছিল। কিন্তু তেওঁৰ সমান সংগীতবিদ আন এজনো হোৱা নাছিল।

হৰিতশ্বৰজাই নাৰদমুনিক গীত-সংগীত শুনাইছিল, সৰস্বতী ব্ৰহ্মাক ওচৰত সংগীত পৰিবেশন কৰি আশীৰ্বাদ লভিছিল, মহাবিষ্ণুৱেও হৰিতশ্বক মতাই নি সংগীতসুধা পান কৰিছিল। হৰিতশ্বৰ সংগীত শুনি মহাবিষ্ণু মহা নিঃচিন্তভাৱে নিদ্ৰাভিভূত হৈছিল।

এবাৰ হৰিতশ্বৰজাই সংগীতৰ আদি দেৱাদিদেৱ মহাদেৱৰ সংগীত শুনাৰ সৌভাগ্য আৰ্জিছিল। মহাদেৱে শঙ্কৰ-ৰাগ গাই শুনাইছিল ৰজা হৰিতশ্বক। অন্তত মহাদেৱে হৰিতশ্বক এই ৰাগৰ বিষয়ে সোধাত হৰিতশ্বৰজাই দেৱাদিদেৱক ক'লে, "ৰাগ অতি উত্তম, কিন্তু গায়কৰ কণ্ঠত যোগ্য ভাৱৰ অভাৱ। শঙ্কৰৰাগৰ আলাপ অধিক শান্ত-প্ৰশান্ত হ'ব লাগিছিল।"

মহাদেৱে এই ৰাগেৰে সংগীতসুধা পৰিবেশন কৰোঁতে মনত ৰজা হৰিতশ্বৰ সংগীত-সামৰ্থ্যৰ কথা চিন্তি থকাত যে তেওঁৰ কণ্ঠস্বৰতো দ্বিধা প্ৰকাশিত হৈছিল, সেই কথা জানিও মহাদেৱে হৰিতশ্বৰ প্ৰতি ক্ৰুদ্ধ হৈ হৰিতশ্ব ৰজাক ভস্ম কৰিবলৈ তেওঁৰ তৃতীয় নয়ন মেলিলে।

তথাপি ৰজা হৰিতশ্বই মহাদেৱক ক'লে, "হে দেৱাদিদেৱ! মোক ভস্ম কৰিলেও কৰক, তথাপি মই মোৰ মত তথা মন্তব্যৰ পৰিৱৰ্তন নকৰিম।"

তেতিয়া দেৱাদিদেৱে হৰিতশ্ব ৰজাৰ সংগীতজ্ঞানৰ অতুলনীয় শ্ৰেষ্ঠত্ব উপলব্ধি কৰি সংগীতবিদ ৰজা হৰিতশ্বলৈ অতি উদাৰ অন্তৰেৰে বৰ প্ৰদান কৰিলে। দেৱাদিদেৱ প্ৰদানিত এই বৰৰ সফল প্ৰয়োগ কৰি ৰজা হৰিতশ্বই দেৱ-ভীতিকৰ অন্ধকাসুৰক বধি মানৱলোক আৰু দেৱলোককো ভীতিমুক্ত কৰিছিল।

কেত-সন্ধানে

অমাৰ্জিত-অৰুচিকৰ — তেও প্ৰিয়তৰ

১৮০০ চনৰ শেষভাগত আমেৰিকাৰ দক্ষিণাঞ্চলৰ ৰাজ্যসমূহত অমাৰ্জিত কিন্তু অতি জনপ্ৰিয় এবিধ সংগীতধাৰাৰ উদ্ভৱ হৈছিল। এই অমাৰ্জিত সংগীতধাৰায়েই হ'ল জাজ সংগীত। এই কঁকাল-



©1997 UBC Feature World. All rights reserved

নচুৱা সংগীতৰ আৰম্ভণীতে যি লয়-তাল থাকে, পাছত সেই লয়-তাল ছিন্ন-ভিন্ন হৈ খৰতকীয়া-খৰলিপকীয়া লয়-তাললৈ পৰ্য্যৱসিত হয়, আৰু তাৰ পাছত পুনৰ লাহে লাহে প্ৰাৰম্ভিক লয়-তাললৈ ঘূৰি আহে। জাজ-সংগীতধাৰাৰ উদ্ভৱ-উৎপত্তিৰ উহ প্ৰকৃততে কোনেও ক'ব নোৱাৰে। ১৯২০ চনৰ পৰা এই অদ্ভুত সংগীতধাৰাৰ প্ৰভাৱেৰে আমেৰিকাৰ ল'ৰা-বুঢ়া-মেথা-গাভৰু বলিয়া হৈ উঠা পৰিলক্ষিত হয়। আমেৰিকাৰ অন্যতম বিৰাট সংগীতবিদ তথা ট্ৰাম্পিট-বাদক লুই আৰ্মস্ট্ৰঙে জাজ-সংগীতধাৰাত ভালেখিনিমান অৰিহণা যোগাইছিল। অন্য কিছুমান প্ৰখ্যাত জাজ-বিশাৰদ হ'ল—বেন্‌নি গুডম্যান, ডিজজি গিল্লেস্পি, গ্লেন মিল্লাৰ প্ৰমুখ। ইংৰাজী ভাষাৰ 'জাজ' শব্দটোৰ অৰ্থয়েই হ'ল অমাৰ্জিত-অৰুচিকৰ। তথাপি যে জাজ কিমান প্ৰিয়তৰ !

ৰাম-জখলা



©1997 UBC Feature World. All rights reserved

প্ৰথম মহাকাশযাত্ৰী কোন?

প্ৰথম মহাকাশযাত্ৰীনো কোন আছিল ? সুধিলেই গাগাৰিন, নিল আমস্ট্ৰং আদিৰ কথা মনত নপৰেনে বাৰু ? কিন্তু মানৱৰ ইতিহাসত প্ৰথম মহাকাশযাত্ৰী প্ৰাণী হিচাপে স্থান লাভকৰা প্ৰাণী মানুহ নাছিল আছিল এটি কুকুৰ, যাৰ নাম আছিল 'লাইকা'। ১৯৫৭ চনৰ ৩ নভেমবাৰৰ দিনা ৰুশ্ মহাকাশযান স্পুটনিকৰ এক এয়াৰকণ্ডিশ্বনড কক্ষত জোখে-জোখাৰে খাদ্য-দ্ৰব্যৰে সৈতে 'লাইকা'ক মহাকাশলৈ পঠোৱা হৈছিল, আৰু লাইকাই অজস্ৰ মহাকাশীয় তথ্য-পাতি আমালৈ পঠোৱাৰ অন্তত মহাকাশতে মৃত্যুবৰণ কৰিছিল। কিয়নো মহাকাশৰপৰা মহাকাশযানক পুনৰ পৃথিৱীৰ মাটিলৈ ওভোতাই আনিবপৰা কাৰিকৰী-কৌশল তেতিয়ালৈকো বিজ্ঞানী সকলে আয়ত্ত কৰিব পৰা নাছিল।

ভাৰতৰ স্বাধীনতা-সংগ্ৰামৰ ৰোমাঞ্চকৰ কাহিনী

প্ৰথম সংগ্ৰাম

১৬০০ খৃষ্টাব্দ। বৃটিছ-বুৰঞ্জীৰ উজ্জ্বলতম কাল। দেশখন ক্ষুদ্ৰ, কিন্তু স্বপ্ন বৃহৎ।

তেতিয়া প্ৰথম ৰাণী ইলিজাবেথৰ ৰাজত্বৰ কাল। সেই কালতে ভুৱনখ্যাত নাট্যবিদ-সাহিত্যবিদ শ্বেকছপিয়াৰৰ স্বৰ্ণযুগ। সেই যুগতে মহান নাৱিক স্যাৰ ওৱাল্টাৰ ৰ্যালিয়ে আমেৰিকাৰপৰা আলুগুটি আৰু ধঁপাত ইংল্যাণ্ডলৈ লৈ আহিছিল। স্যাৰ ফ্ৰান্সিছ বেকনে সম্পূৰ্ণ নতুন ধাৰাৰে গদ্য-সাহিত্য ৰচিছিল, আৰু — আৰু সেই কালতে অনেক খ্যাতিমান ইংল্যাণ্ডীয় ব্যক্তিত্বৰ অভ্যুদয় হৈছিল।

এই শতিকাৰ শেষ দিনত ৰাণী ইলিজাবেথে এখন চনদত স্বাক্ষৰ কৰিলে। এই চনদ অনুসাৰে ৰাণীয়ে ইংল্যাণ্ডত গঠিত ইস্ট ইণ্ডিয়া কম্প্যানি নামৰ বণিজাৰু-প্ৰতিষ্ঠান এখনক এছিয়া মহাদেশত বাণিজ্য কৰাৰ অধিকাৰ দিলে। এই কম্প্যানিৰ অন্যতম প্ৰতিনিধি স্যাৰ টমাছ ৰো ভাৰতৰ মোগল বাদশ্বাহ জহাঁগীৰৰ দৰবাৰত একেৰাহে তিনি বছৰ অতিবাহিত কৰিছিল। বাদশ্বাহ জহাঁগীৰে স্যাৰ ৰো-ৰ বিবিধ গুণৰ শলাগ লৈছিল, আৰু পাছত ভাৰতত বেপাৰ-বণিজ কৰাৰ অনুমতি প্ৰদান কৰিছিল। সুৰত বা সুৰাটত সেই বাণিজ্যৰ আৰম্ভণী, আৰু চাওঁতে চাওঁতে ভাৰতৰ বিভিন্ন প্ৰান্তত সেই বণিজে ল'লে খোপনি।

আৰু লগতে এই কম্প্যানিৰ উচ্চাশা অধিকতকৈয়ো অধিক বাঢ়ি গৈ থাকিল। এই বণিজাৰেই ক্ৰমাত শাসক হৈ উঠিবলৈ ধৰিলে। ইপিনে—মোগল বাদশ্বাহীৰো তেতিয়া অস্তমিত অৱস্থা। সৰু সৰু ৰাজ্যবোৰে মোগলৰ বিৰুদ্ধে মূৰ দঙা হৈছে। ৰজাসকলৰ পৰস্পৰৰ মাজত তেতিয়া দন্দ-বান্দ কলহ-বিবাদে পোখা মেলিছে। কোনে কাক কেনেকৈ তলতীয়া কৰিব—ৰজাসকলে প্ৰজাৰ কথা নিচিন্তি সেই কথাহে দিনে-নিশাই চিন্তিছে। আৰু এই ছেগতে ইস্ট ইণ্ডিয়া কম্প্যানিয়ে নিজাকৈ সৈন্যবাহিনী গঢ়ি তুলিছে, ৰজাহঁতৰ বিৰুদ্ধে কাহ-মেঠনিৰে সৈতে কিলাকুটিও চাঁচিব ধৰিছে, ধূৰ্ত শিয়ালৰ দৰে ইৰজাৰ বিৰুদ্ধে সিৰজাক লগাই দিছে, আৰু 'লড়কে লেঙ্গেঁ ৰাজ্যখন' মনোভাৱ সৃষ্টিৰ বাবে সেই ৰজাহঁতলৈ কু-মন্ত্ৰণাৰ যোগান ধৰা হৈছে। ইজন ৰজাৰ বিৰুদ্ধে সিজন ৰজাক কম্প্যানিৰ সৈন্যদলেৰে সহায় কৰাৰ নামত সৌকা মেলিছে, আৰু বান্দৰৰ পিঠা ভাগৰ দৰে ৰাজ্য ভাগ কৰি লৈ সিহঁতৰ ভাগত সিহঁতৰ অধিকাৰ প্ৰতিষ্ঠা কৰিছে।

এইদৰে, এশ পঞ্চাছ বছৰৰ ভিতৰত ইস্ট ইণ্ডিয়া কম্প্যানি ভাৰতীয় যিকোনো ৰাজ্যৰ ৰজা-মহাৰজাতকৈ অনেক অধিক শক্তিমন্ত হৈ উঠিল, আৰু কেতিয়াবা মিঠা মিঠা কথাৰে ভোল নিয়াই, কেতিয়াবা মিছা প্ৰতিশ্ৰুতিৰে নিচুকাই, আকৌ—কেতিয়াবা ডাবি-হুঁকিৰে ডৰুৱাই সৰু সৰু ৰজাসকলক সেও কৰি কম্প্যানিৰ শাসনৰ ৰঙা- ঘোঁৰা মেলি দিয়া হ'ল। আৰু — এইদৰেই, এদিনৰ বণিজাৰহঁতে 'বহিব আটিলে শুৱও আঁটে' — বচনযাৰৰ তাৎপৰ্য্যক সাৰোগত কৰি প্ৰায় সমগ্ৰ ভাৰত ব্যাপীয়েই বৃটিছ-শাসনৰ পাতনি তৰিলে — বণিজাৰৰূপী বিৰিণাৰ চুপাই এদিন বাঘ হৈ দেখা দিলে।

বৃটিছ-বণিজাৰুহঁত ভাৰতলৈ অহাৰ আঢ়ৈশ বছৰ পাৰ হোৱাৰ পাছত ভাৰতীয় সকলৰ মনত সিহঁতৰ বিৰুদ্ধে বিদ্ৰোহৰ ফিৰিঙতিৰ সৃষ্টি হ'ল, আৰু সেই ফিৰিঙতিয়েই ক্ৰমে তৌ তৌ জুইহেন বিদ্ৰোহৰ ৰূপ ল'লে। এই বিদ্ৰোহ ইংৰাজসকলে অতি লঘুকৈ—তুচ্ছতাৰে কফুৰৰ দৰে উৰাই দিবলৈ—'চিপাহী বিদ্ৰোহ' বুলি কৈছিল। কিন্তু প্ৰকৃতপক্ষে সিদিনাৰ সেই বিদ্ৰোহ আছিল গণ-বিদ্ৰোহ আৰু — স্বাধীনতা-সংগ্ৰামৰ সেয়ে আছিল প্ৰকৃত আৰম্ভণী · · · · ·।

অস্তগামী সূৰ্যৰ কিৰণ ভাগীৰথী নৈৰ বুকুত জলমল কৰিছে। নৈৰ পানী সোণহেন লাগিছে। আৰু সেই নদীতটত ওঠৰ বছৰীয়া যুৱা এজনে সাত বছৰীয়া বালিকা এজনীক তৰোৱাল-চালনা শিকাব ধৰিছে। অসংখ্য মানুহ-মুনিহ তাত সমৱেত হৈ এই আচৰিত তৰোৱাল-চালনা-শিক্ষালৈ মুগ্ধ দৃষ্টিৰে চাই আছে। যুৱাই বিজুলী গতিৰে তৰোৱাল-চালনা কৰিছে, আৰু সেই সৰু ছোৱালীজনীয়েও বিদুলীৰ দৰে উছলি উঠি হেলাৰঙে তৰোৱালেৰে বিধোবিধ কলা-কৌশল প্ৰদৰ্শন কৰিছে।

এই ঠাইডোখৰৰ নাম বিঠুৰ। তাত তেতিয়া ঝান্সীৰ ৰাজ-পুৰোহিত উপস্থিত আছিল। তেওঁ তাত দণ্ডায়মান পেশ্বোৱা বাজীৰাৱক সুধিলে, "ৰাজকোঁৱৰৰপৰা এই অপূৰ্ব তৰোৱাল-চালনা শিক্ষা কৰা এই বালিকা—কোননো?"

"এই বালিকাজনী হ'ল — মোৰাপন্তৰ কন্যা মানুবাঈ। আমাৰ যুৱৰাজে মানুবাঈক আপোন ভগ্নীহেন জ্ঞান কৰে আৰু প্ৰতিদিনেই অস্ত্ৰ-চালনাবিদ্যা শিক্ষা প্ৰদান কৰে। যদিও বয়সত সেইজনী সামান্যা বালিকায়েই, তথাপি, তাইৰ সৈতে কথা পাতি থাকিলে তাইক বয়সৰ বুন্দুৰী যেন লাগিব। তাইৰ আচাৰ-আচৰণ মহাৰাণীহেন।"

"ঠিক, ঠিকেই কৈছে। মহাৰাণী হোৱাৰ লা-লক্ষণ তাইৰ হাৱ-ভাৱত সঁচাকৈয়েই পৰিলক্ষিত হৈছে।" ঝান্সীৰ ৰাজপুৰোহিতে সেই বালিকাজনীলৈ ৰ' লাগি চাই থাকি কও-নকওঁকৈ ক'লে।

সেই কালত ছত্ৰপতি শিৱাজীয়ে মোগলক পৰ্য্যুদস্ত কৰিব ধৰিছিল। শিৱাজীৰ বীৰত্বপূৰ্ণ আক্ৰমণৰ ফলত মোগল সাম্ৰাজ্য থৰহৰিকম্পমান হৈ উঠিছিল। ছত্ৰপতি

শিৱাজীৰ ৰাজসভাত পেশ্বোৱা তথা প্ৰধানমন্ত্ৰীৰ বংশজ আছিল দ্বিতীয় বাজীৰাও। শিৱাজীৰ পাছত তেৱেঁই পেশ্বোৱাৰ দায়িত্ব কঢ়িয়াই আছিল। কিন্তু ইংৰাজ বণিজাৰ ইস্ট ইণ্ডিয়া কম্প্যানিয়ে বিভিন্ন কৌশল-কিটিপ তথা ষড়যন্ত্ৰেৰে পেশ্বোৱা বাজীৰাৱৰ ৰাজ্যাধিকাৰ কাঢ়ি ল'বলৈ তথা অধিকাৰ কৰিবলৈ তলে তলে কাঁড় চাঁচি আছিল, হুল দি ফুৰিছিল, তলে পুতল দিছিল। আৰু —

আৰু শেহান্তৰত দ্বিতীয় বাজীৰাৱৰ সৰ্বপ্ৰকাৰৰ অধিকাৰ কাঢ়ি লৈ একালৰ বণিজাৰেই ইকালত শাসক হৈ খলি লোৱা ধূৰ্ত ইংৰাজৰ ইস্ট ইণ্ডিয়া কম্প্যানিয়ে দ্বিতীয় বাজীৰাৱক বছৰেকীয়া বৃত্তি গ্ৰহণ কৰি শাসনকাৰ্য্যৰপৰা বিৰত হ'বলৈ যি শিয়াল-প্ৰস্তাৱ দিছিল, পেশ্বোৱা দ্বিতীয় বাজীৰাৱে উপায়ন্তৰ নেদেখি সেই প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল। কিয়নো—ভাৰতীয় ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যৰ ৰজাসকল তেতিয়া জুই জাল্ পানী ঢাল্ কৰি কৰি পৰস্পৰক জব্দ কৰাতহে মগ্ন, ইস্ট ইণ্ডিয়া কম্প্যানিৰ বিৰুদ্ধে থিয় দিয়া হ'লে সিসকল ৰজাৰপৰা সহায়-সাৰথি পোৱাৰ কোনো আশা নাছিল।

পেশ্বোৱাৰ কোনো সন্তান নাছিল। তেওঁ তেওঁৰ ৰাজসভাৰ এগৰাকী উচ্চপদস্থ কৰ্মচাৰীৰ মাধৱৰাও নামক এক বুদ্ধিমন্ত ল'ৰাক নিজৰ উত্তৰাধিকাৰী ৰূপে তোলনীয়া পুত্ৰ হিচাপে গ্ৰহণ কৰিলে। সেয়া ১৮২৭ চনৰ কথা। এই তোলনীয়া পুত্ৰটিয়েই অঞৰ হৈ নানাছাহিব ৰূপে খ্যাত হ'ল। এওঁৰপৰাই সেই বালিকা মানুবাঈয়ে অস্ত্ৰ চালনা শিক্ষা কৰি আছিল। সেই বালিকায়েই পাছত ঝান্সীৰ বীৰাঙ্গনা ঝান্সীৰ ৰাণী লক্ষীবাঈ ৰূপে জগতত খ্যাতা হৈছিল।

ঝান্সীৰ ৰাজ-পুৰোহিতে সেই বিদুলী গতিসম্পন্না তেজস্বিনী বালিকাৰ বা-বিবৰণ তদানীন্তন ঝান্সীৰ মহাৰাজক বিবৰিছিল আৰু এই ৰাজ-পুৰোহিতৰ মুখে এই বিবৰণ শুনাৰ অন্তত মহাৰাজে তেওঁৰ মহামন্ত্ৰীক আৰু লগতে আৰু কেইগৰাকীমান প্ৰমুখ ব্যাক্তিকো বিবৰিবলৈ প্ৰেৰণ কৰিছিল। তেওঁলোকে প্ৰস্তাৱ দাঙি ধৰিছিল যে মানুবাঈৰ বিবাহ ঝান্সীৰ মহাৰাজ গঙ্গাধৰৰ সৈতে পতা হওক। নানাছাহিব আৰু লক্ষ্মীবাঈৰ কপালত এই বিবাহৰ পাছত প্ৰায় একেলগেই জুই লাগিছিল।

১৮৫১ চনত পেশ্বোৱাৰ মৃত্যু হ'ল আৰু তেওঁৰ মৃত্যুৰ লগে লগেই ইস্ট ইন্ডিয়া কম্প্যানিয়ে পেশ্বোৱাক প্ৰদত্ত বৃত্তিৰ ধন আৰু নিদিয়া হ'ল। বৃত্তি নিদিয়াৰ কাৰণ হিচাপে কম্প্যানিয়ে কৈছিল যে—এই পেশ্বোৱা নানাছাহিবৰ সন্তান নহয়, এতেকে তেওঁলোকে এওঁক বৃত্তি দিয়াত বাধ্য নহয়—ইত্যাদি।

কম্প্যানিৰ কথা শুনি তেওঁলোকে তৰধেই মানিলে। ৰজা বংশপৰম্পৰাই বৃত্তি প্ৰদান কৰা হ'ব বুলি কম্প্যানিয়ে কথা দিছিল, এতিয়া সেই কম্প্যানিয়েই কথাত নোবোৱা হ'ল। পেশ্বোৱাই এই বিষয়ে স্পষ্টৰূপে জ্ঞাত হ'বলৈ কম্প্যানিলৈ পত্ৰ এখন লিখিলে। সেই পত্ৰত তেওঁ লিখি পঠালে ঃ আপোনালোকে বৃত্তি প্ৰদান বন্ধ কৰাৰ অৰ্থ — আমাক আমাৰ ৰাজ্য পুনঃ প্ৰদান। আপোনালোকে যদি চুক্তিৰ নিয়ম ভংগ কৰে, চুক্তিক নমনা হয়, তেনেহ'লে সেই চুক্তি নিশ্চয় বাতিল হোৱা বুলি গণ্য হ'ব।

কিন্তু কম্প্যানিয়ে পেশ্বোৱাৰ পত্ৰৰ প্ৰাপ্তিস্বীকাৰো নকৰিলে, উত্তৰো নিদিলে। ইস্ট ইন্ডিয়া কম্প্যানিয়ে ভাবিছিল যে — এই অৱস্থাত নানাছাহিবে চিপাহী গোটাই কম্প্যানিৰ বিৰুদ্ধে আক্ৰমণো কৰিব নোৱাৰিব, আৰু তেওঁৰ ৰাজ্যও ঘূৰাই দিয়াৰ প্ৰয়োজন নহ'ব। এই ধাৰণাৰ ফলতে কম্প্যানিয়ে নানাছাহিবৰ পত্ৰৰ উত্তৰ নিদিয়াকৈ থাকিল।

কম্প্যানিৰ হাৰ-ভাৱলৈ চাই নানাছাহিবৰ মনত এই ধাৰণা হ'ল যে — ইয়াত থকা ইংৰাজহঁতৰ বুদ্ধি বক্ৰ হ'লেও — নীচতা-শঠতাপূৰ্ণ হলেও কম্প্যানিৰ লন্ডনস্থ

বৰমূৰীয়াসকল নিশ্চয় কপটী বা গিয়ানবুধীয়া সলি-সিয়ান নহ'ব, তেওঁলোকৰ মাজত আদৰ্শ বোলা বস্তুটি নিশ্চয়েই থাকিব। এই কথা ভাবি, নানাছাহিবে ইস্ট ইন্ডিয়া কম্প্যানিৰ লন্ডনস্থ বৰমূৰীয়াসকলক প্ৰকৃত কথাখিনি জনাবলৈ আজিমুল্লা নামৰ এগৰাকী ৰাজনীতিজ্ঞক তেওঁৰ প্ৰতিনিধি হিচাপে লন্ডনলৈ পঠালে।

আজিমুল্লা আছিল বিবেকৱান, বিশ্বাসী, আৰু ইংৰাজি আৰু ফৰাছি ভাষাতো সুদক্ষ। তেওঁৰ বাগ্মিতাও আছিল ক্ষুৰধাৰ, বুদ্ধিতো বৃহস্পতি।

আজিমুল্লা লন্ডনলৈ গ'ল, আৰু গৈয়েই তেওঁ তাত কিছুসংখ্যকক বন্ধু-বান্ধৱ হিচাপে পালে। কিন্তু এইসকল বন্ধু-বান্ধৱে আজিমুল্লাক বৰ বেছি সহায় কৰিব নোৱাৰিলে তেওঁৰ

কামত, কিয়নো, তেওঁলোকৰ থৈতে ইস্ট ইণ্ডিয়া কম্প্যানিৰ বা কম্প্যানিৰ লণ্ডনস্থ ৰৰমূৰীয়াসকলবো কোনো সা-সম্পৰ্ক নাছিল।

দুবছৰৰ পাছত ঝান্সীৰ মহাৰাজ গঙ্গাধৰ ঢুকাল, আৰু ঢুকোৱাৰ আগে আগে ৰাজকোঁৰৰ হিচাপে যিকোনো ল'ৰাক তোলনীয়া হিচাপে গ্ৰহণ কৰাৰ পূৰ্ণ অধিকাৰ ৰাণী লক্ষ্মীবাঈক প্ৰদান কৰি গ'ল। পতিৰ মৃত্যুৱে ৰাণী লক্ষ্মীবাঈক শোকাহত কৰিলে; কিন্তু তেওঁ নিজক চম্ভালি ল'লে, আৰু পতিৰ ইচ্ছা অনুসাৰেভাৰতৰ সুপ্ৰচীন ঐতিহ্য অনুসৰি এটি বালক দত্তকপুত্ৰ হিচাপে গ্ৰহণ কৰিলে।

মহামন্ত্ৰী, সেনাধিপতি প্ৰমুখই উপলব্ধি কৰিলে যে — ৰাণী লক্ষ্মীবাঈ এক অসামান্যা বীৰ নাৰী, আৰু লগতে জাতিৰ মাতৃৰূপেও কৰুণাময়ী। কিন্তু তথাপি — এই বীৰাঙ্গনাই যথেষ্ট দক্ষতাৰে ৰাজ্যভাৰ চম্ভালিব পাৰিবনেনাইসেই কথাত তেওঁলোকৰ মনত সন্দেহে বাহ ল'লে।

এদিন মহামন্ত্ৰীয়ে বেজাৰ মুখেৰে ৰাণী লক্ষ্মীবাঈক ক'লেহি, "আমাৰ মাননীয়া মহাৰাণী, এটা অতি বেয়া খবৰ শুনিলোঁ।"

"মহাৰাজৰ মৃত্যুতকৈয়ো বেয়া আৰুনো কি হ'ব পাৰে?" লক্ষ্মীবাঈয়ে ক'লে।

"কোম্পানিৰ বক্তব্য হ'ল যে — দত্তকপুত্ৰৰ উত্তৰাধিকাৰিত্ব কোম্পানিয়ে স্বীকাৰ ন কৰিব। এই ৰাজ্যৰ উত্তৰাধিকাৰ—কোনো দত্তকপুত্ৰক প্ৰদত্ত নহ'ব।" মহামন্ত্ৰীয়ে ক'লে।

"কোন ৰাজ্যৰ উত্তৰাধিকাৰী কোন হ'ব-নহ'ব—তাৰ সিদ্ধান্ত কোম্পানিয়ে কেনেকৈ লয়? কিহৰ ভিত্তিত নিৰ্ণয় কৰে? এই নিৰ্ণয়, এই সিদ্ধান্ত ৰজাই বা ৰাণীয়ে বা ৰাজ্যৰ জনগণেহে ল'ব। সিহঁতক আমি সাঁৰিয়া মাতিছোঁনে এই বিষয়ে মাত মাতিবলৈ? এইবোৰ কথাত কোম্পানিনো মাত মাতিবৰ কোন? ইহঁত ইমানেই মূৰ্খনে?"

"মহাৰাণী, ইহঁত মূৰ্খ নহয়, ধূৰ্ত, মহাধূৰ্ত। একালত বণিজাৰ হৈ অহাহঁতে এতিয়া ভাৰতভূমিক শাসন কৰিবলৈ অপৰিসীম ধূৰ্ততাৰে এডেও-দুডেওকৈ আগবাঢ়িছে। ভাৰতবৰ্ষক সিহঁতৰ সাম্ৰাজ্যৰ অংগ হিচাপে গণ্য কৰিছে।" মহামন্ত্ৰীয়ে গহীন মাতেৰে ক'লে, "সিহঁত এতিয়া আৰু বণিজাৰ হৈ থকা নাই, এতিয়া সিহঁত ভাৰতভূমিৰ দখলদাৰ!"



বুদ্ধিৰ খেও

সুপ্ৰাচীন কালত সিংহল দেশত মহীপাল নামৰ এজন সমুদ্ৰী-বণিজাৰ আছিল। তেওঁ সমুদ্ৰী-বাণিজ্যৰ যোগেদি সেনীয়েদি সিঁচিছিল, ধনেদি মঠ বান্ধিছিল, সোণ-ৰূপৰ গৃহস্থালি সাজিছিল। ক্ৰমাত মহীপাল বুঢ়া হ'ল, বেপাৰ-বণিজলৈ আৰু ওলাব নোৱৰা হ'ল, আৰু এদিন মৰণৰ হাত-বাউলিও দেখা হ'ল। তেতিয়া মহীপালে তেওঁৰ একমাত্ৰ পুত্ৰ জয়পালক ক'লে, "বোপা, তুমিও সমুদ্ৰী-বেপাৰ কৰি থাকাঁ, কিন্তু ভুলে-পাহৰণেও বঞ্চক মহানগৰত ভৰি নাৰাখা।"

পিতাকৰ মৃত্যুৰ অন্তত জয়পালে সমুদ্ৰী-বেপাৰেত ধৰিলে। জয়পালে চাৰিখন বণিজ-ডিঙাৰে সৈতে বাণিজ্য-বেপাৰলৈ ওলাল।

ওলাই—অ'লৈ গ'ল ত'লৈ গ'ল বেহা-বেপাৰবো ধুমধাম হ'ল — কিন্তু বঞ্চক নগৰহলৈহে নগ'ল।

ভাবিলে জয়পালে : কিনো আছে তাত? বঞ্চক নগৰত? বাৰু, নগৰখনৰ নামেই বা কিয় হ'ল বঞ্চক?

কুতুহল দমাব নোৱাৰি, দেশলৈ ওভোতোঁতে, কুতূহল মাৰ নিয়াবলৈ, গৈ গৈ জয়পাল বণিজাৰে বঞ্চক নগৰ পালেগৈ।

ডিঙাবোৰ সাগৰৰ পাৰত ভালকৈ নঙৰ কৰি থৈ, ধনু-কাঁড় হাতত লৈ, জয়পালে সাগৰবালিত নামি এটা ডাঙৰ আকাৰৰ বগলীয়ে মাছ মাৰি মাৰি খাই থকা দেখা পালে, আৰু তাৰ কি মন গ'ল—সেই বগলীটোক একো নভবা-নিচিন্তাকৈয়েই কাঁড়িয়াই মাৰি পেলালে।

ওচৰতে এজন মাছমৰীয়ায়ো জালেৰে মাছ ধৰি আছিল, জয়পালে বগলীটোক মাৰি পেলোৱাৰ লগে লগে মাছমৰীয়া মানুহজন দৌৰি আহিল, আৰু আহি জয়পালক ক'লে, "তুমি কোন—? তুমি ক'ৰ মানুহ? তুমি মোৰ

'পাঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

দেউতাক কঁড়িয়াই মাৰিলা কিয় ? মই তোমাৰ নামত ৰজাৰ ওচৰত গোচৰ তৰিম।"

জয়পালে সুধিলে, "সৌ বগলীটো তোমাৰ — দেউতাৰা ? কি কোৱা !"

"ওঁ, আগৰ জনমত মোৰ দেউতা আছিল, এই জনমত জলপক্ষী হৈ জনমি মোক মাছ ধৰাত সহায় কৰিছিল।" মাছমৰীয়াই ক'লে।

তাৰ পাছত জয়পাল নগৰৰ ভিতৰলৈ সোমালগৈ। তাত হঠাৎ এখন কাণ নথকা এজন মানুহে জয়পালক হাত দাঙি ৰখালে আৰু জয়পালক ক'লে, "বহু বছৰৰ পাছত তোমাক দেখা পালোঁ। তোমাৰ দেউতাৰাই মোৰ সোঁ কাণখন বন্ধকী হিচাপে লৈ মোক দহ ৰূপৈয়া দিছিল। এতিয়া সেই দহ ৰূপৈয়া লোৱাঁ, আৰু মোৰ কাণখন মোক ওভোতাই দিয়া।"

শুনি জয়পালে জিকাৰ খাই উঠিল, কয়-কি ! কাণো কোনোবাই বন্ধকত ৰাখেনে ? সম্ভৱনে ? পিছে—এই মানুহজনৰ এখন কাণ সঁচাসঁচিকৈয়েই নাছিল। জয়পালে একণীয়া মানুহজনক ক'লে, "কিন্তু মোক মোৰ দেউতাই তোমাৰ কাণৰ কথা কেতিয়াও একো কোৱা মোৰ কাণত পৰা নাই।"

"তোমাৰ দেউতাৰাই যদি মোৰ কাণখনৰ কথা তোমাক কোৱা নাই মইহেনে জগৰীয়া ? তুমি যিহেতু তেওঁৰ পো, মই তোমাক ৰূপৈয়া দহটা দি ক'মেই যে—মোৰ কাণখন চাফ জেগাত থো। তুমি যদি হৈছা অৰাজী, মই আমাৰ ৰজাক দিম আৰজী।" বুলি কৈ, একণীয়াই, জয়পাললৈ টঁ টঁকৈ চালে।"

তাৰ পাছত জয়পালে পুনৰ খোজ ল'লে। নগৰখন কিন্তু দেখাই মেলাই ভালেই, বাট-পথো বহল বহল আৰু চাফ-চিকুণো হয়। কিন্তু মানুহখিনিহে যেন সিমান চাফা নহয়।

অনাই-বনাই ফুৰি থাকোঁতে এঠাইত এজনী তিৰোতাই জয়পালক ৰখালে আৰু ক'লে, "বোপা, যোল্ল বছৰৰ আগতে তোমাৰ

দেউতাৰাই মোক বিয়া কৰাইছিল, কিন্তু পাছত মোক এৰি গুচি গৈছিল। যোৱাৰ আগতে মোক দহ হেজাৰ ৰূপৈয়া দিব বুলি কৈছিল, কিন্তু দিয়া নাছিল। এতিয়া—তুমি হ'লা তেওঁৰে ল'ৰা, কি কৰা কৰা, লৰালৰিকৈ কৰা; নহ'লে কিন্তুক ৰজাৰ পৰীয়াৰ হাতত পৰিবা ধৰা।"

জয়পালে ঘেংকৈ কৈ উঠিল, "যা—যা, মই-তপইচীয়া এটাও নিদোঁ।" এই বুলি কৈ সি তাৰ ডিঙাবোৰ থকা ঠাইলৈ গ'ল।

তাত তেতিয়া এজন নাপিত বৈ আছিল, নাপিতটোৱে জয়পালক সুধিলে, "চুলি-তুলি নৰুবনে ছাহাব ?"

জয়পালে সুধিলে, "কিমান ল'বা ?"

নাপিতে ক'লে, "জোখে-জোখাৰে দিব আৰু —।"

চুলি কটোৱাৰ পাছত জয়পালে নাপিতটোক এক ৰূপৈয়া দিলে, কিন্তু নাপিতটোৱে এক ৰূপৈয়া ল'বলৈ অস্বীকাৰ কৰিলে। তেতিয়া জয়পালে তাক পাঁচ ৰূপৈয়া দিলে, কিন্তু এইবাৰো নাপিতে নল'লে। তাৰ পাছত দহ ৰূপৈয়া দিয়াতো যেতিয়া নাপিতে নল'লে, তেতিয়া জয়পালে ভেবা লাগি তালৈ চালে আৰু তাৰ পাছত ক'লে, "যা—যা, মই তোমাক একোৱেই নিদোঁ, যি কৰা কৰি থাকা, ইমান সস্তা নহয় আমাৰ টকা।"

মাছমৰীয়াই, একণীয়াই, তিৰোতাই, আৰু নাপিতেও জয়পালৰ বিৰুদ্ধে ৰজাৰ ওচৰত গোচৰ তৰিলেগৈ। জয়পালক ৰাজসভালৈ লৈ যোৱা হ'ল। আৰু তাৰ পাছত এসময়ত জয়পালৰ বিচাৰ আৰম্ভ হ'ল ···।

প্ৰথমে মাছমৰীয়াই ৰজাক ক'লে, "মহাৰাজ, মোৰ দেউতাই মৰি বগলী হৈ জনম লৈছিল আৰু মাছ ধৰাৰ কামত মোক সহায় কৰিছিল। এই অচিন দেশৰ মানুহজন আজি পুৱাতে মোৰ বগলী-দেউতাক কঁড়িয়াই মাৰিলে, যাৰ ফলত মই সহায়-সম্বলহীন হৈ পৰিলোঁ। মোক সহায় কৰোঁতা আন কোনো নাই। গতিকে এই বেপাৰীৰ ওচৰত থকা চাৰিখনৰ এখন ডিঙা মোক দিয়া হওক।"

মহাৰাজে গুচৰীয়াৰ আবেদন মঞ্জুৰ কৰি জয়পালক ক'লে, "ডিঙা এখন এওঁক দিবা।"

একণীয়াই ৰজাক ক'লে, "মহাৰাজ, এই বেপাৰীৰ দেউতাৰাই মোৰ এখন কাণ বন্ধকী হিচাপে লৈ মোক দহ ৰূপৈয়া দিছিল। এতিয়া মই যেতিয়া দহ ৰূপৈয়া ওভোতাই দিবলৈ



লৈছোঁ, এওঁ মোক মোৰ কাণখন ওভোতাই দিয়াত অমান্তি হৈছে।"

ৰজাই জৰিমনা হিচাপে একণীয়াকো এখন ডিঙা দিবলৈ জয়পাললৈ আদেশ জাৰী কৰিলে।

তাৰ পাছত তিৰোতাজনীয়ে মহাৰাজক তাইৰ দুখৰ তথা বঞ্চনাৰ কথা বিবৰি কোৱাত মহাৰাজে তাইকো এখন ডিঙা দিবলৈ জয়পালক আদেশ কৰিলে।

সদৌশেষত নাপিতেও নাল লগোৱা কথাৰে মহাৰাজক ভোল নিয়ালে। নাপিতে ক'লে যে—এওঁ মোক জোখে-জোখাৰে দিব বুলি কৈছিল, কিন্তু পাছত ভাঁৰিছিল।

ৰজাই নাপিতকো এখন ডিঙা দিবলৈ জয়পালক আদেশ কৰিলে, বঞ্চকনগৰৰ এই ব-চুঙা ৰজাৰ বিচাৰলৈ চাই জয়পাল বেবুৰা লাগিল। এইবাৰ সি তাৰ দেউতাকৰ কথাৰ নিহিতাৰ্থ হাড়ে-হিমজুৰে উপলব্ধি কৰিলে। 'আন য'লৈকে যোৱা বঞ্চকনগৰলৈ নোযোৱা' —কথাষাৰৰ মূল্য এইবাৰহে বুজি পালে জয়পালে। জয়পালে ভাবি থাকিল : এতিয়া মই কি কৰোঁ ? দেশলৈ কেনেকৈনো ওভতোঁ ?

ঠিক তেতিয়াই মহাৰাজৰ দহবছৰীয়া ল'ৰা —অৰ্থাৎ ৰাজকোঁৱৰ ৰাজসভালৈ আহিল, আৰু লগে লগে জয়পালে তাৰ নিজৰ ডিঙিত থকা অতি-মূল্যৱান ৰত্নহাৰডাল ৰাজকোঁৱৰৰ ডিঙিত পিন্ধাই দিলে।

আৰু লগে লগে সভাত হাত-চাপৰিৰ জাউৰি উঠিল। সভাস্থ সকলোৱেই তেওঁলোকৰ হৰিষ প্ৰকাশ কৰিলে।

জয়পালে সভাস্থ সকলোটিলৈ চাই সুধিলে, "মই যে ৰাজকোঁৱৰক ৰত্নহাৰ দিলোঁ তাৰে আনন্দিত নোহোৱা কোনোবা সভাত আছেনে ?"

"নাই, নাই — আমি সকলোটিয়েই আনন্দিত হৈছোঁ।" বহুতেই একেলগে কৈ উঠিল।

জয়পালে নাপিতকো সুধিলে, "তুমিও জোখে-জোখাৰে পালানে ?" নাপিতে মূৰ দুপিয়াবলৈ বাধ্য হ'ল।

তেতিয়া জয়পালে ৰজাক ক'লে, "মহাৰাজ, নাপিতে জোখে-জোখাৰে পালে। এতেকে—এতিয়া আৰু তাক ডিঙা এখন দিব লাগেনে নালাগে আপুনিয়েই বিচাৰ কৰক।"

ৰজাই কৈ উঠিল, "ওঁ—ওঁ, তাক আৰু ডিঙা নিদিলেও হ'ব।"

তাৰ পাছত জয়পালে তিৰোতাজনীক সুধিলে, "হে নাৰী, মই নিশ্চয় জৰিমনা ভৰিম। কিন্তু এটা কথা আছে। আমাৰ দেশৰ নিয়ম মতে পত্নী যদি প্ৰকৃত সতী পত্নী হয়, পতিৰ চিতাতে সতী যাব লাগে। দুৰ্ভাগ্যৰ কথা, আমাৰ পিতাদেউ এবছৰৰ আগতে ঢুকাল। পিছে এতিয়া যদি তুমিও চিতালৈ যোৱা, মই ধাঁপেয়া দহ হেজাৰ দিম।"

"মই মৰিবলৈ সাজু নহওঁ।" তিৰোতাজনীয়ে ক'লে।

তেতিয়া জয়পালে ৰজালৈ চালে আৰু ক'লে, "মহাৰাজ, এতিয়া পুনৰ বিবেচনা কৰি চাওকেই, এওঁক ডিঙা এখন দিব লাগিবনে?"

"নালাগে দিব।" ৰজাই ক'লে।

"আৰু হেই ভাই, তোমাৰ কাণখন ওভোতাই দিয়াত মোৰ কোনো আপত্তি নাই। পিছে— আমাৰ দেউতাৰ কাণ-চন্দুকত বহুত কাণ আছে। সিমানবোৰ কাণৰপৰা তোমাৰখন কাণ বিচাৰি উলিয়াবলৈ হ'লে তোমৰ ইখন কাণো কাটি মোক দিয়া, মই কাণৰ সৈতে কাণ মিলাই চাই উলিয়াই লৈ আহিম বা কাৰোবাৰ হতুৱাই পঠাই দিম, দুয়োখন কাণ একেলগে পাই যাবা।"

কিন্তু সিখন কাণ কাটি জয়পালক দিবলৈ একণীয়াই একোপধোেই মান্তি নোহোৱাত ৰজাই তাকো ডিঙা নিদিবলৈ জয়পালক ক'লে।

তাৰ পাছত জয়পালে ৰজাক ক'লে, "মহাৰাজ, মোৰ পিতাদেউ মাছ হৈ পুনৰ জনমি সাগৰেদি ডিঙা চলোৱাত মোক বৰকৈ সহায় কৰিছিল। যেতিয়া আপোনাৰ ৰাজ্যৰ সাগৰতটত নামিলোঁহি, তেতিয়া সেই বগলীটোৱেই মাছৰূপী আমাৰ দেউতাক মাৰি খোৱাত মই মোৰ পিতৃৰ হত্যাকাৰী বগলীটোক কঁড়িয়াই মাৰিছিলেঁ। মাছ হৈ জনমি মোৰ পিতাদেউ এনেকৈ নমৰাহেঁতেন মই আপোনাৰ এই নগৰলৈ নিশ্চয় নাহিলোহেঁতেন।"

ৰজাই জয়পালৰ যুক্তিপূৰ্ণ কথাত ভাল পাই জৰিমনা হিচাপে সেই মাছমৰীয়াক নালাগে ডিঙা দিব বুলি আদেশ জাৰী কৰিলে। তাৰ পাছত, ৰজাৰ আলহী-হিচাপে বঞ্চকতে কেইদিনমানলৈ বঞ্চি জয়পালে জয়ে জয়ে নিজ দেশলৈ বুলি বঠা মাৰি বুদ্ধিৰ খেও মাৰিলে।

ফোটো-নামকৰণ প্ৰতিযোগিতা : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৭ চনৰ ডিছেমবাৰ সংখ্যাত ওলাব

MAHANTESH C. MORABAD



MAHANTESH C. MORABAD

* ফোটো-নামকৰণ দুই-তিনিটা শব্দেৰে হ'ব লাগিব। * প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব লাগিব। * ১৯৯৭ চনৰ অক্ট'বাৰ ২০ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। * সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। * নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি আমি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাব লাগিব।

ঠিকনা : CHANDAMAMA PHOTO-CAPTION COMPETETION (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600026.

১৯৯৭ চনৰ অগাস্ট সংখ্যাৰ ফোটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফোটো : মৰম হানি হৰি
দ্বিতীয় ফোটো : হৰল গোপীক প্ৰাণ (বৰগীত)
পাওঁতা : পদুমী পাঠক / আপাৰ শ্বিলং / মেঘালয়।
[এই মাহৰ শেষ ভাগত পুৰস্কাৰৰ ধন পঠোৱা হ'ব।]

চান্দমামাৰ বছৰেকীয়া বৰঙনি :

ভাৰতত ৭২.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES
CHANDAMAMA BUILDINGS, 188 N.S.K. SALAI, VADAPALANI, MADRAS-600 026.

Printed by B.V. REDDI at Prasad Process Pvivate Ltd., Chandamama Building, Chennai- 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, 188, N.S.K.Salai, Vadapalani, Chennai- 600 026 (India) Editor : NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and compying or adopting them in any manner will be dealt with according to law.

THE MOST ENDEARING GIFT YOU CAN THINK OF
FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

CHANDAMAMA



Give him the magazine in the language of his choice—
Assamese, Bengali, English, Gujarati, Hindi, Kannada,
Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
—and let him enjoy the warmth of home away from home.

Subscription Rates (Yearly)

AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA

By Sea mail Rs. **129.00** By Air mail Rs. **276.00**

FRANCE, SINGAPORE, U.K., U.S.A.,
WEST GERMANY & OTHER COUNTRIES

By Sea mail Rs. **135.00** By Air mail Rs. **276.00**

Send your remittance by Demand Draft or Money Order favouring
'Chandamama Publications' to:

CIRCULATION MANAGER **CHANDAMAMA PUBLICATIONS** CHANDAMAMA BUILDINGS
VADAPALANI MADRAS 600 026

CHANDAMAMA (Assamese) October 1997 Regd. No. TN / MS (S) 87/97
RN 30278 / 76

PARLE

আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই

জীয়াই থকাৰ এয়াই সঠিক উপায়।

জীৱনৰ বাটে-পথে প্ৰতি খোজেই পৰীক্ষা লয়। কেনিনো আগুৱাম, কেনি পিঠি দিম, তাৰেই আমাৰ পৰিচয়। নিবিছৰাকৈ, নোখোজাকৈ কাৰোবালৈ সহায়ৰ হাত বঢ়োৱা, জীৱন-পথত এনেয়েই আনৰ কামৰ সমভাগী হোৱা... ইয়াকেইতো কয়, সচাঁ মনেৰে জীয়াই থকা। আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই, জীয়াই থকাৰ এয়াই সঠিক উপায়। বছৰ বছৰ ধৰি ভাৰতত আটাইতকৈ বেচি বিছৰা বিস্কুট।

• সোৱাদ ভৰা, সঁচা শক্তি ভৰা। •

everest/95/PPL/108 R as